Young, J. O. (2010). *Cultural appropriation and the arts*. John Wiley & Sons.

::::::

Majuli: A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# অসমৰ বিপদাপন্ন ভাষাৰ স্থিতি

**Dr. Pankajyoti Bora**

Designation : Assistant Professor, Department of Assamese, Cultural University of Majuli, Majuli, Assam, India, e-Mail ID: pankajborah554@gmail.com

**Abstract:**

*In the current era of globalization, many indigenous languages around the world are facing existential threats. This is primarily due to the advancement of technology and civilization, which brings people closer together, leading to the homogenization of languages and cultures. Consequently, powerful and dominant languages and cultures are gradually overshadowing and absorbing the smaller indigenous ones. Additionally, the younger generation is abandoning their native languages and cultures in favor of more widely spoken and prevalent ones. This existential crisis is not limited to the global stage but is also affecting various indigenous communities in Assam. Recently, many small indigenous languages spoken in Assam have seen a rapid decline in usage and popularity. A significant number of these languages are now classified as endangered. Therefore, it is imperative to prioritize the preservation and revival of these endangered languages to raise awareness and take necessary actions while there is still time.*

***Keywords:*** Language, Endangered, Indigenous, Assam, Linguistic Status, UNESCO, Preservation, Usage, Script, Technology.

## ১.০ অৱতৰণিকা

### ১.১ বিষয়ৰ পৰিচয়

সাম্প্ৰতিক সময়ত প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে সমগ্ৰ পৃথিৱীকে ক্ষুদ্ৰ পৰিসৰত সামৰি পেলাইছে। যাৰ ফলস্বৰূপে পৃথিৱীৰ সকলো বস্তু একাকাৰ হৈ পৰিছে। মানৱ প্ৰজাতিৰ ভাষিক-সাংস্কৃতিক ক্ষেত্ৰখনত সমন্বয় আৰু

আগ্ৰাসনৰ প্ৰভাৱ স্পষ্ট ৰূপত দেখিবলৈ পোৱা গৈছে। ক্ষুদ্ৰ ক্ষুদ্ৰ নৃ-গোষ্ঠীবোৰৰ ভাষা-সাহিত্য-সংস্কৃতিৰ স্থিতিলৈ ভাবুকি নামি আহিছে। তদুপৰি প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত নতুন প্ৰজন্মই নিজৰ ভাষা-সংস্কৃতিৰ প্ৰতি অনিহা প্ৰকাশ কৰা দেখা গৈছে। এনেবোৰ বিভিন্ন কাৰণতে বৰ্তমান পৃথিৱীৰ পৰা প্ৰতি দিনে বহুতো ভাষা বিলুপ্ত হৈ গৈ আছে। গতিকে UNESCO য়ে পৃথিৱীৰ ভাষাসমূহৰ সামগ্ৰিক স্থিতি, বিপন্ন হোৱাৰ কাৰণ, বিপদাপন্ন ভাষাৰ স্থিতি আৰু ইবোৰৰ পৰিকল্পনা তথা সংৰক্ষণ, সংবহণৰ ক্ষেত্ৰত ল'ব লগা উপায় সম্পৰ্কত বহুতো তত্ত্ব, আচঁনি আৰু তথ্য আগবঢ়াইছে। এই তত্ত্ব, আচঁনি আৰু তথ্যসমূহৰ ভিত্তিতেই বৰ্তমান লুপ্ত আৰু বিপদাপন্ন ভাষাবোৰৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ জৰীপৰ দ্বাৰা নথিপত্ৰ, প্ৰকল্প আদি প্ৰস্তুত কৰা হয়। সেয়ে, এই আলোচনা পত্ৰত বিপন্ন ভাষাৰ লক্ষণ আৰু তত্ত্বৰ আধাৰতেই অসমত থকা বিপদাপন্ন ভাষাবোৰৰ সাম্প্ৰতিক স্থিতি আৰু এই ক্ষেত্ৰত কৰিবলগীয়া পৰিকল্পনা সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰা হ'ব।

**১.২ অধ্যয়নৰ উদ্দেশ্য**

- বিপন্ন ভাষা সম্পৰ্কীয় এটি সামগ্ৰিক তাত্ত্বিক ধাৰণা আহৰণ কৰা।
- সাম্প্ৰতিক সময়ত অসমত প্ৰচলিত বিপদাপন্ন ভাষাবোৰৰ স্থিতি আৰু ভয়াৱহতাৰ বিষয়ে আলোচনা কৰা

**১.৩ অধ্যয়নৰ গুৰুত্ব**

- বৰ্তমান গোলকীকৰণৰ প্ৰভাৱত নৃ-গোষ্ঠীয় ভাষাবোৰলৈ বিপদ নামি আহিছে। গতিকে বিপন্ন গঢ়াইলে যোৱা অসমৰ ভাষাবোৰ চিনাক্তকৰণ, ইবোৰৰ সংৰক্ষণ, সংবৰ্ধন, প্ৰচাৰ আৰু সজাগতা গঢ়ি তোলাত এই আলোচনা পত্ৰখনৰ গুৰুত্ব আছে।

**১.৪ অধ্যয়নৰ পদ্ধতি**

- এই আলোচনা পত্ৰখনিত বৰ্ণনাত্মক পদ্ধতি আৰু পাৰিসাংখ্যিক পদ্ধতিৰ অধাৰত বিচাৰ-বিশ্লেষণ কৰা হৈছে।

**১.৫ অধ্যয়নৰ পৰিসৰ**

Majuli A MultiLingual MultiDisciplinary e-Magazine

অধ্যয়নৰ পৰিসৰত বিপন্ন ভাষা সম্পৰ্কে UNESCO এ আগবঢ়োৱা তাত্ত্বিক দিশসমূহৰ লগতে ইবোৰৰ অধাৰত অসমত প্ৰচলিত বিপদাপন্ন ভাষাবোৰৰ স্থিতি সম্পৰ্কে আৰু সংৰক্ষণত ল'ব লগা ভূমিকা সম্পৰ্কে আলোচনাত সামৰি লোৱা হৈছে।

**১.৬ তথ্য আহৰণৰ উৎস**

- এই আলোচনা পত্ৰৰ বাবে তথ্য আহৰণত মুখ্য আৰু গৌণ দুয়োটা উৎসৰ পৰা সমলবোৰ সংগ্ৰহ কৰা হৈছে।

**২.০ বিপন্ন ভাষা**

সাধাৰণ অৰ্থত বিপন্ন ভাষাৰ বুলিলে যিবোৰ ভাষা মৃত্যু সন্মুখত বা বিলুপ্তিৰ দুৱামুখত থকা ভাষাকেই বুজায়। য'ত ভাষিক সংখ্যা তেনেই কম, কেইজনমান লোকৰ মাজতহে ভাষাটোৰ দুই-চাৰিটা ৰূপ বৰ্তি আছেগৈ। বৰ্তমান পৃথিৱীৰ প্ৰায় সৰহ সংখ্যক ভাষাই হয়তো পৰৱৰ্তী শতিকাত অস্থিত্ব নাথাকিবগৈ। বিভিন্ন তথ্যভিত্তিত দেখা পোৱা গৈছে যে ২১০০ শতিকাত প্ৰায় ৩০০ ৰ পৰা ৬০০ ভাষাহে এই পৃথিৱীত স্থিতি থাকিবগৈ। কিয়নো ভাষা বিলুপ্তিকৰণৰ হাৰ এতিয়া জৈৱ-বৈচিত্ৰ্যতকৈ বেছি। পৰৱৰ্তী ৮০ বছৰত প্ৰায় ৮০ শতাংশ ভাষাই হেৰাই যোৱাৰ সম্ভাৱনা আছে, যিটো পৰিসংখ্যাৰ বিষয় এতিয়া আটাইতকৈ চিন্তনীয় হৈ পৰিছে। কাৰণ বিভিন্ন সংস্থা আৰু ভাষাবিজ্ঞানীসকলৰ মতে পৃথিৱীত প্ৰতিদিনে একোটাকৈ ভাষা বিলুপ্ত হৈ গৈ আছে।

সাম্প্ৰতিক পৃথিৱীত প্ৰচলিত হৈ থকা ভাষাৰ সংখ্যা প্ৰায় ৬০০০ মান। UNESCO ৰ *Atlas of the World's Languages in Danger*[1] ত উল্লেখ কৰাৰ অনুসৰি বিপন্ন ভাষাৰ সংখ্যা ২৪৯৮। ইয়াৰে ৫৩৮ টা ভাষা অতি বিপন্নজনক, ৫০২ টা ভাষা গুৰুত্বভাৱে বিপদাপন্ন, ৬০৭ টা অসুৰক্ষিত। ইয়াৰে ১৯৯ টা ভাষাৰ ভাষিক সংখ্যা ১০ জনতকৈও কম আৰু ১৭৮ টা ভাষাৰ ভাষিক লোক ১০ ৰ পৰা ৫০ জনৰ ভিতৰত। ডেভিড ক্ৰিষ্টলে তেখেতৰ *Language Death*[2] শীৰ্ষক গ্ৰন্থত তুলি ধৰা বিপদাপন্ন ভাষাৰ পৰিসংখ্যা অতি ভয়াৱহ তথা চিন্তনীয়

---

[1] *https://unesdoc.unesco.org/ark:/48223/pf0000187026*

[2] *David Crystal, Language Death, Cambridge University Press, 2002, p. 45.*

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

বুলিব পাৰি। তেওঁ প্ৰায় ৫০০ ভাষাৰ বক্তাৰ সংখ্যা ১০০ জনতকৈ কম, প্ৰায় ১৫০০ ভাষাৰ বক্তাৰ সংখ্যা ১০০০ তকৈ কম আৰু ৩৩৪০ টা ভাষাৰ বক্তা বা ভাষিক লোকৰ সংখ্যা ১০,০০০ বা ১০,০০০ ৰ তকৈ কম। তদুপৰি UNESCO ৰ *Atlas of the World's Languages in Danger*[3] ত প্ৰকাশিত তালিকাৰ মতে বিদাপন্ন ভাষাৰ সংখ্যা ভাৰততে আটাইতকৈ বেছি। আকৌ ভাৰতৰ ভিতৰত উত্তৰ-পূৰ্বাঞ্চললত ইয়াৰ সংখ্যা হাৰ সৰ্বাধিক। কিয়নো উত্তৰ-পূৰ্বাঞ্চললৰ আঠোখন ৰাজ্যত বিভিন্ন ক্ষুদ্ৰ ক্ষদ্ৰ নৃ-গোষ্ঠীসকলৰ বসতি আটাইতকৈ বেছি। আৰু তেওঁলোক নিজা ভাষা-সংস্কৃতিৰে সুকীয়া পৰিচয় বহন কৰি আছে।

### ২.১ ভাষা বিলুপ্ত কাৰণ

সাম্প্ৰতিক সময়ত ভাষাবোৰ বিপন্ন নাইবা বিলুপ্তি অৱস্থাৰ বাবে কোনো এটা নিৰ্দিষ্ট কাৰকলৈ আঙুলিয়াব নোৱাৰি। কাৰণ **সময়, ব্যৱহাৰকাৰী, উন্নয়ন বা প্ৰযুক্তিবিদ্যা, আগ্ৰহী, মনোযোগ, প্ৰাকৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, ভুল ভাষা নীতি, প্ৰব্ৰজন, ভাষিক আগ্ৰাসন, সাংস্কৃতিক সমন্বয়ণ** ইত্যাদি বিভিন্ন কাৰকৰ ফলতেই বিপন্ন ভাষা সৃষ্টি কৰাত বা ভাষা বিপন্ন পথলৈ গতি কৰাত সহায় কৰে।

### ২.২ বিপন্ন ভাষাৰ স্থিতিমাপ বা পৰিমাপন

UNESCO ৰ লগতে ভাষাবিজ্ঞানীসকলে ভাষাবোৰ বিপদাপন্ন বা সংকটাগ্ৰস্ত হয় নে নহয় নাইবা বিপদাপন্ন ভাষাৰ স্থিতি নিৰ্ণয় কৰাৰ সম্পৰ্কত কিছুমান লক্ষণৰ কথা উল্লেখ কৰিছে। *Language Vitality and Endangerment*[4]—এ নিৰ্ধাৰণ কৰাৰ কাৰকসমূহৰ ভিত্তিতেই ভাষাসমূহৰ স্থিতি কি পৰ্যায়ত আছে তাক পৰীক্ষা-নিৰীক্ষা কৰি সংকট বা বিপন্ন ভাষাবোৰক চিনাক্তকৰণ কৰা হয়। যেনে—

- প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভাষাটোৰ গতি বা প্ৰৱহমানতা।
- ভাষা কোৱা মুঠ ভাষিক সংখ্যা।
- ভাষাগোষ্ঠীটোৰ সৰ্বমুঠ জনসংখ্যাৰ তুলনাত ভাষাটো কোৱা বা জনা তথা ভাষিক সংখ্যাৰ হাৰ।
- বৰ্তমানৰ ভাষাৰ ক্ষেত্ৰ *(সামগ্ৰিক শক্তি, প্ৰকাশ-সক্ষমতা, বিস্তিতি)* সমূহৰ প্ৰৱণতা; ভাষাটো কোনে কয়, কেতিয়া, কাৰ লগত আৰু কি বিষয়ৰ ওপৰত আলোচনা কৰে।

[3] *https://unesdoc.unesco.org/ark:/48223/pf0000187026*
[4] *https://unesdoc.unesco.org/ark:/48223/pf0000183699*

Majuli: A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

- প্ৰচাৰ মাধ্যম আৰু নতুন পৰিৱেশত ভাষাটোৰ প্ৰতি সঁহাৰি; মূলতঃ ভাষাটোৱে আধুনিকতাৰ সৈতে কিমানখিনি মোকাবিলা কৰে সেই বিষয়ে জড়িত।
- ভাষাটোৰ জৰিয়তে শিক্ষাদান আৰু সাক্ষৰতাৰ বাবে যাৱতীয় সামগ্ৰী।
- ভাষাটোৰ সম্পৰ্কত চৰকাৰী ভাষা-নীতি।
- নিজৰ ভাষাৰ প্ৰতি গোষ্ঠীটোৰ বা সম্প্ৰদায়ৰ সদস্যসকলৰ মনোভাৱ।
- নথিপত্ৰৰ মুঠ পৰিমাণ আৰু মান বা গুণাগুণ।

## ২.৩ বিপদাপন্ন ভাষাৰ স্থিতিমাপ বা শ্ৰেণীবিভাজন

এইবোৰ কাৰকৰ ভিত্তিতেই *UNESCO*[5] ৰ তৰফৰ পৰা ভাষাবোৰৰ বিপন্ন বা সংকটৰ স্থিতি পৰিমাপ নিৰ্ণয় কৰিব বাবে ৬ টা স্তৰ বা শ্ৰেণীবিভাজনৰ মাপকাঠি প্ৰস্তুত কৰিছে। সেয়া হৈছে—

- **বিলুপ্ত (Extinct):** এজনো বক্তা বা স্পীকাৰ বাকী নাই।
- **অতি সংকটজনকভাৱে বিপন্ন (Critically endangered):** আটাইতকৈ কম বক্তা বা ভাষীসকল ককা-আইতা আৰু বয়সস্থ লোকসকল। আৰু তেওঁলোকে ভাষাটো আংশিকভাৱে আৰু কাদচিৎ কয়।
- **ভয়াৱহ বা গুৰুত্বভাৱে বিপন্ন (Severely endangered):** এই ভাষাটো ককা-আইতা আৰু বয়সস্থ প্ৰজন্মই কয়। অভিভাৱক প্ৰজন্মই বুজিব পাৰে যদিও ল'ৰা-ছোৱালীৰ আগত বা নিজৰ মাজতে কথা নকয়। অৰ্থাৎ নতুন প্ৰজন্মই ভাষাটো ব্যৱহাৰ নকৰে।
- **নিশ্চিতভাৱে বিপন্ন (Definitely endangered):** ল'ৰা-ছোৱালীয়ে এতিয়া ঘৰত মাতৃভাষা হিচাপে ভাষাটো শিকিব নোৱাৰে। অৰ্থাৎ শিকিব পৰাকৈ কোনো ব্যৱস্থা নাই।
- **দুৰ্বল (Vulnerable endangered ):** বেছিভাগ শিশুৱে ভাষাটো কয় কিন্তু ই কিছুমান বিশেষ ডমেইনত (যেনে- ঘৰত) সীমাবদ্ধ থাকিব পাৰে।
- **নিৰাপদ/ বিপন্ন নহয় (Seft/ not endangered):** সকলো প্ৰজন্মই ভাষাটো কয় আৰু আন্তঃপ্ৰজন্মৰ সংক্ৰমণ নিৰবচ্ছিন্নভাৱে চলি আছে। সকলো ক্ষেত্ৰত ভাষাটো প্ৰসাৰতা আছে। তলত তালিকাৰ সহায়ত দেখুওৱা হৈছে—

[5] *https://www.unesco.org/en*

Majuli A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| ক্র.নং. | বিপদাপন্ন ভাষাৰ স্থিতিমাপ বা শ্ৰেণীবিভাজন | ভাষাৰ স্থিতি |
|---|---|---|
| ১. | **বিলুপ্ত (Extinct):** | এজনো বক্তা বা স্পীকাৰ বাকী নাই। |
| ২. | **অতি সংকটজনকভাৱে বিপন্ন (Critically endangered):** | আটাইতকৈ কম বক্তা বা ভাষীসকল ককা-আইতা আৰু বয়সস্থ লোকসকল। আৰু তেওঁলোকে ভাষাটো আংশিকভাৱে আৰু কাদচিৎ কয়। |
| ৩. | **ভয়াৰহ বা গুৰুত্বভাৱে বিপন্ন (Severely endangered):** | এই ভাষাটো ককা-আইতা আৰু বয়সস্থ প্ৰজন্মই কয়। অভিভাৱক প্ৰজন্মই বুজিব পাৰে যদিও ল'ৰা-ছোৱালীৰ আগত বা নিজৰ মাজতে কথা নকয়। অৰ্থাৎ নতুন প্ৰজন্মই ভাষাটো ব্যৱহাৰ নকৰে। |
| ৪. | **নিশ্চিতভাৱে বিপন্ন (Definitely endangered):** | ল'ৰা-ছোৱালীয়ে এতিয়া ঘৰত মাতৃভাষা হিচাপে ভাষাটো শিকিব নোৱাৰে। অৰ্থাৎ শিকিব পৰাকৈ কোনো ব্যৱস্থা নাই। |
| ৫. | **দুৰ্বল (Vulnerable endangered ):** | বেছিভাগ শিশুৱে ভাষাটো কয় কিন্তু ই কিছুমান বিশেষ ডমেইনত *(যেনে-ঘৰত)* সীমাবদ্ধ থাকিব পাৰে। |
| ৬. | **নিৰাপদ/ বিপন্ন নহয় (Seft/ not endangered):** | সকলো প্ৰজন্মই ভাষাটো কয় আৰু আন্তঃপ্ৰজন্মৰ সংক্ৰমণ নিৰৱচ্ছিন্নভাৱে চলি আছে। সকলো ক্ষেত্ৰত ভাষাটো প্ৰসাৰতা আছে। |

## ৩.০ অসমৰ বিপদাপন্ন ভাষাৰ স্থিতি

অসমত প্ৰধানত ইন্দো-ইউৰোপীয়, চীন-তিব্বতীয়, টাই-ক্ৰাদাই, অষ্টিকমূলীয় ভাষা-পৰিয়ালৰ ভাষাসমূহহে প্ৰচলিত হৈ আছে। ইয়াৰে ভিতৰত বিশেষকৈ চীন-তিব্বতীয় আৰু টাই-ক্ৰাদাই ভাষা-পৰিয়ালৰ অৰ্ন্তগত ভাষাবোৰ প্ৰায় বিপদাপন্ন অৱস্থাত আছে। বিশেষকৈ টাই-আহোম, খাময়াং, টুৰুং, আইতন, ফাকে, খামতি, দেউৰী, চিংফৌ, ৰাভা, তিৱা, মিচিং আদিকে ধৰি প্ৰায়কেইটা ভাষা বিপদাপন্ন পথত বুলিব পাৰি। UNESCO[6] এ দাঙি ধৰা ভাৰতীয় বিপদাপন্ন ভাষাৰ তালিকাত অৰ্ন্তভুক্ত অসমৰ বিপদাপন্ন ভাষাবোৰ হৈছে—

[6] https://www.unesco.org/en.india

| ক্র. নং. | ভাষা | বিপদাপন্ন স্থিতি |
|---|---|---|
| ১ | আইতন | ভয়াৱহ বা গুৰুত্বভাৱে বিপদাপন্ন |
| ২ | খামায়াং | অতি সংকটজনকভাৱে বিপদাপন্ন |
| ৩ | টুৰুং | অতি সংকটজনকভাৱে বিপদাপন্ন |
| ৪ | ফাকে | ভয়াৱহ বা গুৰুত্বভাৱে বিপদাপন্ন |
| ৫ | খামতি | দুৰ্বল |
| ৬ | দেউৰী | নিশ্চিতভাৱে বিপদাপন্ন |
| ৭ | ডিমাচা | দুৰ্বল |
| ৮ | কছাৰী | নিশ্চিতভাৱে বিপদাপন্ন |
| ৯ | কাৰ্বি | দুৰ্বল |
| ১০ | কোঁচ | নিশ্চিতভাৱে বিপদাপন্ন |
| ১১ | লিম্বু | নিশ্চিতভাৱে বিপদাপন্ন |
| ১২ | মিচিং | নিশ্চিতভাৱে বিপদাপন্ন |
| ১৩ | ৰাভা | দুৰ্বল |

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| | | |
|---|---|---|
| ১৪ | চিংফৌ | নিশ্চিতভাৱে বিপদাপন্ন |
| ১৫ | তিৱা | নিশ্চিতভাৱে বিপদাপন্ন |

### ৩.১ অসমৰ বিপদাপন্ন ভাষাৰ লিপি, সাহিত্য, বাসস্থান আৰু জনসংখ্যা

অসমৰ বিপদাপন্ন ভাষাবোৰৰ কিছুমান ভাষাৰ নিজা লিপি আৰু মৌখিক, লিখিত সাহিত্য আছে। আৰু কিছুমান ভাষাৰ নিজা লিপি আৰু লিখিত সাহিত্য নাই কিন্তু মৌখিক সাহিত্যৰে পুষ্ট। এই ভাষাবোৰত বৰ্তমান ৰোমান লিপি গ্ৰহণ কৰি কম পৰিমাণে ভাষা-সাহিত্য চৰ্চা কৰাৰ দেখিবলৈ পোৱা গৈছে। নতুন প্ৰজন্মৰ মাজত নিজাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি আগ্ৰহ প্ৰায় কমি অহা দেখিবলৈ পোৱা গৈছে। তালিকাৰ সহায়ত এই ভাষাবোৰৰ লিপি, সাহিত্য, বসতি অঞ্চল আৰু জনসংখ্যা সম্পৰ্কে এটি ধাৰণা দাঙি ধৰা হৈছে—

| ক্ৰ. নং. | ভাষা | বিপদাপন্ন স্থিতি | লিপি | সাহিত্য | বাসস্থান | জনসংখ্যা(আ.) |
|---|---|---|---|---|---|---|
| ১ | আইতন | ভয়াবহ বা গুৰুত্বভাৱে বিপদাপন্ন | নিজা টাই লিপি আছে | মৌখিক, লিখিত | গোলাঘাট, কাৰ্বি-আংলং | ১৭০০ |
| ২ | খামায়াং | অতি সংকটজনকভাৱে বিপদাপন্ন | নিজা টাই লিপি আছে | মৌখিক, লিখিত | শিৱসাগৰ, তিনিচুকীয়া, গোলাঘাট, যোৰহাট | ১২০০ |
| ৩ | টুৰুং | অতি সংকটজনকভাৱে বিপদাপন্ন | নিজা টাই লিপি আছে | মৌখিক, লিখিত | যোৰহাট | ১৫০০ |
| ৪ | ফাকে | ভয়াবহ বা গুৰুত্বভাৱে বিপদাপন্ন | নিজা টাই লিপি আছে | মৌখিক, লিখিত | ডিব্ৰুগড়, তিনিচুকীয়া | ২৫০০ |
| ৫ | খামতি | দুৰ্বল | নিজা টাই লিপি আছে | মৌখিক, লিখিত | লক্ষীমপুৰ | ৭৫০ |
| ৬ | দেউৰী | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | লক্ষীমপুৰ, ধেমাজী, মাজুলী, যোৰহাট | ২০৩৫২ |
| ৭ | ডিমাচা | দুৰ্বল | নিজা লিপি নাই | মৌখিক | ডিমা-হাচাও | ২৬২৪১৩ |
| ৮ | কছাৰী | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | লক্ষীমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, গোলাঘাট | ২০০০০০ |
| ৯ | কাৰ্বি | দুৰ্বল | নিজা লিপি নাই | মৌখিক | কাৰ্বি-আংলং | ৫১১৭৩২ |

Majuli: A MultiLingual Multi

| | | | | | | |
|---|---|---|---|---|---|---|
| ১০ | কোঁচ | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | উজনি অসম | ১২৫৫০ |
| ১১ | লিম্বু | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | লক্ষীমপুৰ, ডিব্রুগড়, তিনিচুকীয়া, যোৰহাট | - |
| ১২ | মিচিং | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | লক্ষীমপুৰ, ডিব্রুগড়, তিনিচুকীয়া, যোৰহাট, ধেমাজী | ৬৮০৪২৪ |
| ১৩ | ৰাভা | দুৰ্বল | নিজা লিপি নাই | মৌখিক | নামনি অসম | ২৯৬১৮৯ |
| ১৪ | চিংফৌ | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি আছে | মৌখিক, লিখিত | তিনিচুকীয়া | ৩০০০ |
| ১৫ | তিৱা | নিশ্চিতভাৱে বিপদাপন্ন | নিজা লিপি নাই | মৌখিক | মধ্য অসম | ৩৭১০০০ |

### ৩.২ অসমৰ বিপদাপন্ন ভাষাৰ EGIDS Level

**লুইছ আৰু ছিমনছ (২০১০) দ্বাৰা বিকশিত** *এক্সপাণ্ডেড গ্ৰেডেড ইন্টাৰজেনেৰেচনেল ডিছপ্ৰপচন স্কেল (EGIDS)*[7] **-এ ভাষাৰ বিপদ বা বিকাশৰ অৱস্থা ক্ষেত্ৰত জুখিব পাৰি।** এই ক্ষেত্ৰত তেওঁলোকে শূণ্য (০)ৰ পৰা দহ (১০)ৰ লৈকে প্ৰায় ১৩ টা স্তৰত ভাগ কৰিছে আৰু ভিন্ন ভাষাবোৰৰ অৱস্থানৰ স্তৰ নিৰ্ণয়ত বিভিন্ন ৰঙেৰে চিনাক্তকৰণ কৰি তুলিছে। তাৰ ভিতৰত প্ৰধানত—

- **বেঙুনীয়া= শৈক্ষিক অনুষ্ঠানত প্ৰচলিত। (EGIDS 4)**— যোগাযোগৰ বাহিৰেও শৈক্ষিক কাৰ্যত ব্যৱহাৰ হোৱা ভাষা।
- **নীলা= উন্নয়ন সাধন হোৱা ভাষা। (EGIDS 5)**— যিবোৰ ভাষাৰ ব্যৱহাৰ হৈ আছে আৰু যাৰ এক উন্নত সাহিত্য আছে। কিন্তু যিবিলাক ভাষা শৈক্ষিক কাৰ্যত ব্যৱহাৰ হোৱা নাই।
- **সেউজীয়া= জাগৃত। (EGIDS 6a)**— যিবিলাক ভাষা সকলো মানুহে বুজি পাই আৰু ব্যৱহাৰ কৰে কিন্তু শৈক্ষিক কাৰ্যত ব্যৱহাৰ হোৱা নাই।
- **হালধীয়া= সংকটাপন্ন। (EGIDS 6b-7)**— যিবোৰ ভাষাপ ব্যৱহাৰ কমি আহিছে, কিন্তু যিবোৰ ভাষা শক্তিশালী পদক্ষেপৰ দ্বাৰা সংৰক্ষণ কৰিব পৰা যায়, সেইবোৰ ভাষাক এই শ্ৰেণীত ধৰা হয়।

[7] *http://www.ethnologue.com/about/language-status*

ISSN:3049-0812
**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

- **ৰঙা= বিপন্নপায়। (EGIDS 8a-9)**— যিবোৰ ভাষা ব্যৱহাৰকাৰী সংখ্যা কমি আহিছে, যিবোৰ ভাষাক প্ৰাকৃতিক উপায়েৰে সংৰক্ষণ কৰাতকৈ এটা কৃত্ৰিম উপায়ৰ অধিক প্ৰয়োজন তেনে ভাষাসমূহ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।
- **ক'লা= বিপন্ন। (EGIDS 10)**— যিবোৰ ভাষা ব্যৱহাৰ নোহোৱা হ'ল আৰু জনগোষ্ঠীত পৰিচয় দিবলৈ কোনেও ভাষাটোৰ প্ৰয়োজনবোধ নকৰা হ'ল তেনে ভাষাক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে।

সিপিঠিত অসমৰ বিপদাপন্ন ভাষাবোৰৰ বৰ্তমান ***EGIDS Level***[8] ৰ অৱস্থানত দেখুওৱা হৈছে—

(১) আইতন ভাষা




(২) খাময়াং ভাষা




(৩) টুৰুং ভাষা




(৪) ফাকে ভাষা




8 *http://www.ethnologue.com/about/language-status*

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

(৫) খামায়ং ভাষা




(৬) দেউৰী ভাষা




(৭) ডিমাচা ভাষা




(৮) কছাৰী ভাষা




(৯) কাৰ্বি ভাষা




(১০) কোঁচ ভাষা



ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

(১১) লিম্বু ভাষা




(১২) মিচিং ভাষা




(১৩) ৰাভা ভাষা




(১৪) চিংফৌ ভাষা




(১৫) তিৱা ভাষা



### ৪.০ অসমৰ বিপদাপন্ন ভাষাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা বা ভূমিকা

ভাষা-পৰিকল্পনাত মূলত **অঙ্গ-পৰিকল্পনা** (গাঁথনিক) (corpus planning) আৰু **মৰ্যাদাগত পৰিকল্পনা** (মান্যকৰণ) (status planning) এই দুটা বিজ্ঞানসন্মত দিশৰ মাজেৰে আগবঢ়া হয়। কিন্তুৰ বৰ্তমান সময়ৰ প্ৰত্যাহ্বানলৈ চাই অসমৰ বিপদাপন্ন ভাষাবোৰৰ সংৰক্ষণ, সংবৰ্দ্ধন, প্ৰচাৰ-প্ৰসাৰতাৰ ক্ষেত্ৰত সততে বা জৰুৰীভাৱে গ্ৰহণ কৰিবলগীয়া ভূমিকাবোৰ হৈছে—

- ভাষিক গোষ্ঠীৰ মাজত নিজৰ ভাষাৰ প্ৰতি সজাগ-সচেতনতা গঢ়ি তোলা।
- বিপদাপন্ন ভাষাবোৰৰ পৰা বিভিন্ন মাধ্যমৰ সহায়ত শব্দ উদ্ধাৰ কৰা।
- শব্দ লিপ্যন্তকৰণ।
- লিপি আৰু আখৰজোঁটনি উদ্ধাৰ আৰু প্ৰস্তুত কৰা।
- নতুন নতুন প্ৰয়োজনীয় পৰিভাষা প্ৰস্তুত কৰা।
- মৌখিক সাহিত্যক লিখিত ৰূপ প্ৰদান কৰা।
- শব্দকোষ, অভিধান আৰু ব্যাকৰণ প্ৰণয়ণ কৰা।
- সাহিত্য চৰ্চা আৰু অনুবাদ কৰা।
- আদিপাঠ বা কুঁহিপাঠ প্ৰস্তুত কৰা।
- ভাষা শিকণ-শিক্ষণ তথা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- চৰকাৰী ভষা-নীতি গ্ৰহণৰ বাবে ব্যৱস্থা গঢ়ি তোলা।
- পুথিভঁৰাল বা লাইব্ৰেৰী ব্যৱস্থা।
- নব্য মাধ্যমত বা সামাজিক মাধ্যমত অন্তৰ্ভুক্তিকৰণ।

### ৫.০ উপসংহাৰ

বৰ্তমান বিভিন্ন কাৰণত অসমত প্ৰচিলত হৈ থকা সৰু সৰু নৃ-গোষ্ঠীয় ভাষাবোৰৰ বিপন্ন পথলৈ গতি কৰিছে। আৰু এই ভয়াৰহতাৰ কথা UNESCO আৰু বিভিন্ন সচেতন ভাষাবিজ্ঞানী মহলে উল্লেখ কৰি আহিছে।

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

গতিকে সময় থাকোতেই এই ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষাবোৰৰ সংৰক্ষণ আৰু সজাগতাৰ কথা চিন্তা নকৰিলে হয়তো খুব সোনকালেই কালৰ বুকুৰ পৰা এদিন হেৰাই যাব। কাৰণ ভাষা হেৰাই গ'লে একোটা জাতিৰ অস্তিত্ব ক'ত থাকিব। সেয়ে এটা ভাষা আৰু মানৱ জাতিৰ জীয়াই ৰাখিবলৈ আমি সকলোৱে চিন্তা আৰু চেষ্টা কৰা উচিত। যদিও এই ভাষাবোৰৰ সংৰক্ষণৰ ক্ষেত্ৰত বহুতো সমস্যা আমাৰ সন্মুখত আহি পৰিছে। তথাপিও এই সমস্যাবোৰ আওঁকাণ কৰি সহজ পদ্ধতিৰ মাজেৰে প্ৰাথমিক পৰ্যায়ত আমি এঢাপ এঢাপকৈ আগবাঢ়িব লাগিব। যাৰ সহায়ত এই ভাষাবোৰ অস্তিত্বৰ সংকট বা বিপন্নৰ পৰা কিছু পৰিমাণে লাঘৱ হ'ব, লগতে নৃ-গোষ্ঠীবোৰে নিজাৰ পৰিচয় বহন কৰি থাকিব।

..................

**সহায়ক গ্ৰন্থপঞ্জী**


- মহন্ত চৌধুৰী, সুবাসনা আৰু বৰা, জয়ন্তকুমাৰ (স.). *ভাষা-সাহিত্য অধ্যয়নৰ বিবিধ দিশ.* ডিব্ৰুগড়ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়, প্ৰথম প্ৰকাশ, ২০১৪.
- Crystal, David . *Language Death,* Cambridge University Press, 2002.
- Shphamy, *Elana. Language Policy: Hidden agender and new approaches.* 1971.
- Sallabank, Julia. *Language Endangerment: Problems and Solutions*, eSharp, Communicating Change: Representing Self and Community in a Technological World, Special Issue, pp. 50-87, 2010.
- UNESCO Ad Hoc Expert Group on Endangered Languages, *Language Vitality and Endangerment*, Document Submitted to the *International Expert Meeting on UNESCO Programme Safeguarding of Endangered Languages*, Paris, 10-12 March, 2003.


**ৱেবছাইট লিংক**


- *https://www.ethnologue.com/*
- *http://www.ethnologue.com/about/language-status*
- *https://www.unesco.org/en.india*
- *https://unesdoc.unesco.org/ark:/48223/pf0000187026*
- *https://www Atlas of the World's Languages in Danger. Com*

তথ্যদাতাৰ ঠিকনা

- Deuti Shyam, 72, Golaghat.
- Rita Shyam, 49, Golaghat.
- SamSeng Baun, 70, Karbi-ang-long.
- Tebom Namchoom, 73, Lakhimpur.
- Podum Manche, 50, Lakhimpur.
- Nang Manpoong, 21, Lakhimpu

::::::

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812

**MAJULI:** *A Multi-Lingual Multi-Disciplinary e-Magazine*

Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in

Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি

**Dr. Bimal Basumatary**

Designation : Assistant Professor, Department of Assamese, Bihpuria College, Lakhimpur, Assam, India, e-Mail ID: bimalbasumatary.lkh@gmail.com

**Abstract:**

*Modern Bodo poetry represents a significant evolution in the literary tradition of the Bodo community, one of Northeast India's indigenous groups. Rooted in rich oral traditions of folk songs, ritual chants, and nature-centric verses, contemporary Bodo poetry has transitioned into a dynamic medium of cultural expression and socio-political commentary. This paper examines the historical trajectory and defining characteristics of modern Bodo poetry, analyzing how it negotiates between tradition and modernity.*

*Historically, Bodo poetry was deeply connected to agrarian life, animistic beliefs, and community rituals. The colonial encounter and subsequent Christian missionary activities in the 19th century introduced written forms of the Bodo language, laying the foundation for literary development. The 20th century witnessed a renaissance with the establishment of the Bodo Sahitya Sabha (1952), which standardized the language and promoted literary production. The late 20th century saw poetry become intertwined with the Bodo identity movement, as poets articulated demands for autonomy and linguistic recognition.*

*Thematically, modern Bodo poetry reflects a shift from folklore to contemporary concerns, including ethnic identity, ecological degradation, urbanization, and gender dynamics. Stylistically, it has moved beyond traditional metrics to embrace free verse, experimental forms, and multilingual influences, incorporating Assamese, Hindi, and English elements. Feminist voices have also emerged, challenging patriarchal norms and exploring women's agency.*

*Despite its vibrancy, modern Bodo poetry faces challenges, including limited institutional support and a lack of translations. However, its adaptability ensures its continued relevance, offering a unique lens into the Bodo community's cultural resilience and evolving identity. This study highlights the need for greater academic engagement with Bodo literature to amplify its presence in India's multilingual literary landscape.*

**Keywords**: Bodo poetry, Northeast Indian literature, ethnic identity, linguistic revival, modernism

Majuli A MultiLingual MultiDisciplinary e-Magazine

## ০.০ অৱতৰণিকাঃ

### ০.১ বিষয়ৰ পৰিচয়ঃ

স্বৰাজোত্তৰ কালৰ পৰা বড়ো সাহিত্যত আধুনিক যুগৰ সূচনা হয় । ১৯৫২ চনৰ ১৬ নৱেম্বৰত জন্ম লাভ কৰা ‘বড়ো থুনলাই আফাদ’ (বড়ো সাহিত্য সভা)ই বড়ো সমাজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উন্নতিৰ বাবে গ্ৰহণ কৰা সুদূৰ প্ৰসাৰী লক্ষ্য আৰু উদ্দেশ্যই বড়ো সাহিত্যৰ পূৰ্বৰ গতিবিধিৰ পৰিৱৰ্তন সাধন কৰে। সৰ্বতো প্ৰকাৰে বড়ো জাতিৰ উন্নতিৰ হকে গঢ় লোৱা এই মঞ্চই বড়ো সাহিত্যক নতুন দিক্দৰ্শন কৰে। তদুপৰি ভাৰতবৰ্ষৰ উত্তৰ-স্বাধীনতা কালৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ ফলত সাহিত্যিকসকলৰ চিন্তা-চেতনা আৰু দৃষ্টিভংগীৰ সলনি হয়। ফলস্বৰূপে আধুনিক মনন আৰু চিন্তাৰ পৰশত নতুন পৰিকল্পনাৰে তদানীন্তন সময়ৰ বড়ো সাহিত্যিকসকল জাগ্ৰত হয়। সেয়ে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী কালৰেপৰা বড়ো সাহিত্যত আধুনিক ভাৱধাৰাৰ আগমন ঘটে বুলি ক’ব পাৰি। বিংশ শতিকাৰ ত্ৰিশৰ দশকৰপৰা আলোচনীক কেন্দ্ৰ কৰি সাহিত্য ৰচনা কৰা লেখকসকলেও লাহে লাহে ৰোমাণ্টিক ভাৱধাৰাক পৰিত্যাগ কৰি আধুনিক ভাৱধাৰাৰ প্ৰতি আগ্ৰহী হৈ পৰে তথা লেখাৰ লক্ষ্য, আৰ্হি, আদৰ্শ সলনি হ’বলৈ ধৰে। কবিসকলে পাৰ্যমানে পৰম্পৰাবাদী ছন্দসজ্জা এৰি সেই সময়ৰ আধুনিক অসমীয়া বা বাংলা কবিতাৰ ছন্দসজ্জাৰ প্ৰেৰণাত নতুন কবিতা লিখিবলৈ ধৰিলে। কালক্ৰমত নতুন দৃষ্টিভংগী আৰু নতুন আংগিকেৰে বড়ো কবিতাই পূৰ্বৰ ৰোমাণ্টিকতাক পৰিহাৰ কৰি আধুনিক ৰূপ গ্ৰহণ কৰে। অৱশ্যে এই নতুন ধ্যান-ধাৰণাৰ সমান্তৰালভাৱে এচাম কবিয়ে প্ৰায় আশীৰ দশকলৈকে পূৰ্বৰ ৰোমাণ্টিক চেতনাৰেই কবিতা ৰচনা কৰি গৈছিল। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ স্বৰূপ বা প্ৰকৃতিত ৰোমাণ্টিক চেতনা আৰু আধুনিক চেতনা- এই দুয়োটা ধাৰাৰ কবিতা দেখিবলৈ পোৱা যায়।

বড়ো সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাসত আধুনিক যুগৰ বড়ো কবিতাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। বিংশ শতিকাৰ ত্ৰিশৰ দশকত ৰোমাণ্টিক ভাৱধাৰাৰে প্ৰকাশ লাভ কৰা বড়ো কবিতাই ষাঠিৰ দশকত নতুন ভাৱধাৰা আৰু নতুন দৃষ্টিভংগীৰে বিকশিত আধুনিক কবিতা হিচাপে সমৃদ্ধ হোৱাৰ অন্তৰালত বিভিন্ন সাহিত্যিক চেতনা, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক পৰিঘটনা আদিৰ প্ৰভাৱ জড়িত হৈ আছে। এনেধৰণৰ পৰিঘটনাৰ লগতে দেশী আৰু বিদেশী সাহিত্যৰ আধুনিক কবিতাৰ সংস্পৰ্শ বা প্ৰভাৱে আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি গঢ় লোৱাত ইন্ধন যোগাই আহিছে।

কাল অনুসৰি গঢ় লোৱা সামাজিক-বৌদ্ধিক পটভূমিয়ে সাহিত্যৰ গতি-প্ৰকৃতিত প্ৰভাৱ পেলায়। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ আলোচনাৰ প্ৰসংগত এনেবোৰ দিশৰ আলোচনাৰ প্ৰাসংগিতা অস্বীকাৰ কৰিব নোৱাৰি। বৰ্তমানলৈকে প্ৰকাশ পোৱা বড়ো সাহিত্যৰ বুৰঞ্জী, কবিতাৰ সমালোচনাত্মক গ্ৰন্থ, প্ৰবন্ধ আদিত আধুনিক যুগৰ বড়ো কবিতাৰ বিষয়ে আলোচনা হৈছে যদিও উল্লিখিত দিশসমূহ সামৰি পদ্ধতিগতভাৱে আলোচনা কৰা দৃষ্টিগোচৰ হোৱা নাই। গতিকে এই আলোচনাত আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি বিষয়টিৰ আলোকপাত কৰিবলৈ বিচৰা হৈছে।

### ০.২ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

Majuli A Multilingual Multidisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আধুনিক যুগৰ বড়ো কবিতাৰ ক্রমবিকাশৰ বিষয়ে বৰ্তমানলৈকে প্ৰকাশ লাভ কৰা বড়ো সাহিত্যৰ বুৰঞ্জীসমূহত ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰে অধ্যয়ন কৰা হৈছে যদিও আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি আৰু প্ৰকৃতিৰ সন্দৰ্ভত স্পষ্টৰূপত আলোচনা হোৱা নাই। বৰ্তমানলৈকে প্ৰকাশ লাভ কৰা বড়ো সাহিত্যৰ বুৰঞ্জীকেইখন হ'ল- মধুৰাম বড়োৰ জাৰিমিনি নৌজাঁৰাও বৰ' থুনলাই (১৯৮৮), মন'ৰঞ্জন লাহাৰীৰ বৰ' থুনলাইনি জাৰিমিন (১৯৯১) আৰু অনিল কুমাৰ বড়োৰ A History of Bodo Literature (২০১০)। উল্লিখিত বুৰঞ্জীকেইখনে আধুনিক যুগৰ বড়ো কবিতাৰ ক্রমবিকাশৰ এক সমীক্ষা দাঙি ধৰিছে আৰু আধুনিক যুগৰ বড়ো কবিতাৰ লক্ষণ, বৈশিষ্ট্যৰ সন্দৰ্ভত কিছুমান দিশ আলোকপাত কৰিছে।

অনিলকুমাৰ ব্ৰহ্মাই সম্পাদনা কৰা বৰ' থুলনাই বিজিৰনায় (২০১১) গ্ৰন্থখনৰ তৃতীয় অধ্যয়াত বড়ো কবিতাৰ আলোচনাৰ শিতানত অনিল কুমাৰ বড়ো, ধৰণীধৰ ওৱাৰী আৰু গ্ৰন্থখনৰ সম্পাদকে আধুনিক বড়ো কবিতাৰ বিষয়ে আলোচনা কৰিছে। অনিল কুমাৰ ব্ৰহ্মই 'গীদান থুনলাইঃ গীদান খন্থাই' (নতুন সাহিত্যঃ নতুন কবিতা) নামৰ প্ৰবন্ধটিৰ জৰিয়তে বড়ো সাহিত্যলৈ নতুন চেতনাৰ আগমনৰ ফলত কি দৰে পূৰ্বৰ কবিতাৰ ৰেহৰূপ সলনি হৈ নতুন কবিতাৰ এটা ধাৰা প্ৰবাহিত হ'ল সেয়া আলোচনা কৰিছে। সেইদৰে ধৰণীধৰ ওৱাৰীয়ে 'আথিখাল বৰ' খন্থাইনি বিথুন' (আধুনিক বড়ো কবিতাৰ প্ৰকৃতি) প্ৰবন্ধটিৰ মাজেৰে আধুনিক বড়ো কবিতাৰ এক সমীক্ষা দাঙি ধৰিছে।

বড়ো সাহিত্য সভাৰ পাব্লিকেছন ব'ৰ্ডে সম্পাদনা কৰা গ্ৰন্থ ৰায়থাই বিহুং- নৈথি খাঁগুৱ (২০০৭)ত আধুনিক বড়ো কবিতাৰ বিষয়ে বিজয় বাগলাৰী আৰু উথ্ৰিছাৰ খুংগুৰ বসুমতাৰীয়ে আলোচনা আগবঢ়াইছে। তেখেতসকলে 'গীদান বৰ' খন্থাই' (নতুন বড়ো কবিতা) আৰু 'গীদান বৰ' খন্থাইনি দাহাৰ' (নতুন বড়ো কবিতাৰ ধাৰা) শীৰ্ষক প্ৰবন্ধ দুটাৰ মাজেৰে ক্ৰমে আধুনিক বড়ো কবিতাৰ ক্রমবিকাশৰ এক সমীক্ষা দাঙি ধৰিছে।

এনেধৰণৰ আলোচনাসমূহৰ মাজেৰে আধুনিক যুগৰ বড়ো কবিতাৰ বিষয়ে আলোকপাত কৰা হৈছে যদিও বড়ো কবিতাৰ ক্রমবিকাশৰ লগত জড়িত হৈ থকা পৰিৱৰ্তিত ভাৱধাৰাৰ আৰম্ভণি আৰু অৱসানৰ নিৰ্দেশনা আদি দিশসমূহ স্পষ্টৰূপত দাঙি ধৰিবলৈ সক্ষম হোৱা নাই। আধুনিক যুগৰ বড়ো কবিতাৰ ক্রমবিকাশৰ লগত সংপৃক্ত হৈ থকা যুগ চেতনাসমূহ আৰু ইয়াৰ সমৃদ্ধিত জড়িত হৈ থকা অসমীয়া, বাংলা আৰু পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ আদি দিশসমূহ পদ্ধতিগতভাৱে বিচাৰ বিশ্লেষণ কৰিলেহে সামগ্ৰিকভাৱে আধুনিক যুগৰ বড়ো কবিতাৰ স্বৰূপ স্পষ্ট হ'ব।

০.৩ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্যঃ

- আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমি বিচাৰ কৰা।
- আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰকৃতি নিৰ্ণয় কৰি কালক্ৰমত হোৱা পৰিৱৰ্তনসমূহ আলোচনা কৰা।
- আধুনিক কবিতাৰ লক্ষ্যণ-বৈশিষ্ট্যৰ আধাৰত আধুনিক বড়ো কবিতাৰ আৰম্ভণিৰ সময়ৰ পৰা বৰ্তমানলৈকে হোৱ ক্রমবিকাশৰ এক সমীক্ষা আগবঢ়োৱা।
- আধুনিক যুগৰ বড়ো কবিতাৰ সামগ্ৰিক স্বৰূপ নিৰ্ণয় কৰা।

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

০.৪ **অধ্যয়নৰ পদ্ধতিঃ**

আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি শীৰ্ষক বিষয়টিৰ আলোচনাৰ বাবে মূলতঃ ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। আধুনিক যুগৰ বড়ো কবিতাৰ পৃষ্ঠভূমি নিৰ্মাণত বিশেষভাৱে প্ৰভাৱ পেলোৱা সামাজিক-বৌদ্ধিক পটভূমিৰ বিচাৰ কৰিবলৈ যাওঁতে ঐতিহাসিক আৰু সমীক্ষাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। আধুনিক বড়ো কবিতাৰ উত্তৰণত অসমীয়া, বাংলা আৰু পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শ তথা প্ৰভাৱৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে তুলনামূলক পদ্ধতিৰ সহায় লোৱ হৈছে।

০.৫ **অধ্যয়নৰ পৰিসৰঃ**

**আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি** শীৰ্ষক বিষয়টিৰ নিৰ্দ্ধাৰিত লক্ষ্য-উদ্দেশ্যসমূহ পোহৰলৈ আনিবৰ বাবে আধুনিক যুগৰ বড়ো কবিতাই ১৯৫২ চনৰ পৰৱৰ্তী কালত নতুন ভাৱধাৰাৰে বিকশিত হোৱা সময়ৰপৰা একবিংশ শতিকাৰ প্ৰথম দশকলৈকে ধৰা দিয়া গতি-বিধিসমূহ সামৰি লোৱা হ'ব। আলোচনা পত্ৰৰ পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি বড়ো কবিতাৰ প্ৰকৃতি আৰু স্বৰূপ নিৰ্ণয়ৰ প্ৰসংগত আধুনিক যুগৰ আটাইকেইজন বড়ো কবিৰ কবিতাৰ বিষয়ে আলোচনা নকৰি কেৱল কেইজনমান কবিৰ কবিতাৰ আৰ্হিৰে এই আলোচনা আগবঢ়োৱা হ'ব।

১.০ **আধুনিক যুগৰ বড়ো কবিতাৰ পটভূমিঃ**

বড়ো সাহিত্যৰ প্ৰতিষ্ঠা কালৰ লেখকসকলে বিংশ শতিকাৰ চতুৰ্থ দশকলৈকে সাহিত্যিক প্ৰচেষ্টা পূৰ্ণোদ্যমে চলায়। সেয়ে বিবাৰ (১৯২৪), অলংবাৰ (১৯৩৮) আদি আলোচনীৰ যোগেদি নতুনকৈ জন্ম লাভ কৰা বড়ো সাহিত্যই প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। বিবাৰ, অলংবাৰ আলোচনীৰ যোগেদি বড়ো সাহিত্যত ৰোমাণ্টিক কবিতাৰ পৰ্দাপন ঘটে। সেয়ে বড়ো সাহিত্যত প্ৰতিষ্ঠাৰ কাল (১৯২০-১৯৫১)ত আধুনিকতাৰ বীজ অংকুৰিত হয় বুলি ক'ব পাৰি। এইছোৱা সময়ৰ প্ৰায়খিনি কবিতাই ধৰ্মীয় আদৰ্শ, ভক্তিমূলক আছিল যদিও সেই চেতনাই মানৱীয় অনুভূতিত অলৌকিকৰ পৰা লৌকিকলৈ পৰিৱৰ্তিত হ'বলৈ ধৰে। কিন্তু চতুৰ্থ দশকত ভাৰতৰ ৰাজনৈতিক পৰিস্থিতি, অৰ্থনৈতিক সংকট আদিয়ে বড়ো সাহিত্যৰ বিকাশত স্থবিৰতা আনি দিছিল। নতুনকৈ ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাৰ মাজেৰে জাতীয় চেতনাৰ আলোড়ন আনিবলৈ প্ৰচেষ্টা চলোৱা বড়োসকলৰ বাবে ই এক ডাঙৰ প্ৰত্যাহ্বান আছিল। এনে পৰিস্থিতিৰ মাজেৰেই বড়ো লেখকসকলে সাহিত্য ৰচনাৰ এটা ক্ষীণ সুঁতি বোৱাই ৰাখিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত হোৱা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱৰ্তন আৰু বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত সম্প্ৰসাৰণে মানুহৰ দৃষ্টিভংগীৰ সলনি কৰিবলৈ ধৰিলে। সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰত দেখা দিয়া সমস্যা আৰু পৰিৱৰ্তনৰ ধাৰাই সাহিত্যিকসকলক প্ৰভাৱিত কৰিবলৈ ধৰে। ফলত সাহিত্যিকৰ দৃষ্টিভংগী আৰু সাহিত্যৰ বিষয়, ৰূপ আৰু আংগিকৰ ভালেখিনি পৰিৱৰ্তন সাধন হয়। বড়ো লেখকসকলেও এনে পৰিৱেশৰ মাজত থাকি নতুন দৃষ্টিভংগীৰে জাতীয়তাৰ ভেঁটি প্ৰতিষ্ঠা কৰিব বাবে আগবাঢ়ি আহে। জীৱনৰ মূল্যবোধ আৰু ব্যক্তিৰ মৰ্যাদাই লেখকসকলৰ মনলৈ এক নতুন জাতীয়

Majuli: A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আত্ম-প্রতিষ্ঠাৰ প্ৰেৰণা আনি দিছিল। এনেধৰণৰ প্ৰেৰণাৰেই সেই সময়ৰ লেখকসকলে গোটেই বড়ো সমাজখনক আধুনিকতাৰ ভেঁটিত গঢ়ি তুলিবলৈ বিচাৰিছিল।

বিংশ শতিকাৰ মাজভাগলৈকে বড়োসকলৰ মাজত স্বকীয় ভাষাৰ মাধ্যমত কোনো আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা নথকাৰ বাবে শক্তিশালী ৰূপত বড়ো সাহিত্যৰ এক জাগৰণ অনাটো অতি দুৰূহ কাম আছিল। তদানীন্তন সময়ত অসমীয়া, ইংৰাজী আৰু বাংলা মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰা বড়োসকলৰ শিক্ষিতৰ হাৰ আছিল তেনেই সীমিত। অন্য ভাষাৰ মাধ্যমেৰে শিক্ষা গ্ৰহণ কৰি স্বকীয় ভাষা-সাহিত্যৰ স্বীকৃতিৰ বাবে কাম কৰা আৰু প্ৰতিষ্ঠা কৰাটো সহজ নাছিল। এনে প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ মাজতে বড়োসকলে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সমৃদ্ধিৰে স্বজাতিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অগ্ৰসৰ হৈ ১৯৫২ চনৰ ১৬ নৱেম্বৰত ‘বড়ো থুনলাই আফাদ’ (বড়ো সাহিত্য সভা)ৰ জন্ম দিয়ে। এই সভাৰ উদ্যোগতে ১৯৬৩ চনত বড়ো ভাষাক শিক্ষাৰ মাধ্যম ৰূপে পঢ়াশালিত প্ৰয়োগ কৰা হয়। কালক্ৰমত বড়ো সাহিত্য সভাৰ উদ্যোগত ১৯৭৬ চনত দেৱনাগৰী লিপিক বড়ো ভাষাৰ লিপি হিচাপে গ্ৰহণ কৰা হয়। পৰৱৰ্তী সময়ত বড়ো সাহিত্য সভা, বি. এল. টি., কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ আলোচনাৰ জৰিয়তে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বড়ো ভাষাই ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তি আৰু ভাৰতীয় ভাষাৰ মৰ্যাদা লাভ কৰে।[১] ইয়াৰ উপৰিও অসমৰ বড়ো জনজাতীয় লোকসকলে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পূৰ্বৰে পৰা সুকীয়া ৰাজনৈতিক অধিকাৰ বিচাৰি চলাই অহা আন্দোলনেও আধুনিক যুগৰ বড়ো সাহিত্যত প্ৰভাৱ পেলাবলৈ ধৰে। বিশেষকৈ সত্তৰ-আশীৰ দশকত অসমৰ বড়ো জনজাতীয় লোকসকলে গণতান্ত্ৰিক আৰু অহিংস আন্দোলনৰ মাজেৰি বিচাৰি অহা ৰাজনৈতিক অধকাৰসমূহৰ প্ৰতি শাসকীয় পক্ষই যথোচিত সঁহাৰি নিদিয়াৰ বাবে একাংশ বড়ো জনজাতীয় নেতাই সহস্ৰ সংগ্ৰামৰ মাজেৰে জাতীয় অধিকাৰ সাব্যস্ত কৰিবলৈ অগ্ৰসৰ হয়। ফলত বড়োসকলৰ স্বাধীকাৰ আন্দোলনৰ ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ’বলৈ ধৰে। এহাতে গণতান্ত্ৰিক আন্দোলনৰ প্ৰতি একাংশৰ আস্থা আৰু আনহাতে সহস্ৰ সংগ্ৰামৰ জৰিয়তে অধিকাৰ সাব্যস্ত কৰিবলৈ অগ্ৰসৰ হোৱা, এই দুই ধৰণৰ ৰাজনৈতিক পৰিস্থিতিয়ে বড়ো সমাজৰ পৰিৱৰ্তনত বিশেষভাৱে প্ৰভাৱ পেলায়। পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ এনে চাপ সত্তৰ-আশীৰ দশকৰ পৰৱৰ্তী কালৰ বড়ো সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়। গতিকে আধুনিক যুগৰ বড়ো কবিতাই সত্তৰ-আশীৰ দশকৰ পৰৱৰ্তী সময়ত পৰিৱৰ্তিত সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ কবিতাৰ মাজেৰে প্ৰকাশ কৰিবলৈ ধৰে। এইছোৱা সময়ৰ পৰাই আধুনিক যুগৰ বড়ো কবিতাই বাস্তৱতাৰ দৃষ্টিভংগীৰে অগ্ৰসৰ হ’বলৈ লয়।

আধুনিক যুগৰ বড়ো কবিতাত আধুনিক ভাৱধাৰাৰ বিকাশৰ ক্ষেত্ৰত অসমীয়া সাহিত্য, প্ৰবাসী বাংলা আৰু পাশ্চাত্য (ইংৰাজী) সাহিত্যৰ সংস্পৰ্শই বিশেষভাৱে প্ৰভাৱ পেলাই আহিছে। আধুনিক যুগৰ বড়ো কবিতা ৰোমাণ্টিক চেতনা আৰু আধুনিক চেতনাৰে সমৃদ্ধ। আধুনিক যুগৰ বড়ো কবিতাত এই দুইধৰণৰ চেতনা প্ৰকাশ পোৱাৰ কাৰণ হ’ল, সেই সময়ৰ শিক্ষিত লোকসকলে এফালে ৱৰ্ডছৱৰ্থ, শ্যেলী, কীটচ, টেনিচন আদি ইংৰাজ কবিসকলৰ ৰচনা আৰু আনফালে এলিয়ট, হিউম, বোদডলেয়াৰ আদিৰ ৰচনাৰ সৈতে পৰিচিত হৈছিল। তাৰে প্ৰভাৱত এচাম বড়ো কবিয়ে মানৱমুখী, ব্যক্তিমুখী ৰোমাণ্টিক মানসিকতাৰে কবিতা ৰচনা কৰিছিল আৰু এচামে ৰোমাণ্টিক মানসিকতাৰপৰা আঁতৰি আহি ইউৰোপীয় প্ৰতীকী বা চিত্ৰকল্পবাদী কবিতাৰ আৰ্হিত নতুন কবিতাৰ পাতনি মেলে। এনেদৰেই সেই সময়ৰ আলোচনী ‘অখাফীৰ’ (১৯৫২) আৰু

Majuli A MultiLingual MultiDisciplinary e-Magazine

বড়ো সাহিত্য সভাৰ মুখপত্ৰ ‘বডো’ক কেন্দ্ৰ কৰি বড়ো কবিসকলে সমাজ সচেতনতা জাগ্ৰত কৰাৰ তাগিদাৰে কবিতা লিখিবলৈ আৰম্ভ কৰে।

একে ভৌগোলিক পৰিসীমা, সামাজিক পৰিৱেশৰ আদিৰ মাজত বৃহত্তৰ অসমীয়া জতিৰ অংশ  বড়োসকলক অসমীয়া সাহিত্যই যে প্ৰভাৱ পেলোৱা নাছিল এনে নহয়। প্ৰবাসী বাংলা সাহিত্য আৰু পাশ্চাত্য সাহিত্যৰ সংস্পৰ্শৰে সমৃদ্ধ হোৱা অসমীয়া সাহিত্যৰ লগত বড়ো লেখকসকলৰ সম্বন্ধ অতি ওচৰ চপা। বড়োসকলে প্ৰথমাৱস্থাত অসমীয়া মাধ্যমেৰে শিক্ষা গ্ৰহণ আৰু অসমীয়া লিপিৰেই নিজৰ ভাষা-সাহিত্যক চহকী কৰিবলৈ লোৱা প্ৰয়াসেই সেই কথা প্ৰতিপন্ন কৰে। গতিকে অসমীয়া ৰোমাণ্টিক কবিসকলৰ কবিতা আৰু আধুনিক কবিসকলৰ কবিতাইয়ো আধুনিক বড়ো কবিতাৰ ক্ৰমবিকাশত প্ৰভাৱ পেলায়। বড়োসকলৰ মাজত জাতীয় চেতনাৰ জাগ্ৰতৰ বাবে চিন্তা কৰা শিক্ষিত লোকসকলক অসমীয়া সাহিত্যৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, অম্বিকাগিৰি ৰায় চৌধুৰী, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, পাৰ্বতিপ্ৰসাদ বৰুৱা, প্ৰসন্নলাল চৌধুৰী আদিৰ কবিতাই প্ৰভাৱ পেলাইছিল বুলি ক’ব পাৰি। তদুপৰি আধুনিক অসমীয়া কবিসকলৰ কবিতাৰ নতুন আংগিক আৰু বিষয়বস্তুৰ বাস্তৱসন্মত উপস্থাপন শৈলী আদিয়েও আধুনিক যুগৰ বড়ো কবিসকলক আকৃষ্ট কৰিছিল। সেয়ে অসমীয়া সাহিত্যৰ আধুনিক কবিতাৰ স্বৰূপৰ লগত সাঙুৰখাই থকা নতুন সাহিত্যৰ তত্ব, মাৰ্ক্সবাদ, ফ্ৰয়েদীয় মনস্তত্ত্ব, দ্বন্দ্বাত্মক ভৌতিকতাবাদৰ প্ৰভাৱ আদি দিশসমূহে বড়ো লেখকসকলক অনুপ্ৰাণিত কৰিছিল। সামগ্ৰিকভাৱে ক’বলৈ গ’লে অসমীয়া, বাংলা আৰু ইংৰাজী সাহিত্যৰপৰা পোৱা জ্ঞান আৰু অভিজ্ঞতাই বড়ো লেখকসকলৰ মনত আধুনিক জীৱনদৃষ্টিৰ উদয় কৰে। ফলস্বৰূপে বড়ো লেখকসকলৰ মনত আধুনিক অনুভৱ আৰু মননত আত্ম-চেতনাৰ মাত্ৰা বৃদ্ধি পয়। এনেধৰণৰ সামাজিক-বৌদ্ধিক পটভূমিত বড়ো সাহিত্যৰ আধুনিক যুগটোত বড়ো কবিতাই সমৃদ্ধি লাভ কৰে।

**২.০ আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰকৃতিঃ**

বড়ো সাহিত্যৰ আধুনিক যুগ (১৯৫২) সূচনা হোৱাৰে পৰা বৰ্তমানলৈকে ৰচনা হোৱা বড়ো কবিতাসমূহ দুটা ধাৰাৰে বিকশিত হোৱা দেখা যায়। সেয়া হৈছে আধুনিক বড়ো কবিতাৰ প্ৰাৰম্ভিক স্তৰৰ ৰোমাণ্টিক ভাৱধাৰাৰ কবিতা আৰু আধুনিক বড়ো কবিতাৰ দ্বিতীয় স্তৰৰ ৰমন্যাস বিৰোধী অধুনিক ভাৱ ধাৰাৰ কবিতা। কালক্ৰমত এই দুয়োটা ধাৰাৰ বড়ো কবিতাই বিস্তৃতি লাভ কৰে যদিও আশীৰ পৰৱৰ্তী দশকত ৰোমণ্টিক ভাৱধাৰাৰ কবিতাই ৰমন্যাস বিৰোধী আধুনিক কবিতাৰ সামগ্ৰিক লক্ষণৰ দিশলৈ গতি কৰিব আৰম্ভ কৰে। সেয়ে আধুনিক যুগৰ বড়ো কবিতাৰ গতি-প্ৰকৃতিক দুটা স্তৰত বিভক্ত কৰি আলোচনা কৰিব পাৰি। আধুনিক যুগৰ বড়ো কবিতাৰ এই স্তৰ দুটাৰ বিষয়ে তলত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ’ল–

**২.১ অধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰঃ** (১৯৫২-১৯৭০)

বিংশ শতিকাৰ তৃতীয়-চতুৰ্থ দশকত প্ৰকাশ পোৱা আলোচনী- বিবাৰ (১৯২৪), অলংবাৰ (১৯৩৮), হাথৰ্খিহালা (১৯৪২) সমূহে বড়ো কবিতাত যি ৰোমাণ্টিকতাৰ ভাৱাধাৰ বোৱাই আনিছিল সেই ভাৱধাৰাই আধুনিক বড়ো কবিতাৰ দুৱাৰ মুকলি কৰিছিল বুলি ক’ব পাৰি। ৰোমাণ্টিক চেতনাৰে আধুনিকতাৰ যাত্ৰা আৰম্ভ কৰা বড়ো কবিতাৰ এই প্ৰবাহিত ধাৰা

ISSN:3049-0812
**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

পঞ্চাশৰ দশকত পোনচাটেই নাইকিয়া হৈ গৈছিল এনে নহয়; এই ধাৰা প্ৰায় আশীৰ দহকলৈকে প্ৰৱাহিত হৈ আছিল। ১৯৫২ চনত জন্ম লাভ কৰা 'বড়ো সাহিত্য সভা'ই নতুন উদ্যমেৰে সাহিত্য ৰচনা কৰাৰ পৰিৱেশ গঢ় দিছিল। বড়ো সাহিত্য সভাৰ মুখপত্ৰ 'বডো' প্ৰকাশ হোৱাৰ ফলত কবি তথা লেখকসকলে নিজৰ নিজৰ ৰচনা প্ৰকাশ কৰিবলৈ উপযুক্ত মাধ্যম বিচাৰি পালে। বড়ো সাহিত্য সভাৰ উদ্যোগত প্ৰতি বছৰে নিয়মীয়াকৈ প্ৰকাশ লাভ কৰা 'বডো' মুখপত্ৰখনে চল্লিছৰ দশকৰপৰা প্ৰায় স্তিমিত হ'বলৈ ধৰা সাহিত্যৰ প্ৰবাহটোক সজীৱ কৰি তোলে। এই মুখপত্ৰৰ যোগেদিয়ে নতুন চিন্তাধাৰে বড়ো কবিসকলে কবিতা লিখিবলৈ আৰম্ভ কৰে। সমালোচক ফুকন চন্দ্ৰ বসুমতাৰী মতে-

১৯৫২ চনৰ পিছৰে পৰা লেখাৰ লক্ষ্য,আৰ্হি সলনি হ'বলৈ ধৰিলে। কবিসকলে পাৰ্যমানে ছন্দবদ্ধ ছন্দসজ্জা এৰি সেই সময়ৰ আধুনিক অসমীয়া বা বংলা কবিতাৰ ছন্দসজ্জাৰ প্ৰেৰণাত আধুনিক কবিতা লিখিবলৈ ধৰিলে। বড়ো কবিতাত ছন্দসজ্জাৰ পৰম্পৰা লাহে লাহে পৰিৱৰ্তন হোৱা দেখা গ'ল। কবিসকলে মুক্তক ছন্দত কবিতা লিখিবলৈ ল'লে। সেই সময় হ'ল বড়ো আধুনিক কবিতাৰ জাগৰণৰ সময়।[২]

মন কৰিবলগীয়া যে বড়ো সাহিত্য সভাই প্ৰকাশ কৰা মুখপত্ৰ 'বডো'ৰ সমসাময়িকভাৱে ১৯৫২ চনত ৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰীৰ সম্পাদনত অখাফীৰ (১৯৫২) নামে এখন আলোচনী প্ৰকাশ হৈছিল। এই আলোচনী খনৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা প্ৰসেনজিৎ ব্ৰহ্মৰ 'আং থৈয়া' (মই নমৰো) আৰু দ্বিতীয় সংখ্যাত প্ৰকাশ পোৱা সমৰ ব্ৰহ্মচৌধুৰীৰ 'চিজৌ গেৰেমচা' (অমৰ সিজু) নামৰ কবিতা দুটাৰ নতুন উপস্থাপন ৰীতিয়ে পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। 'অখাফীৰ' আৰু 'বডো' (১৯৫২)ৰ যোগেদি সূচনা হোৱা সাহিত্য ৰচনাৰ পৰিৱেশে পূৰ্বৰ বড়ো কবিতাৰ ৰহস্যবাদী চিন্তাধাৰা, স্বদেশপ্ৰেম, আধ্যাত্মিক ভাৱধাৰা আদিক একেবাৰে নসাৎ কৰি দিয়া নাছিল। বৰঞ্চ আধুনিকবাদী ধ্যান-ধাৰণা আৰু ৰোমাণ্টিক ধ্যান-ধাৰণাৰে আধুনিক যুগৰ বড়ো কবিতাক সমৃদ্ধ কৰি এক নতুন কবিতাৰ ধাৰা সূচনা কৰিছিল।

আধুনিক যুগত ৰোমাণ্টিক চেতনাৰে কবিতা লিখা নতুন কবিসকলৰ কাব্য চেতনাৰ মাজত গতানুগতিক নিয়ম-শৃংখলাৰপৰা মুক্তিৰ প্ৰয়াস, নতুন দিনৰ সুস্থ সমাজ গঢ়াৰ সপোন, নিঃস্ব আৰু সামান্যৰ প্ৰতি আকৰ্ষণ আদি দিশ সমূহৰো প্ৰতিফলন ঘটা দেখা যায়। পঞ্চাশৰ দশকৰপৰা প্ৰায় আশীৰ দশকলৈকে এচাম বড়ো কবিয়ে এনেধৰণৰ ৰোমাণ্টিক চেতনাৰেই কাব্য ৰচনা কৰি বড়ো সাহিত্যক সমৃদ্ধ কৰি গৈছে। এইচোৱা সময়তে আন এচাম বড়ো কবিয়ে আকৌ ৰোমাণ্টিক বিৰোধী আধুনিক কবিতাৰ আদৰ্শৰে কবিতা লিখিবলৈ আৰম্ভ কৰে । য'ত সমাজ ব্যৱস্থাৰ প্ৰকৃত স্বৰূপ, বৈপ্লৱীক চিন্তা, মাৰ্ক্সীয় চিন্তাৰ বহিঃপ্ৰকাশ হ'বলৈ ধৰে।

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰত এনেধৰণৰ দুটা পৃথক পৃথক ভাৱধাৰাৰ কবিতা সমাগম দেখিবলৈ পোৱা যায় যদিও কবি আৰু কবিতাৰ ৰচনাৰ সময়সীমাৰে বড়ো কবিতাৰ ধাৰা পৃথকে পৃথকে আলোচনা কৰিবলৈ যাওঁতে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আধুনিক যুগৰ প্ৰথম স্তৰৰ বড়ো কবিসকলৰ ভিতৰত — প্ৰসেনজিৎ ব্ৰহ্ম (১৯২৯-১৯৯২), সমৰ ব্ৰহ্মচৌধুৰী (১৯৩২-১৯৯১), চৰণ নাৰ্জাৰী (১৯৩৩-), জগদীশ ব্ৰহ্ম (১৯৩৫-২০১১), মন'ৰঞ্জন লাহাৰী (১৯৩৯-২০০৮), শচীন্দ্ৰ বসুমতাৰী (১৯৪৫-২০০২), ধৰণীধৰ ওৱাৰী (১৯৪৮-) আদিৰ নাম উল্লেখ কৰিব পাৰি। উল্লিখিত কবিসকলে প্ৰায়

Majuli A MultiLingual MultiDisciplinary e-Magazine

দুয়োটা ধাৰাতে কাব্য চৰ্চা কৰা দেখা যায়। সেয়ে এই কবিসকলৰ কবিতাত পূৰ্বৰ বিবাৰ, অলংবাৰৰ ৰোমাণ্টিক ধ্যান-ধাৰণাৰ কবিতা আৰু ইয়াৰ বিপৰীতে বাস্তৱবাদী সমাজচেতনা আৰু প্ৰগতিশীল আধুনিক দৃষ্টিভংগীৰ কবিতা প্ৰায় সমান্তাৰলভাৱে সমৃদ্ধ হৈ অহা দেখিবলৈ পোৱা যায়। গতিকে অনিল কুমাৰ বড়োৱে আধুনিক যুগৰ প্ৰথম স্তৰৰ এই কবিসকলৰ কাব্য চেতনাত ৰোমাণ্টিকতা আৰু ৰোমাণ্টিক চেতনা বিৰোধী আধুনিক ভাৱধাৰাৰ সংমিশ্ৰণ ঘটা দেখা যায় বুলি উল্লেখ কৰিছে।[৪] এইখিনিতে উনুকিয়াব  পাৰি যে, 'চিজৌ গেৰেমচা' নামৰ কবিতাৰ জৰিয়তে আধুনিক বড়ো কবিতাৰ দুৱাৰ মুকলি কৰা কবি সমৰ ব্ৰহ্মচৌধুৰীৰ কবিতাপুথি *বাদাব* (বাতৰি) প্ৰকাশ পায় ১৯৫৮ চনত। উক্ত কবিতা পুথিখনত প্ৰকাশ পোৱা কবিতাসমূহৰ সৰহসংখ্যকেই আছিল ৰোমাণ্টিকধৰ্মী। সেয়ে বড়োসাহিত্যৰ সমালোচকসকলে সমৰ ব্ৰহ্ম চৌধুৰীক ৰোমাণ্টিক কবিৰ শাৰীতহে ৰাখিব বিচাৰে।[৫]  সমৰ ব্ৰহ্মচৌধুৰীয়ে লিখা 'মহা বুদ্ধনি তপস্যা' (মহা বুদ্ধৰ তপস্যা), দাউস্ৰি গীবা নাগেৰদং আং' (তৰাপুঞ্জ বিচাৰিছো মই) আৰু প্ৰসেনজিৎ ব্ৰহ্মৰ 'অৰণ নীং আংখৌ গীবাদী' (অৰণ্য তুমি মোক আকোৱালি লোৱা), আং থৈয়া (মই নমৰো) ইত্যাদি কবিতাৰ সাহিত্যিক আৰু সামাজিক মূল্য নুই কৰিব নোৱাৰি। প্ৰসেনজিৎ ব্ৰহ্মৰ সমসাময়িক সমৰ ব্ৰহ্মচৌধুৰীৰ কবিতা থিম (Theme)ৰ ফালৰ পৰা প্ৰেমমূলক যদিও আধুনিক ৰোমাণ্টিক কবিতাৰ স্বাক্ষৰ বহন কৰিব পাৰিছে। 'মহা বুদ্ধনি তপস্যা' কবিতাত বুদ্ধক প্ৰজ্ঞাৰ প্ৰতীক ৰূপে প্ৰয়োগ কৰিছে। ৰোমাণ্টিক প্ৰেমৰ পৰা অদ্ভুত অসহনীয় বেদনাৰ অনুভূতি এই কবিতাটিত আছে। উক্ত কবিতাটিৰ দুশাৰীমান অনূদিত ৰূপ তলত উল্লেখ কৰা হ'ল-

স'নাশ্ৰী, ছাই বৰণীয়া ধূসৰ ৰাতি

খঙাল বাঘৰ দৰে চকুত অগনি জ্বলাই

মহাবুদ্ধৰ দৰে তপস্যাত মগ্ন মই

মহাবুদ্ধৰ তপস্যা...

হায় ভগৱান, ৰাতিপুৱাবলৈ আৰু কিমান বাকী?

হৃদয়ত খৰিকটীয়াৰ পঁজাত প্ৰজ্বলিত

গভীৰ অৰণ্যৰ একুৰা জুই

তথাপিও মই যেন সোঁতবিহীন বিলৰ জলধাৰ

অলৰ-অচৰ নিজম-নিতাল।

(অনুবাদঃ ফুকন চন্দ্ৰ বসুমতাৰী)

সমৰ ব্ৰহ্ম চৌধুৰীৰ দৰে মনোৰঞ্জন লাহাৰীয়েও সমসাময়িক ৰোমাণ্টিক কবিতা নিৰ্মাণ কৰিছিল আৰু বিশেষকৈ তেওঁৰ কবিতাত প্ৰকৃতি প্ৰেমৰ বৰ্ণনাই কবিতাৰ বিষয়সাৰৰূপে গৃহীত হৈছিল। তেওঁৰ কবিতাই প্ৰকৃতিক জীৱন্ত ৰূপত

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

উপস্থাপন কৰিব পাৰিছিল। 'মিথিংগা' (প্ৰকৃতি), 'হে ফৈছালি' (হে দিগন্ত) ইত্যাদি কবিতাবোৰ বড়ো ৰোমাণ্টিক কবিতাৰ নিদৰ্শন স্বৰূপ। এই দুয়োটা কবিতাত লাহাৰীয়ে প্ৰকৃতিক চিৰযুগমীয়া আৰু প্ৰেৰণাৰ উৎসৰূপে অংকিত কৰি মানৱ জীৱনৰ ক্ষণভংগুৰতাৰ কথা ঘোষণা কৰিছে। প্ৰকৃতিৰ সেউজ-সজীৱতাই হ'ল কবিৰ বাবে চিৰ শান্তিৰ সংগম স্থল। 'মিথিংগা' কবিতৰ জৰিয়তে সেই কথা প্ৰকাশ কৰিছে এনেদৰে–

মই এটোপাল পানী, জীৱন মোৰ দুদিনীয়া

তুমি চিৰযুগমীয়া

মই এতিয়াহে আহিছো, এতিয়াই যাম

হে প্ৰকৃতি মোৰ এটি মাথো প্ৰাৰ্থনা–

মোৰ মৃত্যু হ'লে তোমাৰ শীতল বুকুত

যেন দিয়া এধানি ঠাই

[অনুবাদক - ফুকন চন্দ্ৰ বসুমতাৰী]

গুণগত আৰু কাব্যিক সৌন্দৰ্যৰ দিশৰপৰা বড়ো ৰোমাণ্টিক কবিতাৰ ক্ষেত্ৰত এই দুয়োগৰাকী কবিয়েই ষাঠি-সত্তৰৰ দশকৰ বড়ো সাহিত্যৰ ইতিহাসত অগ্ৰণী ভূমিকা লৈছিল বুলি কোৱা হয়।প্ত লাহাৰীয়ে যে কেৱল ৰোমাণ্টি কবিতাকে লিখিছিল তেনে নহয়, সমসাময়িক সমাজৰ সমস্যা, সংঘাত, ঘটনা ইত্যাদি বাস্তৱ দিশৰ ওপৰত নিৰ্ভৰ কৰিও প্ৰতীকধৰ্মী বহুতো আধুনিক কবিতা ৰচনা কৰিছিল। তেখেতে আশীৰ দশকত ৰচনা কৰা সুখপাঠ্য আধুনিক কবিতাৰ ভিতৰত 'খিৰখিয়া খেং, আং খন্থায় লিৰনি' (খুলি দিয়া খিৰিকি মই কবিতা লিখিম) 'আং ফছিল জাবায়' (মই ফছিল হ'লো) 'গাংচে গম্লা' (এটা চোলা) 'দাবি চানঃ জোতানি' (দাবীৰ দিনঃ জোতাৰ) ইত্যাদি কবিতাৰ নিৰ্মাণে তদানীন্তন সময়ৰ আধুনিক বড়ো কবিতাৰ ক্ষেত্ৰখন বহল কৰাত অৰিহণা যোগাইছে। লাহাৰীৰ 'দাবি চানঃ জোতানি' (দাবীৰ দিনঃ জোতাৰ) কবিতাত জোতাক শোষিত আৰু নিষ্পেষিত জনতাৰ প্ৰতীকাত্মক অৰ্থত প্ৰয়োগ কৰিব বিচাৰিছে। এই কবিতাটিৰ জৰিয়তে কবিয়ে শোষিত জনতা যে এদিন হ'লেও বিপ্লৱৰ দৰে পন্থাও গ্ৰহণ কৰিব পাৰে আৰু নিজৰ স্বাধীনতা সাব্যস্ত কৰিবলৈ ওলাই আহিব পাৰে তাৰেই ইংগিত বহন কৰিছে। এনেদৰে–

আজি দাবীৰ দিন- জোতাৰ

ডিমাণ্ড দে জোতাৰ।

চহৰৰ মাজমজিয়াত হঠাৎ আজি গণ্ডগোল

Majuli: A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

চহৰবাসীসকল নিমাত-নিতাল।

[অনুবাদক - ফুকন চন্দ্ৰ বসুমতাৰী]

আধুনিক বড়ো কবিতাৰ প্ৰথম স্তৰৰ কবিসকলৰ ভিতৰত লেখত ল'বলগীয়া এগৰাকী কবি হ'ল- ধৰণীধৰ ওৱাৰী। তেখেতে ৰোমাণ্টিক আৰু বাস্তৱবাদী দুয়োটা দৃষ্টিভংগীৰে কবিতা ৰচনা কৰিছিল। তেখেতৰ মৌদৈ ১৯৭১(চকুলো) এই স্তৰৰ শেষৰখন কবিতা পুথি বুলি ক'ব পাৰি। মৌদৈ কবিতা পুথিখনত সন্নিৱিষ্ট হোৱা কবিতাসমূহ পূৰ্বৰ বড়ো কবিতাৰ ছন্দৰীতিৰে লিখা যদিও তাৰ ভাৱ ভংগীসমূহ আধুনিক কবিতাৰ ওচৰ চপা। আধুনিক কাব্য কৌশলৰ ইঙ্গিত বহন কৰা ধৰণীধৰ ওৱাৰীৰ কবিতাত আধুনিক জীৱনদৃষ্টিৰ নিবিড় প্ৰকাশ ঘটিছে। তেখেতৰ 'আং বাৰহুংখা' (মই ধুমুহা) কবিতাটিত তাৰ প্ৰকাশ ঘটিছে এনেদৰে--

সোণ বুকুৰ মাজত

জ্বলি উঠিছে দাও দাও কৈ একুৰা জুই

চকুৰ চকুপানীৰে

ঢাকিছে বাট জেনিয়ে চাওঁ মাথো অন্ধকাৰ

পাৰিবানে মোহাৰিব

এই চকুলো অনাগত দিনত? (ভাৱানুবাদ)

১৯৫২ চনৰ পৰা ১৯৭০ লৈকে ৰচনা হোৱা বড়ো কবিতা ঐতিহাসিক আৰু কলাত্মক উভয় দিশৰে পৰা বিশেষভাৱে লেখত ল'বলগীয়া। এইছোৱা সময়তে বড়ো কবিতাই ৰমন্যাসধৰ্মী আত্মিক চেতনা আৰু বস্তুবাদী সমাজ চেতনাৰ সন্মিলনৰ বাট বুলিছিল। এইচোৱা সময়ৰ কবিতাৰ গাতে ভেঁজা দি আধুনিক বড়ো কবিতাৰ শব্দসম্ভাৰ, লয়, ধ্বনি, ব্যঞ্জনা আদিৰে সমৃদ্ধ হৈছিল বুলি ক'ব পাৰি।

**২.২ আধুনিক যুগৰ বড়ো কবিতাৰ দ্বিতীয় স্তৰঃ** (১৯৭১-বৰ্তমানলৈ)

বড়ো কবিতাৰ অধুনিক প্ৰবাহ ১৯৫২ত প্ৰকাশ পোৱা 'বডো' আৰু 'অখাফীৰ' আলোচনীৰ প্ৰকাশৰ সময়ৰে পৰা পূৰ্বতকৈও অধিক সমৃদ্ধ হ'বলৈ ধৰে। ইয়াৰ পিছৰ পৰাই আধুনিক বড়ো কবিসকলে পুৰণি কাব্যৰীতিৰ পৰা আঁতৰি আহি নতুন দৃষ্টিভংগী, বিষয়বস্তু, শব্দচয়ন, ৰচনাৰীতি, ছন্দ প্ৰয়োগ, ন ন উপমা, চিত্ৰকল্পৰ প্ৰয়োগ আদিৰে কাব্য ৰচনা কৰিবলৈ আগবাঢ়ি আহে। ১৯৫২ চনৰ পিছৰ পৰাই এচাম বড়ো কবিয়ে ৰোমাণ্টিক-বিৰোধী কাব্যধাৰাৰ সূচনা কৰে আৰু এই ধাৰাই

Majuli A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আশীৰ দশকত আধুনিক বড়ো কবিতাৰ দ্বিতীয় অধ্যায়ৰ মুকলি কৰিছিল। এই আলোচনাত উল্লিখিত অধ্যায়টোকে আধুনিক বড়ো কবিতাৰ দ্বিতীয় স্তৰ হিচাপে আলোচনা কৰা হৈছে।

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰত আত্মপ্ৰকাশ কৰা কবিসকলৰ কাব্যপ্ৰকাশ আশীৰ দশকৰ মাজভাগৰ পৰা তুঙ্গত উঠে বুলি ক'ব পাৰি। ৰমন্যাসিক লক্ষণ(শব্দসম্ভাৰ)ৰ ভালেখিনি গ্ৰহণ কৰিও এইচোৰা সময়তে ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মই বড়ো সাহিত্যৰ আধুনিক কবিতাত ৰমন্যাসিক উদ্দীপনাময় আত্মসন্তোষৰ পুৰণি ব্যঞ্জনা মচি পেলালে। সময়ৰ প্ৰবাহত জীৱন আৰু জীৱিকাৰ সংঘাত, উদ্যম-অনুদ্যম, জগত আৰু চেতনাৰ দ্বন্দ্বক আধুনিক ভাষাৰে তেওঁ কবিতাত ফুটাই তুলিবলৈ লয়। কাব্য-বিষয়, কথনত আধুনিক আৰু কল্পনাৰ প্ৰত্যয়সূচক নিয়ন্ত্ৰণ আদিয়ে তেওঁৰ কবিতাক বৌদ্ধিক চিন্তাৰ কচৰৎ থলীলৈ ৰূপান্তৰ কৰে। তেওঁৰ কবিতাত হেমবৰুৱা, নৱকান্ত বৰুৱা, ৰবীন্দ্ৰনাথ ঠাকুৰ, এলিয়ট আদি কবিসকলৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। আধুনিক যুগৰ বড়ো কবিতাৰ এই যাত্ৰাত অধুনিক অসমীয়া কবিসকলৰ কবিতাই যে প্ৰভাৱ পেলাইছিল সেই সম্পৰ্কে সমালোচক অনিল কুমাৰ ব্ৰহ্মই উল্লেখ কৰিছে এনেদৰে–

আধুনিক অসমীয়া কবিতাৰ ভেটি গঢ় দিছিল অমূল্য বৰুৱা, হেম বৰুৱা, ভবানন্দ দত্ত, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা আদি কবিসকলে। এই কবিসকলৰ কবিতাই বড়ো কবি তথা পঢ়ুৱৈসকলৰ মনত প্ৰভাৱ পেলাইছিল। [৬]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ অখ্ৰাং গাংচে নাংগৌ (১৯৭৫) নামৰ কবিতা পুথিখন প্ৰকাশ হোৱাৰ পাছত আধুনিক বড়ো কবিতাৰ নতুন দুৱাৰ মুকলি হয়। ন ন প্ৰতীকৰ ব্যৱহাৰে কবিতাৰ বিষয়বস্তুৰ মাত্ৰা গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। তেখেতৰ লেখত লব'লগীয়া আন দুখন কবিতাপুথি হ'ল- সানমীখাঙাৰি বিবাৰ জানানৈ (সূৰ্যমুখী ফুল হৈ, ১৯৯৫) আৰু আং ফৈফিনগীন (মই পুণৰ আহিম, ১৯৯৫)। এই কবিতা পুথি কেইখনৰ মাজেৰে ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মই অধুনিক বড়ো কবিতাক এক নতুন মাত্ৰা প্ৰদান কৰে। ফুকন চন্দ্ৰ বসুমতাৰী মতে–

কোৱা হয় বজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ একান্ত প্ৰচেষ্টাত বড়ো কবিতাৰ আধুনিক ৰূপসজ্জা গ্ৰহণযোগ্য আৰু প্ৰসাৰ লাভ কৰে। সমসাময়িক সমাজৰ পৰিৱেশ, ঘটনাৱলী, সংকট-সংঘাট, ব্যক্তিগত জীৱনৰ নানা ভাৱ-অনুভূতি সকলোবোৰেই কবিতাৰ অনুষংগ হৈ পৰিল। জ্ঞান-বিজ্ঞান, লোকগাথা সকলোবোৰেই যেন আধুনিক কবিতাত নকৈ জীৱন্ত হ'বলৈ উপক্ৰম হ'ল। সেইসমূহৰপৰা কবিয়ে প্ৰতীকাত্মক শব্দ বুটলি আনিলে। চিত্ৰকল্পও ৰচনা কৰিলে। ফলত বড়ো কবিতাত প্ৰতীক আৰু চিত্ৰকল্প সৰৰ হৈ উঠিল।[৭]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ প্ৰথমখন সংকলনৰ কবিতাতে বিশ্বমানৱ মুক্তিৰ এক দৰদী কণ্ঠ প্ৰতিধ্বনিত হোৱা দেখা যায়। তেখেতৰ 'অখ্ৰাং গংছে নাংগৌ' (এখনি আকাশ লাগে) কবিতাটিত এই চেতনা প্ৰকাশ পাইছে আতি সুদৃঢ়ভাৱে।--

গা ধুই নিকা হ'বলৈ যোৱা মানুহবোৰ

ৰৈ আছে বিপাঙৰ দাঁতিত থিয় হৈ

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

প্ৰতি নিয়ত স্বাধীনতা পিয়াসী

হিয়াৰ শুভ্ৰ কপৌজাক

ইনাই-বিনাই উৰিলেও

সজাৰ এটা পৰিধিকে

পাৰ হ'বলৈ সুযোগ পোৱা নাই এতিয়াও

সেইবাবে আমাক লাগে এখনি নীলিম আকাশ।

[অখ্ৰাং গংছে নাংগৌ, অনুবাদকঃ ফুকন চন্দ্ৰ বসুমতাৰী]

ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ সমসাময়িক আন এজন লেখত ল'বলগীয়া কবি হ'ল ৰামদাস বড়ো (১৯৩৬)। তেখেতৰ কবিতা পুথি দুখন হ'ল- 'ফৈফিন' (উলতি আহা, ১৯৭৬) আৰু 'বিষ্ণু ৰাভা দাবী উৰুলাঙাখৈ' (বিষ্ণু ৰাভা এতিয়াও টোপনি যোৱা নাই, ১৯৯৯)। ৰামদাস বড়োৰ কবিতাৰ মাজত এহাতে অতীন্দ্ৰিয়বাদ আৰু আনহাতে প্ৰগতিবাদী চিন্তাৰ  উন্মেষ ঘটা দেখা যায়। বিষ্ণুপ্ৰসাদ ৰাভাৰ সমাজবাদী অদৰ্শৰে অনুপ্ৰাণিত এইগৰাকী কবিৰ 'বিষ্ণু ৰাভা দাবী উৰুলাঙাখৈ' (বিষ্ণু ৰাভা এতিয়াও টোপনি যোৱা নাই) কবিতাটিয়ে অসমীয়া সাহিত্যৰ আধুনিক কবি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' কবিতাৰ অনুষংগলৈ মনত পেলায়। এন প্ৰসংগৰে চাবলৈ গ'লে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সমাজবাদী আদৰ্শৰ কবিতাসমূহে ৰামদাস বড়োৰ কবিতাত প্ৰভাৱ পেলাইছিল বুলি ক'ব পাৰি।

আশীৰ দশকৰ অন্যান্য কবিসকলৰ ভিতৰত আছিল নন্দেশ্বৰ বৰো (১৯৪৩-), জগদীশ ব্ৰহ্ম, উত্তম খেৰৱাটাৰী, মন্ত্ৰী ব্ৰহ্মচৌধুৰী, বৰুণ বড়ো আদি। এওঁলোকৰ ভিতৰত বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিব পৰা কবি হ'ল নন্দেশ্বৰ বড়ো। নন্দেশ্বৰ বড়োৱে সমাজৰ নিম্নবৰ্গৰ দুখ-বেদনাক কবিতাৰ আধাৰ ৰূপে গ্ৰহণ কৰি নানা প্ৰতীক আৰু চিনাকি চিত্ৰকল্পৰ সহায়ত তাক প্ৰতিফলিত কৰিছিল। তেখতৰ দুখন কবিতা পুথি ক্ৰমে গৌচানি বাৰহুংখা  (হৃদয়ৰ ধুমুহা, ১৯৭৬) আৰু চুবুংনি ৰাহা (মানুহৰ মুক্তি, ১৯৮৪)। নন্দেশ্বৰ বড়োৰ উক্ত কবিতা কবিতাপুথি দুখন কবিতসমূহৰ বৈশিষ্ট্যৰাজিলৈ চাই তেখেতক বড়ো কবিতাৰ প্ৰগতিবাদী কবি হিচাপে অভিহিত কৰাৰ থল আছে। কৃত্ৰিমতাৰ আঁৰ-বেৰ নোহোৱাকৈ কবিতা ৰচনা কৰা নন্দেশ্বৰ বড়োৰ কবিতাত সৃষ্টিক্ষম সংগ্ৰামৰ পণ, কৃষক-শ্ৰমিকৰ দুৰৱস্থা আদি দিশসমূহ সঘনাই উচ্চাৰিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে, তেখেতৰ 'মীনজাৰাঁঙৈ' (ভুকাতোৰ) কবিতাটিৰ ভাৱানুবাদ উল্লেখ কৰা হ'ল-

এচমকা পোহৰৰ ৰশ্মি

উৰুখা চালেদি সৰকি আহিছিল

কাৰণ মই অজলা [খেতিয়ক]

কেৱল এই দুদিন নোখোৱাকৈ আছোঁ।

সেই একেদৰে শ্ৰমিকৰ মৰ্মবেদনা ফুটি উঠা দেখা যায় তেখেতৰ 'ফাৰাগ' (প্ৰভেদ) কবিতাটিত

তিনি কিলো চাউল

তিনি টকাকৈ, লাগে দিনে ন টকা

তেনেদৰে সকলো সময়তে

তাতোকৈয়ো বেছি লাগে

মোৰ আৰ. চি. চি. বিল্ডিং সাজিবলৈ।

সেইদৰে নব্বৈৰ দশকত বিষ্ণুজ্যোতি কছাৰীৰ কবিতাৰ নিৰ্মাণ কৌশলে সমসাময়িক কবিসকলৰ কবিতাৰ থিম নিৰ্মাণৰ দিশত যথেষ্ট অনুপ্ৰাণিত কৰা দেখা যায়। বড়োলেণ্ড আন্দোলনৰ সময়ছোৱাৰ প্ৰেক্ষাপট, জাতীয়তাবাদী উষ্মা, শোষণ-নিপীড়ণ, দৰিদ্ৰতা, মানৱতাৰ ...লন ইত্যাদি দিশসমূহ বিষ্ণুজ্যোতি কছাৰীয়ে কবিতাৰ থিম ৰূপে গ্ৰহণ কৰা দেখা যায়। নব্বৈৰ দশকৰপৰা সম্প্ৰতিলৈকে কেইবাগৰাকী কবিয়ে নিজস্ব নিৰ্মাণ কৌশলেৰে বিশেষভাৱে কবিতা ৰচনা কৰি আহিছে। সেইসকলৰ ভিতৰত ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্ম, বিজয় বাগলাৰী, অনজু (অঞ্জলি নাৰ্জৰী), অৰবিন্দ উজিৰ, ৰমাকান্ত বসুমতাৰী, অনিল বড়ো, উখ্ৰিচাৰ খুংগুৰ বসুমতাৰী, সুনীল ফুকন বসুমতাৰী, ধীৰ্জ্যোতি বসুমতাৰী, প্ৰাণেশ্বৰ বৰনাৰ্জী, ৰত্নেশ্বৰ বসুমতাৰীৰ নাম বিশেষভাৱে ল'ব পৰা যায়। এইসকল কবিয়ে আধুনিক বড়ো কবিতাৰ ৰূপ-ৰস আৰু কবিতাৰ পাঠ নিৰ্মাণ পদ্ধতি গঢ় দিয়াত বিশেষভাৱে প্ৰচেষ্টা লোৱা দেখা গৈছে। মুক্তক ছন্দ, কথা ছন্দ, প্ৰতীকাত্মক ভাষাৰ ব্যৱহাৰে আধুনিক বৰো কবিতাৰ অঙ্গসজ্জাক বৈচিত্ৰময় কৰি তুলিলে।

ওঠৰশ শতিকাত জাৰ্মানীৰ দাৰ্শনিক ফ্ৰেডেৰিক নীৎসে (Friedrich Nietzsche)এ ঈশ্বৰৰ মৃত্যু ঘোষণা কৰা ঘটনাই গোটেই বিশ্বজুৰি আলোড়ন কৰা পিছত তাৰ প্ৰভাৱ আধুনিক কবিসকলৰ ওপৰত পৰিছিল। এনেধৰণৰ দাৰ্শনিক চিন্তাই বড়ো কবিসকলৰ সৃষ্টিৰাজিত ভুমুকি মৰা দেখা যায়। এইক্ষেত্ৰত বিজয় বাগলাৰীৰ 'আং দিনৈ অবংলাউৰিখৌ মাংখাৰাও ফবগীন' [আজি মই বিশ্বনিয়ন্তাক কবৰ দিম] কবিতাটি উল্লেখ কৰিব পাৰি। কবিতাটিৰ ভাৱানুবাদ এনেধৰণৰ--

আজি মই বিশ্বনিয়ন্তাক কবৰ দিমেই

আমি আমাৰ বহুমূলীয়া সময় আৰু সনাতন অনুভূতিবোৰ

কবৰ দিয়াৰ দৰে

তেনে জাতীয় অনেক সনাতন চিন্তাবোৰ ইতিমধ্যে কবৰ দিয়া হ'ল

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

কবৰস্থিত হ'ল প্ৰেম, ধৰ্ম আৰু শান্তি....

(অনুবাদঃ ফকন চন্দ্ৰ বসুমতাৰী)

বিংশ শতিকাৰ শেষৰ দশকপৰা কাব্য চৰ্চাৰ মাজেৰে বৰ্তমানলৈকে আধুনিক বড়ো কবিতাৰ ক্ষেত্ৰখন সজীৱ কৰি ৰখা কবিসকলৰ ভিতৰত অৰবিন্দ উজিৰ অন্যতম। সাম্প্ৰতিক কালৰ কবি অৰবিন্দ উজিৰৰ কবিতাৰ নিৰ্মাণ পদ্ধতিও প্ৰতীকাত্মক।, তেওঁৰ কবিতাৰ ছন্দসজ্জা কেতিয়াবা গদ্যধৰ্মী আৰু কেতিয়াবা মুক্তক। বৰ্তমানলৈকে প্ৰকাশ পোৱা তেওঁ কবিতা পুথি দুখন হ'ল- মৌনদাংথিনি ৰৌজাবথায় (স্পৰ্শাতীত সংগীত, ১৯৯৫) আৰু সৌদীবনি সৌলেৰ (শব্দৰ শৰীৰ, ২০০৮)। অৰবিন্দ উজিৰৰ কবিতাত অধুনিক অসমীয়া কবি নীলমণি ফুকণৰ কবিতাৰ চাপ দেখিবলৈ পোৱা যায়। নীলমণি ফুকনৰ দৰেই প্ৰতীকবাদী, চিত্ৰকল্পবাদী আদি কাব্যধাৰা প্ৰকাশ তেওঁৰ কবিতাত দেখিবলৈ পোৱা যায়। জীৱনৰ, প্ৰেম-যৌৱন-মৃত্যুৰ, অনন্য বেদনা আৰু অনন্য পাৰভঙা আনন্দৰ সন্ধান তেওঁৰ কাব্যদৃষ্টিৰ লক্ষ্য। তেওঁৰ কবিতাত প্ৰকাশ পোৱা মানসিক অস্থিৰতা আৰু বিশ্বাসহীনতাই ঐন্দ্ৰজালিক অস্পষ্টতাৰ ফালে গতি কৰে। সেয়ে তেওঁৰ কবিতাৰ ৰসাস্বাদন কৰিবলৈ সাধাৰণ পঢ়ুৱৈসকলে বৌদ্ধিক কচৰৎ কৰিবলগীয়া হয়। তলত তেওঁৰ এটি কবিতাৰ আভাস দিয়া হ'ল--

শেলুৱৈ ধৰা হাড়ৰ দমত কবৰস্থ হোৱা ৰাতি

এতিয়া ভুমুকি মাৰিছে পাষাণ জোন, আৰু

প্ৰসাৰিত হ'ব ধৰিছে

জাৰকালিৰ হেজাৰ হেজাৰ ঠৰঙা হাত

সময়ৰ দাপোনত মানুহৰ মুখমণ্ডল

ভাগিছে থান-বান হৈ।

মানুহৰ মুখাৱয়বত শব্দবোৰে আৰু

শব্দবোৰৰ মুখাৱয়বত মানুহবোৰ

ভাগিও নভগাকৈ প্ৰতিবিম্বিত হৈছে।

(শব্দৰ শৰীৰ, অনুবাদক- ফুকনচন্দ্ৰ বসুমতাৰী)

আধুনিক যুগৰ বড়ো কবিতাৰ গতি-প্ৰকৃতিৰ আলোচনাৰ প্ৰসংগত ওপৰত কম-বেছি পৰিমাণে আলোচনা কৰা কবিসকলৰ উপৰিও ষাঠিৰ দশক বা তাৰ আগেয়ে আৰু পৰৱৰ্তী কালত বিংশ শতিকাৰ শেষৰ দশকত আত্মপ্ৰকাশ কৰি কাব্যচৰ্চা কৰা আন কেইজনমান কবিৰ কবিতাৰ বিষয়ে উল্লেখ কৰাতো প্ৰাসংগিক।

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আধুনিক বড়ো কবিতাৰ প্ৰথম স্তৰৰ এজন লেখত ল'বলগীয় কবি হ'ল প্ৰমোদচন্দ্ৰ ব্ৰহ্ম। তেখেতে অলংবাৰ হাৰ্থখিহালা আদি আলোচনী সম্পাদনা কৰাৰ লগতে ১৯৬৮ চনত স'নাকী বিজাব নামৰ এখন কাব্য সংকলন প্ৰকাশ কৰে। কবিতা পুথিখনত লোক কবিতাৰ পৰা আৰম্ভ কৰি আধুনিক প্ৰথমস্তৰৰ কবিতালৈকে সামৰি নিৰ্বাচিত কিছুমান কবিতা সন্নিৱিষ্ট কৰিছে। ষাঠি-সত্তৰ দশকৰ আন আন কবিসকলৰ ভিতৰত আছিল ঈশ্বৰ ব্ৰহ্ম আৰু কামখ্যা ব্ৰহ্ম নাৰ্জাৰী। এই দুজন কবিয়ে যুটিয়াভাৱে ১৯৬৯ চনত 'গাথুল' নামেৰে কাব্য সংকলন প্ৰকাশ কৰে। কাব্য সংকলনখন ৰমন্যাসিক ভাৱানুভূতিৰ বুলি ক'ব পাৰি। আশীৰ দশকত হৰিহৰ ব্ৰহ্ম, বিষ্ণুজ্যোতি কছাৰী, বাণশ্বেৰ বসুমতাৰী, শচীন বসুমতাৰী আদি কবিসকল কবিতাসমূহ আছিল পূৰ্বৰ ৰোমাণ্টিকধৰ্মী কবিতাৰ অনুৰূপ প্ৰকাশভংগীৰ। এইচোৱা সময়তে শচীন বসুমতাৰীয়ে বড়ো কবিতাত চনেট ৰচনা কৰি বড়ো সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰে। তেখেতৰ একমাত্ৰ কবিতা পুথি সিমাংনি খৈনা (সেপোনৰ কণ্যা, ১৯৭৭)। নব্বৈ দশকৰ কবিসকলৰ ভিতৰত ৰূপনাথ মুছাহাৰী, গুণেশ্বৰ বড়োৰ কবিতা উল্লেখনীয়। এওঁলোকৰ কবিতাৰ ঘাই সুৰ আছিল ৰোমাণ্টিক। এই দশকৰে আন এজন সুঁৱৰিবলগীয়া কবি হ'ল বিহুৰাম বড়ো। তেখেতে একমাত্ৰ কাব্যপুথি হ'ল গিবি বিথায় (ঘাই কেন্দ্ৰবিন্দু, ১৯৮৪)। এই কাব্য পুথিখনক মহাকাব্যধৰ্মী কবিতা পুথি বুলি মান্যতা দি আলোচনা কৰা দেখা যায়। বড়ো সাহিত্যৰ বুৰঞ্জী প্ৰণেতা মধুৰাম বড়োৱে এই কবিতা পুথিখনক বড়োসকলৰ প্ৰথম মহাকাব্য বুলি উল্লেখ কৰিছে।[৮]

আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰৰ কবিসকলৰ এচামে নতুন দৃষ্টিভংগীৰে কবিতা লিখি সত্তৰ-আশীৰ দশত প্ৰতিষ্ঠা লাভ কৰিছিল যদিও পৰৱৰ্তী সময়ত অৰ্থাৎ দ্বিতীয় স্তৰত সেইসকল কবিৰ কবিতাৰ বৈশিষ্ট্যৰ সালসলনি নোহোৱা বাবে পিছলৈ ইয়াত উদ্ধৃতিসহ আলোচনা কৰা নহ'ল।

সাম্প্ৰতিক কালৰ নতুন প্ৰতিভাৱান কবিসকলৰ ভিতৰত অনজু (অঞ্জলি নাৰ্জাৰী), অনিল কুমাৰ বড়ো, গোপীনাথ ব্ৰহ্ম, বাদল বসুমতাৰী, ভূপেন্দ্ৰ নাৰায়ণ বসুমতাৰী, িৰূপাক্ষগিৰি বসুমতাৰী, ধনশ্ৰী স্বৰ্গীয়াৰী, প্ৰেমানন্দ মুছাহাৰী, ভবাণী বাগলাৰী, ফুকনচন্দ্ৰ বসুমতাৰী, অধীৰ ব্ৰহ্ম, মংগলসিং হাজোৱাৰী, প্ৰতীমা ব্ৰহ্ম, উথ্ৰিচাৰ খুংগুৰ বসুমতাৰী, ৰূপাশ্ৰী হজোৱাৰী, সুনীল ফুকন বসুমতাৰী আদি কম-বেছি ঐতিহাসিক আৰু নান্দনিক গুৰুত্ব থকা কবিসকলৰ নাম ল'ব লাগিব। এওঁলোকৰ সৰহভাগেই ইতিহাস, সমাজ-সচেতন আৰু দৃষ্টিভংগীত বিভিন্ন মাত্ৰাত বস্তুবাদী। এইখিনিতে আৰু এটা কথা স্বীকাৰ্য যে এই কবিসকলৰ কেইবাজনৰো ইতিমধ্যে এখন বা একাধিক কবিতা পুথি প্ৰকাশ হৈছে। গতিকে সামগ্ৰিকভাৱে এই কবিসকলৰ কবিতা বিস্তৃত ৰূপত ভৱিষ্যতলৈ আলোচনা কৰাৰ অৱকাশ আছে। সামগ্ৰিকভাৱে ক'বলৈ গ'লে সত্তৰ-আশীৰ দশকৰ পৰা নতুন দিশত গতি কৰা বড়ো সমাজৰ জাতীয়তাবাদী আন্দোলন, সংঘাত, সমস্যা ইত্যাদি অনেক সামাজিক অস্থিৰতাৰ মাজেৰে বৰো কবিতাই বিষয়বস্তু আৰু আংগিকৰ দিশৰপৰা ৰূপ সলাই আহি আছে। সময়ৰ অগ্ৰগতিৰ লগে লগে সামাজিক ধ্যান-ধাৰণা, সভ্যতা ইত্যাদি ৰূপান্তৰৰ ফলত মানসিক দিগ্বলয়ত বহুতো কথাই জটিলতাৰ সৃষ্টি কৰে বা আন্তঃসংঘাত আনি দিয়ে। ফলত মানুহৰ ৰুচিবোধ আৰু আচৰণৰো পৰিৱৰ্তন হ'ব পাৰে। বৰো সমাজতো এনে সামাজিক পৰিৱৰ্তনে গা কৰি উঠা দেখা গৈছে আৰু ইয়াৰ প্ৰভাৱতpসাম্প্ৰতিক কালৰ বড়ো কবিতা বিষয় বৈচিত্ৰ, বিভিন্ন দৃষ্টিভংগী আদৰ্শৰে সমৃদ্ধ হৈছে।

Majuli: A Multi-lingual Multi-Disciplinary e-Magazine

৩.০ **উপসংহাৰঃ**

আধুনিক যুগৰ বড়ো কবিতাঃ পটভূমি আৰু প্ৰকৃতি শীৰ্ষক আলোচনাৰ পৰা দেখা গ'ল যে, ১৯৫২ চনত বড়ো সাহিত্য সভাৰ গঠনে আধুনিক বড়ো সাহিত্যৰ বাট মুকলি কৰে। বড়ো সাহিত্য সভাৰ উদ্যোগত তথা অন্য ৰাজনৈতিক অনুষ্ঠানৰ প্ৰচেষ্টাত নিজ ভাষাৰ মাধ্যমত গঢ় দিয়া শৈক্ষিক পৰিৱেশৰ ববে সাহিত্য চৰ্চাৰ সুস্থিৰ বাতৱৰণ সৃষ্টি হয় যিয়ে আধুনিক বড়ো কবিতাৰ অগ্ৰগতিত এক ইতিবাচক ভূমিকা গ্ৰহণ কৰে। সামাজিক, ৰাজনৈতি, শৈক্ষিক আদি দিশৰ প্ৰতিকূল পৰিৱেশৰ মাজেৰে বিংশ শতিকাৰ পঞ্চাশৰ দশকত আধুনিক বড়ো কবিতাই জন্মলাভ কৰি বৰ্তমানলৈকে সবৰ হৈ আছে।

আধুনিক যুগৰ বড়ো কবিতাৰ বিকাশ দুটা স্তৰত হোৱা পৰিলক্ষিত হয়। আধুনিক যুগৰ বড়ো কবিতাৰ প্ৰথম স্তৰ (১৯৫২-১৯৭০)ত দুটা ধাৰাৰ কবিতা ৰচনা হোৱা দেখা যায়। তাৰে এটা সম্পূৰ্ণ ৰোমাণ্টিক ভাৱধাৰাৰ কবিতা আৰু আনটো পৰম্পৰাবদী ৰোমাণ্টিক ভাৱধাৰাৰ পৰা ফালৰি কাটি নতুন আংগিক আৰু বিষয়বস্তুৰে পৰিচয় লাভ কৰা নতুন কবিতা।

আধুনিক যুগৰ বড়ো কবিতাৰ দ্বিতীয় স্তৰ (১৯৭১-বৰ্তমানলৈ)ত ৰোমাণ্টিক ভাৱধাৰ কবিতাসমূহ প্ৰায় স্তিমিত হৈ ৰয় আৰু অধুনিক কবিতা সামগ্ৰিক স্বৰূপ প্ৰকাশ পাবলৈ ধৰে।

ইতিপূৰ্বে আলোচনা কৰি আহা আধুনিক যুগৰ বড়ো কবিতাৰ ঐতিহাসিক ক্ৰমবিকাশৰ সমীক্ষা আৰু বিচাৰ বিশে¡ষণৰ আধাৰত আধুনিক যুগৰ বড়ো কবিতাৰ কিছুমান বৈশিষ্ট্য নিৰ্ণয় কৰিব পৰা যায়। সেই বৈশিষ্ট্য সমূহ হৈছে-

- আধুনিক যুগৰ প্ৰথম স্তৰৰ সকলোখিনি বড়ো কবিতাৰ প্ৰৱাহিত ভাৱধাৰাৰ একে নাছিল। এই স্তৰত বহুলভাৱে ৰমন্যাসিক ভাৱধাৰাৰ কাব্য ৰচনা হোৱা দেখা যায়। আৰু কিছুপৰিমাণে কমকৈ হ'লেও ৰমন্যাস-বিৰোধী ভাৱধাৰাৰ কবিতাও ৰচনা হোৱা দেখা যায়।
- আধুনিক যুগৰ দ্বিতীয় স্তৰত বড়ো কবিতাই ৰমন্যাসিক কাব্যানুভূতিৰ পৰিৱৰ্তে প্ৰগতিশীল আৰু বাস্তৱবাদী দৃষ্টিভংগীৰে অগৰিসৰ হ'বলৈ ধৰে।
- স্বদেশপ্ৰেম বা দেশাত্মবোধ আধুনিক যুগৰ বড়ো কবিতাৰ অন্যতম বৈশিষ্ট্য।
- বড়ো জাতিৰ সামাজিক পৰিৱৰ্তনৰ দিশসমূহ এইচোৱা সময়ৰ কবিতাই দাঙি ধৰিবলৈ সক্ষম হৈছে।
- আধুনিক যুগৰ বড়ো কবিতাত অসমীয়া, বাংলা আৰু প্ৰাশ্চাত্য (ইংৰাজী) কবিতাৰ প্ৰভাৱ পৰা দেখা যায়।
- অন্য ভাষাৰ কাব্য পৰম্পৰাৰ পৰা বড়ো কবিসকলৰ সৃজনশীল আৰু বুদ্ধিনিষ্ঠ গ্ৰহণে বড়োকবিতাক নতুন ৰূপ-সজ্জা দিয়াৰ উপৰিও নতুন আয়তন আৰু পোতন দিছে।

Majuli A MultiLingual MultiDisciplinary e-Magazine

আলোচনাৰ অন্তত সামগ্ৰিকভাৱে ক'বলৈ গ'লে আধুনিক বড়ো কবিতাই ভাষিক আৰু সাংস্কৃতিক দিশৰ পৰা এক স্বকীয় বৈশিষ্ট্য বহন কৰি আহিছে। যাৰ ফলত আধুনিক বড়ো কবিতাই সৰ্বভাৰতীয় প্ৰেক্ষাপটত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে।

*আধুনিক যুগৰ বড়ো কবিতাঃ প্ৰকৃতি আৰু পটভূমি* শীৰ্ষক বিষয়টিৰ জৰিয়তে আলোকপাত কৰা দিশসমূহে ভৱিষ্যতলৈ আধুনিক বড়ো কবিতাৰ বিস্তৃত অধ্যয়নৰপথ সুচল কৰিব। উল্লিখিত সময়ছোৱাত কাকত আলোচনীত প্ৰকাশ পোৱা কবিতাসমূহৰো ঐতিহাসিক আৰু নান্দনিক গুৰুত্ব আছে। গতিকে কাকত আলোচনীৰ পাতত থকা কবিতাসমূহ ভৱিষ্যতলৈ অধ্যয়নৰ সম্ভাৱনীয়তা আছে। তদুপৰি বড়ো কবিতাৰ বিকাশত অন্যান্য ভাষাৰ কবিতাৰ প্ৰভাৱ সম্পৰ্কেও বিস্তৃত ৰূপত আলোচনা কৰাৰ আৰকাশ আছে।

**সামৰণি টীকাঃ**

১ প্ৰমথেস বসুমতাৰী, বৰ' ৰাও আৰৌ হাংখী, বডো, বড়ো সাহিত্য সভাৰ মুখপত্ৰ, ৫৩ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ৫৭-৫৮

২ ফুকন চন্দ্ৰ বসুমতাৰী, বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা.১৬৭

৩ অনিল পুমাৰ বড়ো, বৰ' থুনলাইনি মহৰ আৰৌ মুশ্ৰী , পৃষ্ঠা. ১২

৪ সুনীল ফুকন বসুমতাৰী, ৰাইথাই বিহুং[নৈথি খৌন্দী], পৃ. ৩৪২

৫ ফুকন চন্দ্ৰ বসুমতাৰী [সম্পা.], বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ১৬৮

৬ অনিল কুমাৰ ব্ৰহ্ম [সম্পা.], বৰ' থুনলাই বিজিৰনায় পৃষ্ঠা. ১৪০

৭ ফুকন চন্দ্ৰ বসুমতাৰী, বৰো সাহিত্যৰ বিকাশ ঃ কবিতাৰ বিশেষ উল্লীখনসহ, খামৰু বড়ো সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ, ৫৪ তম বাৰ্ষিক অধিৱেশন, পৃষ্ঠা. ১৬৯

৮ মধুৰাম বড়ো, জাৰিমিননি নৌজৌৰাও বৰ' থুনলাই, পৃষ্ঠা. ১৫১

**গ্ৰন্থপঞ্জীঃ**

**অসমীয়াঃ**

Majuli: A MultiLingual MultiDisciplinary e-Magazine

নেওগ, মহেশ্বৰ. *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ, ২০০৮.

পাদুন, নাহেন্দ্ৰ. *সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব,* গুৱাহাটীঃ বাণী মন্দিৰ, ২০০৯.

বৰগোহাঞি, হোমেন. সম্পা. *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* ষষ্ঠ খণ্ড (পৰিবৰ্ধিত সংস্কৰণ). গুৱাহাটীঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২০১২.

বৰমূদৈ, আনন্দ. *আধুনিকতাৰ পৰা উত্তৰ-আধুনিকতালৈ,* গুৱাহাটীঃ অনন্য প্ৰকাশন, ২০০৪.

শইকীয়া, নগেন. *সাহিত্য-বাদবৈচিত্ৰ্য,* ডিব্ৰুগড়ঃ কৌস্তুভ প্ৰকাশন, ২০০৩.

শৰ্মা, সত্যেন্দ্ৰনাথ. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, ২০০৪.

**বড়োঃ**

দৈমাৰী, অঞ্জলি আৰু প্ৰণৱজ্যোতি নাৰ্জাৰী. *আগান,* নতুন দিল্লীঃ সাহিত্য অকাদেমী, ২০১১.

বসুমতাৰী, আদাৰাম.*সাৰৱায়নায় থুনলাই,* কোকৰাঝাৰঃ অনচুমৈ লাইব্ৰেৰী, ২০১৪.

বসুমতাৰী, ফুকন চন্দ্ৰ. *বৰ' ৰাৱ আৰৌ থুনলাই,* গুৱাহাটীঃ বড়ো সাহিত্য সভা, ২০০০.

বসুমতাৰী, বিৰুপাক্ষ গিৰি. সম্পা. *দি বড়'নি খনসায়নায় ৰায়থাইমালা,* কোকৰাঝাৰঃ বড়ো সাহিত্য সভাঃ ২০১৩.

বসুমতাৰী, সুনীল ফুকন. *ৰাইথাই বিহুং,* কোকৰাঝাৰঃ বড়ো সাহিত্য সভা, ২০০৭.

বড়ো, আনিল কুমাৰ. *বৰ' থুনলাইনি মহৰ আৰৌ মুস্ৰী,* কোকৰাঝাৰঃ এন. এল. পাব্লিলিকেছন্স, ২০১২.

বড়ো, মধুৰাম. সম্পা. *জাৰিমিননি নোজৌৰাৰ বৰ' থুনলাই,* গুৱাহাটীঃ এন. এল. পাব্লিকেছন্স, ২০১৩.

ব্ৰহ্ম, অনিল কুমাৰ. সম্পা. *সায়খ'নায় ৰায়থাইমালা,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০০৯.

---. সম্পা. *বৰ' থুনলাই বিজিৰনায়,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০১১.

---. *বৰ' ৰাৱ-থুনলাইনি জাৰিমিন,* কোকৰাঝাৰঃ এন. এল. পাব্লিকেছন্স, ২০১৭.

ব্ৰহ্ম, ব্ৰজেন্দ্ৰ কুমাৰ. *ৰায়থায়হালা,* গুৱাহাটীঃ এন. এল. পাব্লিকেছন্স, ২০০৬.

---. *বায়দি দেংখী বায়দি গাব,* গুৱাহাটীঃ বড়ো সাহিত্য সভা, ২০১২.

লাহাৰী, মন'ৰঞ্জন. *বৰ' থুনলাইনি জাৰিমিন,* কোকৰাঝাৰঃ অনচুমৈ লাইব্ৰেৰী, ২০০৮.

Majuli: A MultiLingual MultiDisciplinary e-Magazine

হাজোৱাৰী, মঙ্গলসিং. *দাউসিন নাজীৰজাং খন্থায়গিৰিনি দৰখং আৰো ইসিংআৰ*, গুৱাহাটীঃ কিতাপ সমলয়, ২০১৩

**ইংৰাজীঃ**

Boro, Anil Kumar. *A History of Bodo Literature*, New Delhi: Sahitya Akademi, 2012.

Saikia, Nagen. *Background of Modern Assamese Literature*, Guwahati: Purbanchal Prakash, 2011.

::::::

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812

**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***

Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in

Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# পাৰিপাৰ্শ্বিক চেতনা সম্বলিত অসমীয়া উপন্যাস : এক পৰিচয়জ্ঞাপক আলোচনা

## (পাঁচখন শিশু-কিশোৰ উপযোগী উপন্যাসৰ আধাৰত)

Majuli A MultiLingual MultiDisciplinary e-Magazine

**Mr. Purandar Gogoi**

Designation : Assistant Professor, Department of Assamese, Dhing College, , Assam, India, e-Mail ID: gogoipuranda@gmail.com

**Abstract:**

*The relationship between literature and the environment, though long-standing, has acquired renewed relevance in the contemporary context, as environmental concerns have become increasingly global. While science and technology offer various solutions to these ecological crises, they are often insufficient without a fundamental shift in human consciousness—particularly the prevailing anthropocentric worldview. Literature has emerged as a powerful medium for fostering environmental awareness, especially among younger generations. In Assamese literature, especially from the late twentieth century onward, a conscious engagement with environmental issues has begun to take shape, with the novel becoming a prominent vehicle for this discourse. This paper examines the representation of environmental consciousness in a selection of Assamese novels written for children and adolescents—Yat Ekhon Habi Asil, Aranya Rodan, Aranyar Bandhu, Prithivir Morom, and Seujiya Upatyakar Katha. It highlights how these works aim to cultivate ecological responsibility from an early age, thereby contributing to the development of a more environmentally conscious and accountable future generation.*

**Keywords:**
Environmental Awareness, Assamese Children's Literature, Ecocriticism, Contemporary Assamese Novels

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

## ০.০ অৱতৰণিকা

### ০.১ বিষয়ৰ পৰিচয়

সাহিত্য আৰু পাৰিপাৰ্শ্বিকতাৰ মাজৰ সম্পৰ্ক বহু পুৰণি যদিও পাৰিপাৰ্শ্বিক সচেতনতাক প্ৰধান দিশ হিচাপে গুৰুত্ব দি সাহিত্য চৰ্চা কৰাৰ ইতিহাস অবাৰ্চীন। পাৰিপাৰ্শ্বিক সমস্যা এক বিশ্বব্যাপ্ত ঘটনা। এই সংকট প্ৰতিৰোধৰ বাবে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্বাৰা সৃষ্ট উপায়সমূহ যথেষ্ট নহয়। এনে ক্ষেত্ৰত মানৱ জাতিয়ে প্ৰকৃতিৰ প্ৰতি থকা নৃ-কেন্দ্ৰিক দৃষ্টিভংগীক সলনি কৰাৰ প্ৰয়োজন। সেয়েহে পৰিৱেশ চেতনা আৰু সজাগতা বৰ্তমান সময়ত মানৱ জীৱনৰ এক অনিবাৰ্য বিষয় হৈ পৰিছে। সাহিত্যৰ চিন্তাবিদ আৰু শিক্ষাবিদসকলে পাৰিপাৰ্শ্বিক সচেতনতা প্ৰসাৰৰ ক্ষেত্ৰত সাহিত্যক এক উৎকৃষ্ট আৰু ফলপ্ৰসূ মাধ্যম হিচাপে বিবেচনা কৰাত বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ ফালে তাত্ত্বিক আধাৰত পৰিৱেশ সজাগতামূলক সাহিত্য সৃষ্টিৰ ধাৰা এটা গঢ় লৈ উঠে। অসমীয়া সাহিত্যতো বিংশ শতিকাৰ শেষৰফালে পৰিৱেশ সম্পৰ্কীয়বিষয়বোৰক লৈ সচেতনভাৱে সাহিত্য চৰ্চাৰ বীজ অংকুৰিত হয়। সম্প্ৰতি এই ধাৰাত বিশেষকৈ উপন্যাসকেই সমৃদ্ধিশালী বুলি মত দিব পাৰি। পৰিৱেশকেন্দ্ৰিক বিষয়বোৰক লৈ একবিংশ শতিকাৰ প্ৰথম দুটা দশকতে বহুখিনি সাৰ্থক অসমীয়া উপন্যাস প্ৰকাশিত হৈছে। ভৱিষ্যতৰ পৃথিৱীখনক সকলোফালৰে পৰাই সুৰক্ষিত কৰিবলৈ হ'লে নতুন প্ৰজন্মক যে অধিক দায়বদ্ধ আৰু দায়িত্বশীল ৰূপত গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আহি পৰিছে সেই কথা বৰ্তমান লেখকসকলে বুজি উঠিছে। সেইবাবেই শিশু অৱস্থাৰ পৰাই মানুহৰ চেতনাত পাৰিপাৰ্শ্বিক দায়বদ্ধতাৰ বীজ সংৰোপিত কৰিবলৈ বিভিন্নজন লেখকে উদ্দেশ্যপ্ৰণোদিতভাৱে শিশু-কিশোৰ উপযোগীকৈ সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছে। এই আলোচনা পত্ৰত শিশু-কিশোৰৰ উপযোগীকৈ ৰচনা কৰা 'ইয়াত এখন হাবি আছিল', 'অৰণ্য ৰোদন', 'অৰণ্যৰ বন্ধু', 'পৃথিৱীৰ মৰম' আৰু 'সেউজীয়া উপত্যকাৰ কথা' শীৰ্ষক উপন্যাসকেইখনত প্ৰকাশ পোৱা পাৰিপাৰ্শ্বিক সচেতনতাৰ এক পৰিচয়জ্ঞাপক আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

### ০.২- অধ্যয়নৰ উদ্দেশ্য

পাৰিপাৰ্শ্বিক চেতনা সম্বলিত অসমীয়া উপন্যাস : এক পৰিচয়জ্ঞাপক আলোচনা [পাঁচখন শিশু-কিশোৰ উপযোগী উপন্যাসৰ আধাৰত]- শীৰ্ষক বিষয়টো অধ্যয়নৰ উদ্দেশ্য হ'ল-

১. প্ৰকৃতি সংৰক্ষণ বিষয়টোৱে অসমীয়া শিশু-কিশোৰ উপযোগী উপন্যাসত কেনেদৰে প্ৰসাৰ লাভ কৰিছে তাক বিচাৰ কৰা।

২. শিশু-কিশোৰসকলৰ মন-মগজুক স্পৰ্শ কৰিব পৰাকৈ ঔপন্যাসিকে পাৰিপাৰ্শ্বিক বিষয়বোৰক উপস্থাপন কৰিব পাৰিছেনে, সেই দিশটো বিচাৰ কৰা।

৩. পাৰিপাৰ্শ্বিক সংকটৰ কাৰক আৰু ইয়াৰ সমাধানৰ বিষয়ে নিৰ্বাচিত উপন্যাসকেইখনত কেনেধৰণে উপস্থাপন কৰিছে সেই দিশত আলোকপাত কৰা।

Majuli A MultiLingual MultiDisciplinary e-Magazine

**০.৩- অধ্যয়নৰ পৰিসৰ**

এই আলোচনা পত্ৰৰ পৰিসৰত শিশু-কিশোৰৰ উপযোগীকৈ অসমীয়া ভাষাত ৰচিত ‘ইয়াত এখন হাবি আছিল’, ‘অৰণ্য ৰোদন’, ‘অৰণ্যৰ বন্ধু’, ‘পৃথিৱীৰ মৰম’ আৰু ‘সেউজীয়া উপত্যকাৰ কথা’ শীৰ্ষক উপন্যাসকেইখনত প্ৰকাশ পোৱা পাৰিপাৰ্শ্বিক সচেতনতাৰ এক পৰিচয়জ্ঞাপক আলোচনা আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে। উপন্যাসকেইখনত প্ৰকৃতি সংৰক্ষণ চেতনাক কেনেদৰে দূৰদৰ্শিতাৰে উপস্থাপন কৰিছে সেই সম্পৰ্কীয়বিশ্লেষণকেই আলোচনাৰ পৰিসৰত সামৰি লোৱা হৈছে।

**০.৪- অধ্যয়নৰ পদ্ধতি**

পাৰিপাৰ্শ্বিক চেতনা সম্বলিত অসমীয়া উপন্যাস : এক পৰিচয়জ্ঞাপক আলোচনা [পাঁচখন শিশু-কিশোৰ উপযোগী উপন্যাসৰ আধাৰত]- শীৰ্ষক বিষয়,টো অধ্যয়ন কৰোঁতে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**১.০ নিৰ্বাচিত উপন্যাসৰ পৰিচয়জ্ঞাপক আলোচনা**

অতি প্ৰাচীন কালৰে পৰাই সাহিত্যত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্কই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। সাহিত্য ৰচকসকলে তেওঁলোকৰ ৰচনাত বিভিন্ন সময়ত বিভিন্ন প্ৰসংগ উত্থাপন কৰোঁতে মানুহ আৰু প্ৰকৃতিৰ গাঢ় সম্পৰ্ক সজীৱ ৰূপত প্ৰকাশিত হোৱা পৰিলক্ষিত হয়। মানুহ প্ৰকৃতিৰেই এক অংশ। সেয়েহে প্ৰাকৃতিক বিভিন্ন পৰিঘটনাসমূহে মানুহকো প্ৰভাৱিত কৰে। পৰিৱেশতন্ত্ৰই সদায় ইয়াৰ উপাদানবোৰক এক সুস্থ-সবল আৰু সঠিকভাৱে জীৱন নিৰ্বাহ কৰিবলৈ অনুপ্ৰাণিত কৰে। মানুহৰ ক্ষেত্ৰটো ই ব্যতিক্ৰম নহয়। আমাৰ জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় বায়ু, পানী, আহাৰ এই সকলোবোৰ প্ৰকৃতিৰ পৰাই লাভ কৰোঁ। এই কাৰণেই আমি প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞ। প্ৰকৃতিৰ সৈতে মানুহৰ এই একাত্মীয়তা জন্মৰ পিছ মুহূৰ্তৰ পৰাই প্ৰতিষ্ঠা হয়। ভাৰতীয় হিন্দু দৰ্শন মতেও মানৱ শৰীৰ পঞ্চমহাভূতৰ সমষ্টি মাথোন। মৃত্যুৰ পিছতো মানুহৰ শৰীৰ প্ৰকৃতিৰ লগতে মিলি যায়। উল্লেখযোগ্য যে সভ্যতাৰ প্ৰাৰম্ভিক পৰ্যায়ত মানুহ সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আছিল। কিন্তু বৰ্তমানৰ সময় আৰু সভ্যতাৰ উত্তৰণৰ লগে লগে মানুহ ক্ৰমাৎ প্ৰকৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা এক গুৰুত্বপূৰ্ণ কাৰকলৈ পৰ্যবসিত হ’ল আৰু ইয়েই ক্ৰমান্বয়ে মানুহ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্কৰ জৰীডালক চিঙি পেলাবলৈ ধৰিছে। কিন্তু আজিৰ প্ৰেক্ষাপটত আটাইতকৈ চিন্তনীয় কথাটো হৈছে এয়ে যে বৰ্তমান প্ৰকৃতিয়ে ক্ৰমাৎ ইয়াৰ ভাৰসাম্যহীনতাৰ ফাললৈ গতি কৰিছে আৰু ইয়াৰ নেতিবাচক প্ৰভাৱে মানুহৰ লগতে প্ৰকৃতিৰ সকলো উপাদানলৈ ভাবুকি কঢ়িয়াই আনিছে। এই ধৰণৰ পাৰিৱেশিক অৱক্ষয়ে মানৱ জীৱনৰ লগতে সমগ্ৰ জীৱকুলৰ জীৱনৰ গুণগত মানদণ্ডক প্ৰভাৱিত কৰে। এক সুস্থ প্ৰাকৃতিক পৰিৱেশৰ উপস্থিতি অবিহনে মানুহে কেতিয়াও সুস্থ জীৱন অতিবাহিত কৰিব নোৱাৰে। সাম্প্ৰতিক প্ৰতিকূল পৰিৱেশৰ বাবে বিভিন্ন ধৰণৰ নতুন নতুন ৰোগ-ব্যাধিয়ে সমগ্ৰ পৃথিৱী চানি ধৰা দেখিবলৈ পোৱা গৈছে। ই ভৱিষ্যতৰ বাবে এক অশনি সংকেত। গতিকে এনে এক

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

প্ৰেক্ষাপটত আমি আমাৰ সামাজিক আৰু অৰ্থনৈতিক আৰ্হিবোৰৰ পুনৰ মূল্যায়ণ কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। এক সামগ্ৰিক আৰু ফলপ্ৰসূ পাৰিপাৰ্শ্বিক দৃষ্টিভংগীৰো প্ৰয়োজন হৈছে। সাহিত্যৰ চিন্তাবিদ আৰু শিক্ষাবিদসকলেও পাৰিপাৰ্শ্বিক সচেতনতাৰ বিষয়টোক গুৰুত্ব দি সাহিত্য সমালোচনাৰ বাবে এক পৰিৱেশকন্দ্ৰিক দৃষ্টিভংগী প্ৰস্তুত কৰিছে যাক 'ইক'ক্ৰিটিছিজিম' বুলি অভিহিত কৰা হৈছে। ইক'ক্ৰিটিকসকলৰ মতে পাৰিপাৰ্শ্বিক সচেতনতা প্ৰসাৰৰ বাবে সাহিত্য এক উৎকৃষ্ট মাধ্যম। সেইবাবেই পৰিৱেশকেন্দ্ৰিক দিশৰ পৰা সাহিত্য পাঠ একোটাক বিচাৰ কৰিবলৈ যাওঁতে লেখকৰ পাৰিপাৰ্শ্বিক পৰিপ্ৰেক্ষা, প্ৰকৃতিৰ উপস্থাপন আৰু পাঠৰ মাজেৰে প্ৰেৰিত পৰিৱেশ সম্পৰ্কীয়বাৰ্তাৰ বিশ্লেষণাত্মক অধ্যয়নত ইক'ক্ৰিটিকসকলে প্ৰধানকৈ গুৰুত্ব দিয়ে। আমাৰ এই আলোচনাতো ইক'ক্ৰিটিকেল দৃষ্টিকোণেৰে নিৰ্বাচিত উপন্যাসসমূহত লেখকৰ পাৰিপাৰ্শ্বিক দৃষ্টিভংগী, প্ৰকৃতিৰ উপস্থাপন আৰু পাঠৰ মাজেৰে প্ৰেৰিত পৰিৱেশ সম্পৰ্কীয়বাৰ্তা কেনেদৰে উপস্থাপিত হৈছে সেই দিশটোৰ সংক্ষিপ্ত আভাস দাঙি ধৰা হৈছে।

'ইয়াত এখন হাবি আছিল' জয়ন্ত মাধৱ বৰাই ৰচনা কৰা এখন শিশু উপন্যাস। মৌচাক আলোচনীত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা উপন্যাসখন গ্ৰন্থাকাৰে প্ৰকাশ পায় ২০২১ চনত। মানুহ আৰু জন্তুৰ সংঘাত উপস্থাপনকেই  প্ৰধান দিশ হিচাপে লোৱা উপন্যাসখনত পাৰিপাৰ্শ্বিকতা সম্পৰ্কীয়বহুবোৰ সমস্যাৰ কথা অৱতাৰণা কৰা হৈছে আৰু লগতে জন্তুৰ মানসিক জগতখনেৰে মানুহৰ সমাজখনক বিশ্লেষণ কৰা হৈছে। কেৱল মানুহৰে নহয়; বনত বাস কৰা জীৱ-জন্তুবোৰৰো এখন নিজা সমাজ আছে। মানুহৰ দৰে সিহঁতো বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ থাকে। কিন্তু মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে জীৱ-জন্তুবোৰৰ সমস্যাবোৰ প্ৰাকৃতিকভাৱে সৃষ্ট নহয়।ইয়াৰ পৰিৱৰ্তে মানুহৰ অপ্ৰাকৃতিক কৰ্মৰাজিয়েহে জীৱ-জন্তুৰ সমাজখনলৈ সংকট কঢ়িয়াই আনিছে। সেইবাবেই বনৰ জন্তুবোৰ অস্তিত্বৰ সংকটত ভুগি চিন্তিত হৈ মানুহৰ আগ্ৰাসনৰ পৰা ভৱিষ্যতটোক সুৰক্ষিত কৰাৰ স্বাৰ্থত একগোট হৈ সমস্যাৰ অন্তৰালৰ কাৰকবোৰক জুকিয়াই চোৱাৰ দূৰদৰ্শী দৃষ্টিভংগী এটাক উপন্যাসখনত উপস্থাপন কৰা হৈছে। উপন্যাসখনত দেখুৱাইছে যে বৰ্তমান অতি সুলভ হৈ পৰা বাঘ-মানুহৰ সংঘাত, হাতী-মানুহৰ সংঘাতৰ দৰে বৃহৎ সমস্যাবোৰ মানুহেই সৃষ্টি কৰা। কাৰণ বন্য জীৱ-জন্তুবোৰ প্ৰকৃতিৰ নিয়মতেই চলি আছে, চলা নাই কেৱল মানুহ। মানুহৰ কাৰ্য-কলাপবোৰহে প্ৰকৃতি বিৰুদ্ধ হৈ গৈছে। প্ৰকৃতিৰ নীতি-নিয়মবোৰ এতিয়া বন্য জীৱ-জন্তুবোৰেহে পালন কৰি আছে। মানুহবোৰে নিজৰ সুবিধাৰ বাবে নীতি-নিয়মবোৰ সলাই থাকে। যান্ত্ৰিক প্ৰগতি আৰু সভ্যতাৰ উত্তৰণৰ ধামখুমীয়াত পৰি মানুহবোৰে ধ্বংসাত্মক কাৰ্যক অগ্ৰাধিকাৰ দিছে। বন ধ্বংস কৰি, ৰে'ল লাইন পাতি, জীৱ-জন্তুৰ বিচৰণ ক্ষেত্ৰসমূহক দখল কৰাৰ ফলত বন্যপ্ৰাণীৰ স্বাভাৱিক জীৱন প্ৰবাহ ব্যাহত হোৱাটোক অতি গুৰুত্বসহকাৰে উপন্যাসখনত প্ৰক্ষেপ কৰা হৈছে -

'হিংসা কোনে কৰিছে? আমিতো মানুহবোৰক একো অন্যায় কৰা নাই। মানুহবোৰেহে আমাক দেখিলেই দা-যাঠি লৈ খেদি আহে। কেইটামান টকাৰ বাবেই চোৰাংকৈ গছবোৰ কাটি তহিলং কৰে। হাবিবোৰ কাটি ঘৰ সাজি থাকিবলৈ লৈছে। সিহঁতকেই যদি গোটেইখন লাগে, আমি বনৰীয়া জন্তুবোৰ থাকিম ক'ত? [পৃ.৩৯]

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

মানুহ-বন্যজন্তুৰ এই যুঁজখনত বন্য প্ৰাণীবোৰ যে সদায় অতি কৰুণভাৱে পৰাজিত হ'ব লগা হৈছে সেই দিশটোকো উপন্যাসখনত বিচাৰ কৰা হৈছে। ইয়াৰ কাৰণ উল্লেখ কৰি কৈছে যে জন্তুবোৰে নিজৰ নিজৰ স্বভাৱ আৰু প্ৰবৃত্তি অনুযায়ীহে কামবোৰ কৰে। কিন্তু মানুহৰ সকলো কাম মগজুৰ দ্বাৰাহে পৰিচালিত হয়। গতিকে মগজুৰ ওচৰত বন্যপ্ৰাণীৰ স্বভাৱ আৰু প্ৰবৃত্তি পৰাজিত হোৱাটোৱেই স্বাভাৱিক। মগজুৰে পৰিচালিত মানুহে ভাল-বেয়া নিৰূপণ কৰিব পৰাৰ পিছতো ক্ষুদ্ৰ স্বাৰ্থৰ বাবে বন্যপ্ৰাণীৰ প্ৰাকৃতিক শৃংখলাটোক বিধ্বস্ত কৰি পেলোৱাটো মানুহৰ এটা অতি নিকৃষ্ট আৰু লজ্জাজনক দিশ হিচাপে বৰ্ণিত হৈছে। বন্যপ্ৰাণীৰ বিচাৰেৰে, 'মানুহ জাতিটো এটা ভয়াতুৰ জাতি।' মানুহবোৰে হাবিবোৰ ধ্বংস কৰিছে, গঁড় হত্যা কৰিছে; কিন্তু ইয়াৰ ফলত হ'ব পৰা বন্যপ্ৰাণীৰ দুৰ্দশাৰ কথা তেওঁলোকে কোনো দিনেই উপলব্ধি কৰা নাই। 'প্ৰত্যেক জীৱৰে যে জীয়াই থকাৰ অধিকাৰ আৰু তাড়না আছে সেই কথা মানুহে কেতিয়া বুজিব?'- এই প্ৰশ্নটো অৱতাৰণা কৰি উপন্যাসখনত মানুহৰ চাৰিত্ৰিক পৰিশুদ্ধিৰ পোষকতাৰে প্ৰকৃতি সংৰক্ষণ চেতনাক অধিক গতিশীল কৰি তুলিবলৈ প্ৰয়াস কৰিছে বুলিব পাৰি। মানুহে নিজা কৰ্ম আৰু জীৱনশৈলীক সংশোধন নকৰিলে ই যে এক ভয়ংকৰ ভৱিষ্যত উপহাৰ দিব সেই কথা উপন্যাসখনত স্পষ্ট হৈছে এনেদৰে -

'এটা হৰিণাই লগৰটোক থোকাথুকি মাতেৰে ক'লে - "সেইদিনা ভালুকটোৱে যে কৈছিল, খাদ্যৰ অভাৱত, বাসস্থানৰ অভাৱত এদিন আমি একেবাৰে নিঃশেষ হৈ যাম। মিউজিয়ামত আমাৰ জঁকাটো সজাই থ'ব আৰু জঁকাটোৰ কাষত ফটো এখন আঁৰি থ'ব। মিউজিয়ামৰ গাইডজনে মিউজিয়াম চাবলৈ অহা পৰ্যটকসকলক ক'ব - এসময়ত পৃথিৱীত এনেকুৱা ধৰণৰ জন্তুবোৰ আছিল। ইয়াৰ নাম ভালুক, ইয়াৰ নাম হাতী, ইয়াৰ নাম গঁড়, ইয়াৰ নাম হৰিণা। এই ফটোবোৰ যে দেখিছে, এইবোৰ একো একোখন হাবিৰ ফটো। অৰণ্যৰ ফটো। এতিয়া য'ত এশ মহলীয়া অট্টালিকাবোৰ দেখিছে, মাল্টি ষ্টৰিজ শ্বপিং মলবোৰ দেখিছে, কেইবামহলীয়া এপাৰ্টমেণ্টবোৰ দেখিছে, তাত আগতে এনেকুৱা হাবিবোৰ আছিল। এই হাবিবোৰতে এই জন্তুবোৰ বাস কৰিছিল। এতিয়া এই হাবিবোৰো নাই...হাবিৰ চৰাইবোৰো নাই...জন্তুবোৰো নাই...কেৱল এই জঁকাবোৰ আৰু ফটোবোৰ আছে। আপোনালোকে চাওক, ইয়াৰ বিষয়ে গৱেষণা কৰক আৰু ডাঙৰ ডাঙৰ ডক্টৰেট ডিগ্ৰী লওক।"[পৃ.১১৮]

যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ 'পৃথিৱীৰ মৰম' [২০০৫] শিশু-কিশোৰ উপযোগী এখন পৰিৱেশ সম্পৰ্কীয়উপন্যাস। উপন্যাসখনত কেং আৰু কানাই নামৰ চৰিত্ৰ দুটাৰ কথা-বতৰাৰ মাজেৰে বিভিন্ন পৰিৱেশ সম্পৰ্কীয়বিষয় প্ৰকাশ হৈছে। অতীত আৰু বৰ্তমানৰ পটভূমিত অসমৰ বন্য জগতখনৰ বিচিত্ৰতাক উপন্যাসখনত ৰূপায়িত কৰা হৈছে। এনে এটা সময় আছিল, যিসময়ত বাঘ, ভালুক, হাতী, গঁড়, বৰা আদি জন্তুবোৰ ৰাতি মানুহৰ ঘৰৰ চৌপাশত আহি বিচৰণ কৰিছিল। বৃহৎ কাছ, বিভিন্ন প্ৰজাতিৰ পক্ষী, শিহু, কেটেলা পহু, শহা পহু আদিবোৰৰ সৈতে সাক্ষাৎ অসমভূমিত তেনেই সুলভ আছিল। কিন্তু সময় আগবঢ়াৰ লগে লগে প্ৰকৃতিৰ এনে বৈচিত্ৰ্যতা হ্ৰাস পালে আৰু সম্প্ৰতি যে কুম্ভীৰ, ঢেকীয়াপতীয়া বাঘ, বনৰীয়া গাহৰি, চাপৰ জাতৰ ভালুক আদিবোৰ



Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

কিম্বদন্তিৰ মাজতহে আছে সেই কথা গভীৰ উদ্বেগেৰে প্ৰকাশ কৰিছে। কেৱল বন্য জন্তুবোৰেই নহয়, -'ডাঙৰ চৰাইবোৰ, ধুনীয়া পাখিৰ চৰাইবোৰৰ উপৰি মাংস খাব পৰা চৰাইবোৰো প্ৰায় নাইকিয়া হৈ আহিছে। ঘিলা হাঁহ, শৰালি, দেও ৰাজহাঁহ, কাম চৰাই, ডাঙৰ জাতৰ ভাটৌ, ধনেশ, ম'ৰা, বৰ বগলী, ক'লা ঠেঙৰ বগলী, কুৰুৱা, মৌখাপ, ৰজা শগুণ বা বিত শগুণ আদিবোৰৰ আজিকালি সংখ্যাই কমি গ'ল।' [পৃ. ৬২] - বুলি পক্ষীবোৰৰ সংকটকো উপন্যাসখনত আঙুলিয়াই দিয়া হৈছে। এই সকলোবোৰ সংকট সৃষ্টিৰ অন্তৰালৰ মুখ্য কাৰক হিচাপে মানুহকেই দোষাৰোপ কৰা হৈছে বুলিব পাৰি। গ্ৰন্থখনত মানুহক আপোনপেটীয়া আৰু অতি নিৰ্দয় প্ৰাণী হিচাপে অভিহিত কৰিছে। মানুহৰ বাদে সকলো জীৱ-জন্তুৱে নিয়ম মানি চলাৰ কথা উল্লেখেৰে কৈছে যে মানুহবোৰে ভৱিষ্যতৰ কথা ভালদৰে নাভাবে বাবেই গছ-গছনি, জীৱ-জন্তুবোৰক ধ্বংস কৰে আৰু এনে অনৈতিক কাৰ্য চলি থাকিলে পৃথিৱীৰ পৰা এদিন জীৱ-জন্তু নাইকিয়া হ'ব। পৃথিৱীত অহৰ্নিশে চলি থকা জীৱকূলৰ অস্তিত্ব ৰক্ষাৰ যুঁজখনৰ কথা বৈজ্ঞানিক যুক্তিৰ ভিত্তিত উপন্যাসখনত লিখিছে এনেদৰে -

'পৃথিৱীৰ বুকুলৈ চামে চামে জীৱ আহি আছে। বিলুপ্ত হৈ আছে। প্ৰকৃতিৰ লগত যুঁজি, পাৰিপাৰ্শ্বিকতাৰ লগত খাপ খাই থকাটোহে বাচি আছে। এইটোৱেই প্ৰকৃতিৰ নিয়ম। যেতিয়াই এটাই আনটোক ধ্বংস কৰিবলৈ ভয়ংকৰ প্ৰচেষ্টা কৰিছে, তেতিয়া সাধাৰণতে দুয়োটাই ধ্বংস হৈছে।' [পৃ. ৬৩-৬৪]

আমাৰ চৌপাশৰ গছ-গছনি, তৰু-তৃণ, পশু-পক্ষী এই সকলোবোৰৰ বিষয়ে ভালকৈ জানিলেহে সেইবোৰৰ প্ৰতি ভালপোৱা সৃষ্টি হ'ব আৰু ভালপোৱা বাঢ়িলেহে যে মানুহৰ মনত প্ৰকৃতি সংৰক্ষণৰ দায়বদ্ধতাই স্থায়িত্ব লাভ কৰিব সেই কথা উপন্যাসখনত প্ৰচাৰিত হৈছে। এই উদ্দেশ্য সাধনৰ ক্ষেত্ৰত প্ৰকৃতি নিৰীক্ষণত প্ৰাধান্য দিছে। প্ৰাকৃতিক শান্তি নষ্ট নকৰাকৈ, কোনো ধৰণৰ হাই-উৰুমি নোহোৱাকৈ, অসীম ধৈৰ্যৰ মানসিক শক্তিৰে প্ৰকৃতিৰ অপৰূপ শোভাক নিচেই কাষৰ পৰা উপভোগ আৰু নিৰীক্ষণ কৰিব পৰা যায়। এনে কাৰ্যই মানুহ আৰু প্ৰকৃতিৰ উপাদানবোৰৰ মাজৰ আত্মীয়তাক অধিক সবল আৰু দায়বদ্ধ কৰি তোলে বুলি উপন্যাসখনত নিনাদিত হৈছে।

ননী মজুমদাৰৰ 'সেউজীয়া উপত্যকাৰ কথা' [২০১২] নামৰ উপন্যাসখনতো ইক'ক্ৰিটিকেল দৃষ্টিভংগী পৰিলক্ষিত হয়। শিশুসকলক পৰিৱেশ শিক্ষাৰে শিক্ষিত কৰি তুলি এখন সৰ্বাঙ্গসুন্দৰ পৃথিৱী গঢ় দিয়াৰ আদৰ্শ উপন্যাসখনত পৰিলক্ষিত হয়। সামাজিক বনানীকৰণ, বন সংৰক্ষণ, বনাঞ্চল সংকোচন, বনজ সম্পদৰ চোৰাং বেহাৰ দৰে বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰসংগক উপন্যাসখনত সামৰি লোৱা হৈছে। শিশু সকলক সঠিক আৰু উপযুক্ত পৰিৱেশমূলক জ্ঞান প্ৰদানৰ জৰিয়তে যে পৰিৱেশ সুৰক্ষাৰ এক নৱজাগৰণ আনিব পাৰি সেই কথা কাহিনীত স্পষ্ট হৈছে। 'গছ থাকিলেহে মানুহ থাকিব' ধৰণৰ স্পৰ্শকাতৰ বাণীৰ দ্বাৰা উপন্যাসখনত শিশুৰ মনত বৃক্ষৰ গুৰুত্ব প্ৰতিপাদন কৰিবলৈ বিচৰা হৈছে। বছৰে বছৰে গছ-গছনি কাটি অৰণ্য ধ্বংস কৰা হৈছে, কিন্তু নতুন গছ ৰোপণ কৰা হোৱা নাই। ফলত জৈৱ-বৈচিত্ৰ্য হ্ৰাস পাইছে। অৰণ্য ধ্বংসৰ ফলতে যে নৈবোৰে অধিক জলধাৰণৰ ক্ষমতা হেৰুৱাইছে আৰু অন্য বহু সমস্যাৰ সৃষ্টি কৰিছে সেই কথাটোকো উপন্যাসখনত উল্লেখ কৰা হৈছে। দীপৰ বিলৰ সংকটৰ প্ৰসংগটোও গ্ৰন্থখনত বৰ্ণিত হৈছে। জনসংখ্যা বৃদ্ধি আৰু মানুহৰ অবিবেচক কাৰ্য-কলাপে প্ৰকৃতিৰ বৃহৎ

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

শৃংখলা এটাক নিঃশেষ কৰি পেলোৱা দিশটোকো সচেতনতাৰে প্ৰক্ষেপ কৰা হৈছে। এই সকলোবোৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বৃক্ষ ৰোপণক এক মহৎ আৰু ফলপ্ৰসূ পদক্ষেপ হিচাপে উপন্যাসখনত বিবেচনা কৰিছে। 'আমাৰ বাবে নহয়, ভৱিষ্যত আৰু পৰিৱেশৰ উন্নতিৰ বাবে আমি একোজোপা একোজোপা গছ ৰুব নোৱাৰো জানো?' [পৃ. ৭২] শীৰ্ষক বাণীৰে নতুন প্ৰজন্মক বৃক্ষ ৰোপণ কৰিবলৈ উৎসাহিত কৰিছে।

সমাজৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক অৰণ্য, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি ৰচনা কৰা এখন উপন্যাস হৈছে শিখামণি গগৈৰ 'অৰণ্য ৰোদন' [২০২১]। ভলগু আৰু নিৰলা নামৰ গঁড়জনীৰ মাজত গঢ় লৈ উঠা পাৰস্পৰিক প্ৰেম আৰু বিচ্ছেদ যন্ত্ৰণা কাহিনীৰ মূল আধাৰ। এই কাহিনীক আগুৱাই লৈ যাওঁতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু মানাহ অভয়াৰণ্যৰ অৰণ্য আৰু জীৱ-বৈচিত্ৰ্যৰ বিচিত্ৰ জগতখন চিত্ৰিত হৈছে। আন্তঃৰাষ্ট্ৰীয় বজাৰত খড়.গৰ চাহিদা আৰু এই চাহিদাৰ বাবেই কাজিৰঙাত সংঘটিত হৈ থকা গঁড় হত্যাৰ বিষয়টো গুৰুত্ব সহকাৰে উত্থাপন কৰিছে। হাতী-মানুহৰ সংঘাতকো প্ৰাধান্য দিয়া উপন্যাসখনত মানুহৰ নিষ্ঠুৰ কাম-কাজ আৰু অৰণ্য দখল প্ৰক্ৰিয়াটোৰ কু-প্ৰভাৱ সম্পৰ্কেও আলোকপাত কৰিছে। অবিবেচকভাৱে মানুহে অৰণ্য ধ্বংস কৰাৰ ফলতেই যে মানুহ আৰু বিভিন্ন জীৱ-জন্তুৰ মাজৰ সংঘাত বৃদ্ধি পাইছে সেই কথাটো উপন্যাসখনত উল্লেখ হৈছে এনেদৰে -

'এই অৰণ্যত সিহঁতৰ অঞ্চলটোৰেই আছিল আটাইতকৈ ডাঙৰ। একো বস্তুৰেই অভাৱনাছিল। যথেষ্ট পৰিমাণে খাদ্যও উৎপাদন হৈছিল। কল-কুঁহিয়াৰ, ঔগছ, বেতনি, নল-খাগৰি, কৰৈ, শিমলু, জৰী নাছিল কি? যি মন যায় তাকে খাব পাৰিছিল। এতিয়া সেই বৃহৎ অঞ্চলৰ সৰহখিনি মানুহৰ দখলত! জংঘল ভাঙি ঘৰ-দুৱাৰ সাজিছে। নগৰ যেন হৈ পৰিছে গোটেইখন। ডাঙৰ কাঠৰ কুণ্ডাবোৰ গাড়ীত উঠাই ক'ৰবালৈ লৈ যায়।'[পৃ.১৮]

এই পৃথিৱীখন কেৱল মানুহৰ নহয়। মানুহৰ দৰে অন্য জীৱ-জন্তুৰো জীয়াই থকাৰ সম অধিকাৰ আছে। জ্ঞান, বুদ্ধি-বৃত্তিসম্পন্ন প্ৰাণী হিচাপে পৃথিৱীখনক সুৰক্ষিত কৰি ৰখাৰ দায়িত্ব মানুহৰে বেছি। কিন্তু মানুহৰ কৰ্মবোৰ বৰ্তমান পৰিৱেশ সাপেক্ষ হৈ থকা নাই। বৰঞ্চ ভৱিষ্যত পৃথিৱীখনৰ বাবে মানুহ হৈ পৰিছে ভাবুকিস্বৰূপ। একাংশ মানুহৰ অদূৰদৰ্শিতাই সমগ্ৰ শৃংখলাটোতেই ব্যাঘাত জন্মাইছে। প্ৰকৃতিৰ পৰা নিজকে পৃথকভাৱে চোৱাৰ পৰিৱৰ্তে প্ৰকৃতিৰ সৈতে একাত্মভাৱে বাস কৰাত যে অন্য এক মাদকতা আছে সেই দিশটোত গুৰুত্ব প্ৰদান কৰি মদন শৰ্মাই ৰচনা কৰিছে 'অৰণ্যৰ বন্ধু' [২০২৩] নামৰ শিশু উপন্যাসখন। ৰূপম আৰু অঁকৰা নামৰ বাঘটোৰ মাজত স্থাপিত হোৱা আন্তৰিক বন্ধুত্ব আৰু লগতে পৰস্পৰৰ মাজত হোৱা বন্য জন্তুৰ সমস্যাৰ আলোচনাবোৰে পাৰিপাৰ্শ্বিক সংকটৰ বহুবোৰ দিশ পৰিস্ফুট কৰিছে। অৰ্থৰ লোভত মানুহে অৰণ্যক উন্মাদৰ দৰে নিঃশেষ কৰিছে, স্ফূৰ্তিৰ বাবে বন্যপ্ৰাণীবোৰক হত্যা কৰিছে। সকলো সীমা অতিক্ৰমি নিকৃষ্ট কূট-কৌশলেৰে বন্য সম্পদৰ চোৰাং বেপাৰ কৰাৰ বাস্তৱিক চিত্ৰখনো উপন্যাসখনত চিত্ৰিত হৈছে। লগতে এই সমস্যা সমাধানৰ ক্ষেত্ৰত মানুহৰ সজাগতা, নতুন প্ৰজন্মৰ দায়বদ্ধতা, সংবাদ মাধ্যমৰ নিষ্ঠা-সততাৰ লগতে বন বিভাগৰ কৰ্মদক্ষতাৰ অতীৱ প্ৰয়োজনৰ প্ৰাসংগিকতা স্বীকৃত হৈছে। 'এই যে জীৱ-জন্তুবোৰক মৰম কৰিলে সিহঁতেও মৰম কৰে। এই ধুনীয়া পৃথিৱীখন আমাৰো,

Majuli: A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

Majuli A MultiLingual MultiDisciplinary e-Magazine

সিহঁতৰো।' - শীৰ্ষক আদৰ্শমূলক বাণীৰ দ্বাৰা নতুন প্ৰজন্মক উদ্বুদ্ধ কৰাৰ চেষ্টাৰে উপন্যাসখনত কোৱা হৈছে যে বৰ্তমান পৃথিৱীখনত শিশুসকলৰেদায়িত্ব বেছি। কাৰণ শিশুসকলহে পৃথিৱীত বেছিদিন থাকিব। গতিকে পৃথিৱীখন সিহঁতৰহে। সেইবাবে পৰিৱেশৰ সৈতে মিলা গছ দায়িত্ব সহকাৰে ৰোপণ কৰা কাৰ্যটোৰ দ্বাৰা উপন্যাসখনত পৰিৱেশ সুৰক্ষাৰ বাবে নতুন প্ৰজন্মক উৎসাহিত কৰিবলৈ বিচাৰিছে বুলিব পাৰি।

এনেদৰেই নিৰ্বাচিত উপন্যাসকেইখনত শিশু-কিশোৰৰ উপযোগীকৈ পাৰিপাৰ্শ্বিক চেতনা কিছুমানক সচেতনতাৰে প্ৰক্ষেপ কৰিছে।

## ২.০ উপসংহাৰ

পাৰিপাৰ্শ্বিক চেতনা সম্বলিত অসমীয়া উপন্যাস : এক পৰিচয়জ্ঞাপক আলোচনা [পাঁচখন শিশু-কিশোৰ উপযোগী উপন্যাসৰ আধাৰত]- শীৰ্ষক বিষয়,টো অধ্যয়নৰ শেষত নিম্নোক্ত সিধান্তসমূহত উপনীত হ'ব পাৰি -

১. প্ৰকৃতি সংৰক্ষণ বিষয়টোক অসমীয়া শিশু-কিশোৰ উপযোগী উপন্যাসত ঔপন্যাসিকসকলে দায়বদ্ধতাৰে প্ৰক্ষেপ কৰিবলৈ পাৰ্যমানে প্ৰয়াস কৰিছে।

২. বৰ্তমান পৃথিৱীখনত শিশু সকলৰহে যে দায়িত্ব বেছি সেই কথা উপন্যাসকেইখনত বুজাব বিচাৰিছে। সেইবাবে প্ৰাকৃতিক জগতখনৰ বৈচিত্ৰ্যতাক অতীত আৰু বৰ্তমানৰ পটভূমিত শিশুসকলক উপলব্ধি কৰাবলৈ চেষ্টা কৰিছে।

৩. শিশু-কিশোৰ উপযোগী সাহিত্য হিচাপে উপন্যাসকেইখনত কেতবোৰ অতিবাস্তৱ বিষয়ৰ দ্বাৰাও পাৰিপাৰ্শ্বিক প্ৰসংগবোৰ প্ৰকাশ কৰিবলৈ বিচাৰিছে।

৪. মানুহ আৰু প্ৰকৃতিৰ মাজত আন্তৰিক সম্পৰ্কৰ প্ৰয়োজনীয়তাৰ কথা প্ৰত্যেকখন উপন্যাসতে চিত্ৰিত হৈছে।

৫. শিশু-কিশোৰসকলৰ মন-মগজুক স্পৰ্শ কৰিব পৰাকৈ ঔপন্যাসিকে পাৰিপাৰ্শ্বিক বিষয়বোৰক উপস্থাপন কৰিব পাৰিছে ইত্যাদি।

## গ্ৰন্থপঞ্জী

গগৈ, শিখামণি : অৰণ্য ৰোদন, ইলইড কমিউনিকেচন, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০২১।
বৰা, জয়ন্ত মাধৱ : ইয়াত এখন হাবি আছিল, জ্যোতি প্ৰকাশন, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০২১।
বৰগোহাঞি, যতীন্দ্ৰ কুমাৰ : পৃথিৱীৰ মৰম, অসম পাব্লিচিং কোম্পানী, তৃতীয় প্ৰকাশ, জানুৱাৰী, ২০২০।
মজুমদাৰ, ননী : সেউজীয়া উপত্যকাৰ কথা, অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ, ২০১২।
শৰ্মা, মদন : অৰণ্যৰ বন্ধু, বান্ধৱ, জানুৱাৰী, ২০২৩।

::::::

ISSN:3049-0812
**MAJULI:** *A Multi-Lingual Multi-Disciplinary e-Magazine*
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা : এক বিশ্লেষণাত্মক অধ্যয়ন

**Mr. Arup Tamuli**

Designation : Student, Department of Assamese, Tezpur University, Tezpur, Assam, India,

e-Mail ID: gogoipuranda@gmail.com

Majuli A Multilingual Multidisciplinary e-Magazine

**Abstract:**

*This paper explores the pioneering poetic contributions of Jamuneswari Khataniar, recognized as the first modern Assamese woman poet of the Romantic era. Chetana magazine, edited by Ambikagiri Raychoudhury, served as a crucial platform that brought Khataniar's work to public attention, significantly contributing to her literary recognition. Through a close reading of her poem Mrityusandhya, the paper examines her successful engagement with transcendental themes, which preceded the more widely acknowledged contributions of Nalini Bala Devi in this domain. Despite her short life and limited published output, Khataniar's poetry—especially her collection Arun (1919), published prior to her marriage—reveals remarkable depth of thought, thematic diversity, and stylistic originality. While many of her poems remained unpublished during her lifetime, their later compilation in Jamuneswari Khataniarar Rachanawali underscores her enduring literary significance. By situating her work within the broader context of early 20th-century Assamese literature, this paper highlights Khataniar's role in shaping modern Assamese poetic expression and affirms the lasting value of her innovative voice.*

**Keywords:** Jamuneswari Khataniar, Modern Assamese poetry, Romanticism, Transcendentalism

## ০.০ অৱতৰণিকা

### ০.১ বিষয়ৰ পৰিচয়

অসমীয়া সাহিত্যৰ ইতিহাসত অম্বিকাগিৰী ৰায়চৌধুৰীৰ সম্পাদনাত প্ৰকাশিত ‘চেতনা’ আলোচনীৰ বৰঙনি উল্লেখযোগ্য। ‘চেতনা’ আলোচনীৰ পাতত কবি যমুনেশ্বৰী খাটনীয়াৰৰ সৰহ সংখ্যক কবিতা প্ৰকাশিত হৈছিল যাৰ

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

ফলস্বৰূপে অসমীয়া কাব্য সাহিত্যত তেওঁ প্ৰতিষ্ঠিত হোৱাত যথেষ্ট পৰিমাণে সহায়ক হৈছিল। তদুপৰি বিংশ শতিকাৰ প্ৰথম দশকত জন্মলাভ কৰা নলিনীবালা দেৱী তেওঁৰ কাব্যৰ ক্ষেত্ৰত যি অতীন্দ্ৰিয়বাদী গুণৰ প্ৰকাশৰ বাবে বিশেষণৰ মাধ্যমেৰে এক সন্মানসূচক স্থান লাভ কৰিছিল তাৰ পূৰ্বতে যমুনেশ্বৰী খাটনিয়াৰে তেওঁৰ 'মৃত্যুসন্ধ্যা' নামৰ কবিতাটোৰ মাজেৰে অতীন্দ্ৰিয়বাদী চেতনাৰ সফল প্ৰয়োগ সম্পন্ন কৰিছিল। অতি কম সময় জীয়াই থকা কবি গৰাকীৰ সকলো কবিতাই প্ৰকাশৰ মুখ দেখা পোৱা নাছিল। মুঠ ২৪ টা কবিতাৰে তেওঁৰ একমাত্ৰ কাব্যপুথি 'অৰুণ' ১৯১৯ চনত বিবাহৰ পূৰ্বে প্ৰকাশিত হৈছিল। একাংশ কবিতা বহুকেইখন অসমীয়া আলোচনীৰ পাতত প্ৰকাশিত হৈছিল আৰু 'নীৰৱে' শীৰ্ষক কবিতাটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ মেট্ৰিকুলেচনৰ পাঠ্যক্ৰমত সন্নিবিষ্ট হৈছিল। বহুসংখ্যক কবিতা আনুষ্ঠানিকভাৱে প্ৰকাশ নোহোৱাকৈ ৰৈছিল। কবিতাসমূহক ডাঃ শোভন চন্দ্ৰ খাটনিয়াৰে 'যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী'ত অন্তৰ্ভুক্ত কৰিছিল। বিভিন্ন বিষয়ৰ সফল পৰীক্ষা আৰু বহুতো সৰল বিষয়বস্তুৰ অদ্বিতীয় উপস্থাপনৰ মাধ্যমেৰে নতুনত্বৰ সূচনা কৰা যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ গুৰুত্ব যথেষ্ট পৰিমাণে আছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব**

যমুনেশ্বৰী খাটনিয়াৰ প্ৰথমগৰাকী অসমীয়া মহিলা আধুনিক কবি। তদুপৰি ২০২৩ বৰ্ষত কবিগৰাকীৰ মৃত্যুৰে শতবাৰ্ষিকী গৰকিছে। নৱন্যাস যুগত আত্মপ্ৰকাশ কৰা প্ৰথমগৰাকী মহিলা কবি হিচাপে বৰ্তমান সময়ত পাঠক সমাজে কবিগৰাকীক কেনেদৰে স্মৃতিত সংৰক্ষিত কৰিছে সেই বিষয়ে আলোচনা কৰা এই আলোচনা পত্ৰখনৰ উদ্দেশ্য। যি সময়ত অসমত মহিলা শিক্ষা অতিকৈ চালুকীয়া অৱস্থাত আছিল তেনে এক প্ৰেক্ষাপটত মহিলা কবি সকলৰ চিন্তাধাৰাৰ প্ৰকাশক আলোচনা কৰাতো এই আলোচনা পত্ৰখনৰ মুখ্য গুৰুত্ব। মূলত যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা ৰচনাৰ শৈলী, কবিতাৰ শ্ৰেণী বিভাগ, প্ৰকাশিত ভাৱধাৰাক আলোচনা কৰাৰ উদ্দেশ্যৰে এই আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসৰ**

আলোচনা পত্ৰখনৰ অধ্যয়নৰ গণ্ডীৰ ভিতৰত আছে যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা ৰচনাৰ সমসাময়িক পৰিৱেশৰ বৰ্ণনা, তেওঁৰ কবিতাসমূহৰ বিভাগ আৰু তেওঁৰ কবিতা তথা কবিতা পুথিখনৰ বিষয়ে বিভিন্ন সমালোচকৰ মন্তব্য। উৎকৃষ্ট হিচাপে গণ্য কৰা কবিতাসমূহক আলোচনাৰ মাজলৈ অনাৰ প্ৰয়াস কৰা হৈছে।

**০.৪ অধ্যয়নৰ পদ্ধতি**

আলোচনা পত্ৰখন প্ৰস্তুতকৰণ ক্ষেত্ৰত মূলত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক এই দুই পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে। তদুপৰি বিষয়বস্তু উপস্থাপনৰ ক্ষেত্ৰত দশমিক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

### ১.০ কবি যমুনেশ্বৰীৰ খাটনিয়াৰৰ পৰিচয়

যমুনেশ্বৰী খাটনিয়াৰৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২৩ এপ্ৰিলত দগাঁৱত। তেওঁ 'সঙ্গীত কোষ'ৰ ৰচক কীৰ্ত্তিনাথ শৰ্মা বৰদলৈৰ তত্বাৱধানত ঘৰতে শিক্ষা লাভ কৰিছিল। তেওঁ ১৩/১৪ বছৰ বয়সৰ পৰাই কাব্য চৰ্চাৰ ক্ষেত্ৰত মনোনিবেশ কৰিছিল। প্ৰাৰম্ভিক পৰ্যায়ত কবিতা সমূহ মূলত 'যমুনা শইকীয়া' , 'যমুনেশ্বৰী শইকীয়া' আৰু পৰৱৰ্তী সময়ত 'যমুনেশ্বৰী খাটনিয়াৰ' বা 'যমুনা খাটনিয়াৰ' ৰ নামত 'চেতনা' , 'বাঁহী' , 'আলোচনী' আদি কাকতত মূলত প্ৰকাশিত হৈছিল। তেওঁৰ প্ৰথম কবিতা পুথি 'অৰুণ' প্ৰকাশ পাইছিল ১৯১৯ চনত। এই কবিতা পুথিখন আছিল মূলত মহিলা কবিৰ দ্বাৰা প্ৰকাশিত ৰমন্যাসিক যুগৰ প্ৰথম অসমীয়া কবিতা পুথি। ১৯২০ চনত তেওঁৰ এই কবিতাপুথি খন অসমৰ বহুকেইখন বালিকা বিদ্যালয়ত কবিতাৰ পাঠ্যপুথি হিচাপে প্ৰচলিত হৈছিল। প্ৰেম, বিষাদ,নিসংগতা, আধ্যাত্মিকতা, প্ৰকৃতি চিত্ৰণ, বুৰঞ্জীৰ বৰ্ণনাৰ প্ৰতি এক হাবিয়াস তেওঁৰ কবিতাৰ মাজত মূলত দেখিবলৈ পোৱা যায়। যজ্ঞেশ্বৰ শৰ্মাই সম্পাদনা কৰি সংকলিত কৰা 'শতপত্ৰ' শীৰ্ষক সংকলনত কবিৰ 'বিদায়' শীৰ্ষক কবিতাটো অন্তৰ্ভুক্ত হৈছে। যমুনেশ্বৰী খাটনীয়াৰৰ কিছুসংখ্যক উল্লেখযোগ্য কবিতা হ'ল – 'কাকুতি' , 'বিদায়' , 'তুমি' , 'পুৰা' , 'জন্মভূমি' , 'ভনীটিলৈ' , 'প্ৰাৰ্থনা' ইত্যাদি কবিতা। ১৯২০ চনত যমুনেশ্বৰী খাটনিয়াৰ কবি ভৈৰৱ চন্দ্ৰ খাটনিয়াৰৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ মাত্ৰ চাৰি বছৰৰ পাছতে ১৯২৩ চনত সন্তান জন্মজনিত কাৰণত মাত্ৰ ২৫ বছৰ বয়সত তেখেতৰ মৃত্যু হৈছিল।

### ২.০ যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা

অসমীয়া সাহিত্যৰ সমালোচক সকলে কাব্য সাহিত্যৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ শেষ দশকত জন্মলাভ কৰা নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানী আৰু বিংশ শতিকাৰ প্ৰথম দশকত জন্মলাভ কৰা যমুনেশ্বৰী খাটনীয়াৰৰ পাঠ আলোচনা প্ৰায় সমসাময়িক ভাৱে কৰা দেখা পোৱা যায়। যমুনেশ্বৰী খাটনীয়াৰৰ কাব্য সাহিত্যৰ নিদৰ্শন মূলত লাভ কৰা যায় অসমীয়া কাব্যৰ ক্ষেত্ৰত ৰোমাণ্টিকতাবাদৰ প্ৰথম ৰেঙনি পৰাৰ সময়ৰ পৰা। তেওঁ আছিল আধুনিক যুগৰ প্ৰথম মহিলা কবি। জীৱনৰ পোন্ধৰ যোল্ল বছৰতে কবিতা লিখিবলৈ আৰম্ভ কৰা যমুনেশ্বৰীৰ কাব্য জীৱনৰ পৰিক্ৰমা মাত্ৰ ১০-১২ বছৰ সামৰা এক ব্যাপ্তিতহে লাভ কৰা যায়। তথাপিও যমুনেশ্বৰী খাটনিয়াৰৰ কাব্য জীৱনৰ মূল্যায়ণ প্ৰকৃতপক্ষে তেওঁৰ বয়স বা কবিতাৰ সংখ্যাৰে কৰাৰ পৰিৱৰ্তে কবিতা সমূহৰ বিষয়বস্তু আৰু কবিতাসমূহৰ মাজেৰে প্ৰকাশিত বিভিন্ন আদৰ্শৰ দ্বাৰাহে কৰা উচিত হ'ব।

যমুনেশ্বৰী খাটনিয়াৰৰ প্ৰথম কবিতাপুথি 'অৰুণ' প্ৰকাশিত হয় ১৯১৯ চনত। কবিতা পুথিখনত মূলত তেওঁ শিশুৰ বাবে উপযোগী হিচাপে গণ্য কৰা কবিতাসমূহকে অন্তৰ্গত কৰিছিল। 'অৰুণ' কবিতা পুথিখনৰ প্ৰকাশৰ সময়ত লেখিকাৰ প্ৰতি শলাগ আগবঢ়াই ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাই কৈছিল – " যমুনেশ্বৰী শইকীয়াৰ কবিতাৰ

Majuli: A Multilingual Multidisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

মালাধাৰি সকলোৱে আদৰ কৰিব , আশাকৰোঁ এই পুথি খনিত শিক্ষা বিভাগৰ কতৃপক্ষসকলে বালিকা স্কুলৰ নিমিত্তে চকু দিব।"(১) উল্লেখযোগ্য ভাৱে পৰৱৰ্তী সময়ত ১৯২০ চনত এই কিতাপখন বালিকা স্কুলৰ পাঠ্যপুথি হিচাপে মনোনীত হয়। যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা সমূহক মূলত আমি তিনিটা ভাগত বিভক্ত কৰিব পাৰো –

- ১৯১৯ চনত প্ৰকাশিত 'অৰুণ' কবিতা পুথিখনত প্ৰকাশিত কবিতা সমূহৰ সমষ্টি।
- সাহিত্য আলোচনীত প্ৰকাশিত অথচ পুথি আকাৰে সংকলিত নোহোৱা কবিতা।
- অপ্ৰকাশিত ভাৱে লিখিত ৰূপত থকা কবিতা।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ সম্পাদনাত ১৯১৯ চনত প্ৰকাশিত 'চেতনা' আলোচনীত যমুনেশ্বৰী খাটনিয়াৰৰ সৰহ সংখ্যক কবিতা প্ৰকাশিত হৈছিল। চেতনা আলোচনীৰ মাধ্যমেৰে তেওঁ মূলত অসমীয়া কাব্য জগতত প্ৰতিষ্ঠা লাভ কৰাত সহায়ক হৈছিল। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' আৰু দুৰ্গাৰাম চাংকাকতিৰ সম্পাদনাত প্ৰকাশিত 'আলোচনী'ৰ পাততো তেওঁৰ কিছুসংখ্যক কবিতা প্ৰকাশিত হৈছিল। বৰ্তমান সময়লৈকে কবি যমুনেশ্বৰীৰ কবিতা সম্পৰ্কত যি সমূহ আলোচনা কৰা হৈছে সেই আলোচনা মূলত তেওঁৰ একমাত্ৰ কবিতাপুথি 'অৰুণ' ত প্ৰকাশিত কবিতা আৰু 'চেতনা' , 'আলোচনী' আৰু 'বাঁহী' আদি আলোচনীত প্ৰকাশিত কবিতাসমূহৰ পৰ্য্যালোচনা কৰি আগবাঢ়ি যোৱা দেখা পোৱা গৈছে।

Majuli: A Multilingual MultiDisciplinary e-Magazine

**২.১ যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ ৰচনাশৈলী**

যমুনেশ্বৰী খাটনিয়াৰে কাব্য চৰ্চাৰ পাতনি মেলা সময়ছোৱাত অসমত ৰোমাণ্টিক আন্দোলনৰ প্ৰভাৱে স্পৰ্শ কৰিছিল মাথোন। সামাজিক প্ৰেক্ষাপটত নাৰীৰ অৱস্থান অতিকৈ শোচনীয় আছিল। স্ব-সাধনাৰে শিক্ষিত হৈ তেওঁ শক্তিশালী ভাৱে কাব্য সাহিত্যৰ পথাৰত নিজৰ স্থিতি মূলত শক্তিশালী কৰিছিল। শ্ৰী ভগগিৰী ৰায়চৌধুৰীয়ে যমুনেশ্বৰী খাটনিয়াৰৰ 'অৰুণ'কবিতা পুথিখনৰ সন্দৰ্ভত মত প্ৰকাশ কৰিছিল যে – "তেওঁ কবিতা লিখি গ্ৰন্থকৰ্মী নাম লোৱা বা বেচি ধন লাভ কৰিবৰ আশাত তেওঁ কিতাপ লিখা নাছিল। তেওঁৰ সময়ত অসমীয়া ভাষাত মহিলাৰ গ্ৰন্থৰ অভাৱ প্ৰায় অলপ দূৰ হয় বুলিহে সেই ক্ষেত্ৰত লেখিকা আগবাঢ়িছিল।" (২)

তেওঁৰ কবিতাৰ ৰচনাশৈলীৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁৰ কবিতাত গতানুগতিক দুলড়ী,পদ,ছবি,লেছাৰি ইত্যাদি ছন্দৰ ব্যৱহাৰৰ মাজতে সীমাবদ্ধ থকা নাছিল। মাত্ৰাবৃত্ত ছন্দৰ ব্যৱহাৰো যথেষ্ট পৰিমাণে লক্ষ্য কৰা হৈছিল। তদুপৰি তেওঁৰ কবিতাৰ মাজত মানসিক দন্দ,আৱেগিক জটিলতা আৰু কাৰুণ্যৰ স্পষ্ট প্ৰকাশ শুনিবলৈ পোৱা যায়।

**২.২ যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাত প্ৰতিফলিত বিষয়বস্তু**

“মই আশা কৰিছো কোনো সহৃদয় পাঠক সমালোচকে কম বয়সত পৃথিৱী এৰি যোৱা এই কবিগৰাকীক কেৱল সম্ভাৱনাপূৰ্ণ কবি বুলি নাভাবি তেওঁৰ যথাৰ্থ মূল্যায়ণৰ কাম যেন হাতত ল’ব পাৰে। তেওঁৰ যিখিনি পাইছো ,সেইখিনিও কম নহয়। যিখিনি পোৱা নাই বা পালোহেঁতেন সেইখিনিৰ কথাকে কৈ তেওঁৰ বিষয়ে শেষ বিচাৰ কৰাতো সম্ভৱ নহয়।“ (৩) আধুনিক যুগৰ প্ৰথম অসমীয়া মহিলা কবি হিচাপে যমুনেশ্বৰীৰ কবিতাত বিষয়ৰ বৈচিত্ৰতা উল্লেখযোগ্য। প্ৰকৃতি, প্ৰেম, নিসংগতা,বিষণ্নতা, আধ্যাত্মিকতা ইত্যাদি বিভিন্ন দিশৰ সংমিশ্ৰণ তেওঁৰ ৰচনাৰ মাজত স্পষ্টকৈ দেখা পোৱা যায়। আলোচনাৰ প্ৰাৰম্ভিক পৰ্যায়তে উল্লেখ কৰা হৈছিল যে যমুনেশ্বৰী খাটনিয়াৰে সেই সময়ত কাব্য চৰ্চা আৰম্ভ কৰিছিল যিটো সময়ত অসমত ৰোমাণ্টিকতাবাদৰ প্ৰভাৱ সামান্যতম ভাৱে পৰিবলৈ আৰম্ভ কৰিছিল। যদিওবা ৰোমাণ্টিকতাৰ ধাৰাৰ চৰ্চা অসমীয়া কবি সকলে পাশ্চাত্য শিক্ষাৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ কৰিবলৈ আৰম্ভ কৰে তথাপিও এই যুগৰ এনে কিছু সংখ্যক কবি আছে যিয়ে স্ব-সাধনাৰে শিক্ষিত হৈ নিজস্ব আৱেগ, অনুভূতি,ভাব- কল্পনা আদিৰ প্ৰকাশ কৰি কাব্য চৰ্চাৰ ধাৰা অক্ষুণ্ণ ৰাখিছিল। যমুনেশ্বৰী খাটনিয়াৰ স্ব-সাধনাৰে শিক্ষিত হৈ ৰোমাণ্টিক কবিতাৰ আখৰা কৰা অসমৰ অন্যতম এগৰাকী প্ৰধান কবি।

প্ৰকৃতি চিত্ৰণ ৰোমাণ্টিকতাৰ অন্যতম এক প্ৰধান বৈশিষ্ট্য। তেওঁৰ কবিতাত প্ৰকৃতি চিত্ৰণ সুন্দৰ ৰূপত উপস্থাপন কৰা হৈছে। ‘অৰুণ’ত প্ৰকাশিত ‘পুৱা’ কবিতাটোৰ প্ৰথম স্তৱকত এটি নিশাৰ অন্তত প্ৰকৃতিৰ বুকুত নৰতম কোলাহলৰ এক সুন্দৰ চিত্ৰণ দাঙি ধৰা পৰিলক্ষিত হৈছে –

“ৰজনীও অন্ত হ’ল আন্ধাৰ লুকাল,
চৰায়ে ডালত পৰি কৰিছে কোঢ়াল।
বিশ্ৰামত আছিলা যেন প্ৰকৃতি সুন্দৰী,
শীতল পাটিত পৰি সৌন্দৰ্য্য আৱৰি।“

‘অৰুণ’ কবিতা পুথিখনৰ যথেষ্ট সংখ্যক কবিতা শিশু সকলক উদ্দেশ্য কৰি ৰচনা কৰা হৈছিল। তদুপৰি এই কাব্যপুথিখনৰ মাধ্যমেৰে স্কুলীয়া পাঠ্যপুথিৰ অভাৱ হ্ৰাস কৰাৰ এক প্ৰচেষ্টা গ্ৰহণ কৰা হৈছিল। ১৯২০ চনত ‘অৰুণ’ কাব্য পুথিখন বালিকা স্কুলৰ পাঠ্যপুথি হিচাপে মনোনীত হৈছিল। প্ৰত্যেকজন সচেতন ব্যক্তিৰ মনৰ মাজত থকা স্বদেশপ্ৰেমৰ এক স্বাভাৱিক ভাৱধাৰা কবি যমুনেশ্বৰীৰ মনৰ মাজতো প্ৰকাশিত হৈছিল। এই কবিতাটোৰ মধ্যত তেওঁ নিজ জন্মভূমিৰ মহিমা আৰু গুণ বিজয়ী কীৰিতী ক অদ্বিতীয় ৰূপত উপস্থাপন কৰিছে। ‘জন্মভূমি’ কবিতাটোৰ মাজেৰে স্বদেশ প্ৰেমৰ ভাৱধাৰাৰ স্পষ্ট প্ৰকাশ হৈছিল এনেদৰে –

“ ধন্যা জননী মোৰ জন্মভূমি আই,

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

ধন্য ধন্য মাতৃ তযু অসীম মহিমা।
ধন্য তোমাৰ গুণ বিজয়ী কীৰিতী,
ধন্যা জননী নাই তোমাৰ উপমা।“

ভাৰতীয় দৰ্শনৰ প্ৰভাৱ যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাত স্পষ্ট ৰূপত প্ৰকাশিত হোৱা দেখা পোৱা যায়। ভাৰতীয় দৰ্শনত কৰ্মৰ যি দুটা ভাগৰ অৱতাৰণা কৰা হৈছে তাৰ নিষ্কাম কৰ্ম শাখাই কেৱলমাত্ৰ কৰ্ম সম্পাদনাৰ ক্ষেত্ৰত গুৰুত্বতা প্ৰদান কৰে। কৰ্মৰ ফল আশা নকৰাকৈ কৰ্ম সম্পাদন তথা জীৱনৰ শেষ সময়ত মায়া মোহৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যৰে বহুতো ব্যক্তিয়ে বিভিন্ন পৃথক পন্থা অৱলম্বন কৰা দেখা যায়। মৃত্যু যে জীৱনৰ অন্তিম সত্য আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত যে সকলো শূণ্যতাৰে আৱৰা তাৰ এক বিৱৰণ যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাত বিদ্যমান। ‘মোৰ’ নামৰ কবিতাটোৰ মাজেৰে ভাৰতীয় দৰ্শনৰ এই দিশসমূহ পৰিস্ফুট হৈ উঠা দেখিবলৈ পোৱা যায় –

“শুদাহাতে আহিছিলো শুদাহাতে যাম,
দুদিনীয়া পৃথিৱীত কেইদিন খাম।
মিছাতেই মৰোঁ কিয় মোৰ মোৰ বুলি,
চিঞৰিছো মিছাকৈয়ে দুই হাত তুলি।“

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত, সমাজ প্ৰতিষ্ঠাত এক সুস্থিৰতা প্ৰদানৰ ক্ষেত্ৰত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ অৱদান আছিল উল্লেখযোগ্য। কবি যমুনেশ্বৰীৰ কবিতাত প্ৰকাশিত হৈছে শঙ্কৰদেৱৰ সাধনা, ধৰ্মৰ কিৰণ, শান্তিৰ বাণী, কীৰ্তন প্ৰসঙ্গৰ বৰ্ণনা, বেদ আৰু উপনিষদৰ পৰা নিৰ্বাচিত অংশৰে অনুবাদ কৰা গ্ৰন্থৰ মহত্ত্ব প্ৰকাশিত হৈছে। নিষ্কাম ভক্তিৰ আদৰ্শৰ বিষয়বস্তু উপস্থাপন কৰি যাগ-যজ্ঞ আৰু কৰ্মৰ মাধ্যমেৰে হৰিৰ কীৰ্তনৰ মহিমা প্ৰকাশৰ কথা মূলত তেওঁ কাব্যৰ মাজত মাধৱদেৱৰ প্ৰসংগত অৱতাৰণা কৰিছে। তেওঁৰ ‘অৰুণ’ কবিতা পুথিৰ দিশলৈ লক্ষ্য কৰিলে এটি গুৰুত্বপূৰ্ণ দিশৰ অৱতাৰণা কৰাৰ অৱকাশ লাভ কৰা যায়। কাব্যপুথিখনত প্ৰকাশিত প্ৰথম আৰু অন্তিমটো কবিতা ক্ৰমে ‘কাকুতি’ আৰু ‘প্ৰাৰ্থনা’ মূলত ইশ্বৰৰ আৰাধনা সম্পৰ্কীয় দুটি কবিতা। কবিৰ ব্যক্তিগত জীৱনত ঈশ্বৰ উপাসনাৰ যি প্ৰভাৱ সেইয়া তেওঁৰ কবিতাৰ মাজেৰে স্পষ্টভাৱেই প্ৰকাশিত হোৱা দেখা পোৱা গৈছে।

যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ দ্বিতীয়টো ভাগ হ’ল বিভিন্ন আলোচনী সমূহত প্ৰকাশিত তেওঁৰ কবিতাৰ সমষ্টি। কবি হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত মূলত তেওঁৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা আলোচনীখন হ’ল ‘চেতনা’। ইয়াৰোপৰি ‘বাঁহী’, ‘আলোচনী’ , ‘জোনাকী’ আদিকে প্ৰমুখ্য কৰি আন বহুতো আলোচনীত যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাসমূহ মূলত প্ৰকাশিত হৈছিল। আলোচনী সমূহত প্ৰকাশিত কবিতা আৰু ‘অৰুণ’ত প্ৰকাশিত কবিতা সমূহৰ বিষয়বস্তুৰ মাজত কোনো ধৰণৰ বিশেষ পাৰ্থক্য পৰিলক্ষিত নহ’লেও দুই এক কবিতা এই ক্ষেত্ৰত

Majuli A Multi-Lingual Multi-Disciplinary e-Magazine

বিশেষ ৰূপত প্ৰকাশিত হোৱা দেখা পোৱা যায়। 'সফল কামনা' কবিতাটোৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় – শিৰোনামাৰ অৰ্থই প্ৰাৰম্ভিক পৰ্যায়ত পাঠকক এক আশাবাদী ধাৰণাৰ সৈতে সন্মুখীন কৰোৱাই। কিন্তু পৰৱৰ্তী পৰ্যায়ত প্ৰতিটো স্তৰকে পাঠকক বেদনা,ব্যৰ্থতা,হতাশা আদিৰ এক চিত্ৰণৰ পৰিচয় প্ৰদান কৰা দেখা পোৱা যায়। তদুপৰি তেওঁৰ প্ৰকাশিত কবিতা সমূহৰ মাজেৰে ভাৰতবৰ্ষৰ ইতিহাস,পুৰাণ আদিৰ বহুতো নাৰী চৰিত্ৰ যেনে – সীতা,মন্দোদৰী,দ্ৰোপদী,দময়ন্তী, জয়মতী আদিৰ দৰে চৰিত্ৰৰ সবল প্ৰকাশ মূলত দেখা পোৱা যায়।

যমুনেশ্বৰী খাটনিয়াৰৰ কবিতাৰ তৃতীয়টো ভাগ হ'ল মূলত তেওঁৰ লিখিত ৰূপত থকা অপ্ৰকাশিত কবিতা সমূহ।এই ভাগটোৰ প্ৰতিনিধিত্বমূলক কবিতা হিচাপে মূলত আমি 'তুমি' কবিতাটোৰ বিষয়ে আলোচনা কৰিব পাৰো। এই কবিতাটোৰ ক্ষেত্ৰত ""অম্বিকাগিৰীৰ 'তুমি' কবিতাটোৱে বৰ আলসুৱাকৈ স্পৰ্শ কৰি গৈছে।"(৪) অৱশ্যে অম্বিকাগিৰী ৰ 'তুমি' আৰু যমুনেশ্বৰীৰ 'তুমি' ৰ মাজত মৌলিক পাৰ্থক্য যথেষ্ট পৰিমাণে পৰিলক্ষিত হৈছে। অম্বিকাগিৰীৰ 'তুমি' মূলত তেওঁৰ প্ৰেয়সীক কেন্দ্ৰ কৰি ৰচনা কৰা কবিতা কিন্তু তাৰ পৰিৱৰ্তে আমি যমুনেশ্বৰীৰ 'তুমি'ৰ ক্ষেত্ৰত ইশ্বৰ সত্বাৰ এক প্ৰভাৱ দেখা পোৱা যায়। তেওঁৰ আন এক উল্লেখযোগ্য কবিতা হ'ল 'বিশ্বহীত'। কবিতাটোৰ মাজেৰে সাৰ্বজনীন কল্যাণ সাধনৰ পোষকতা কৰা দেখিবলৈ পোৱা যায়। জীৱনৰ মুখ্য এক ব্ৰত সাৰ্বজনীন কল্যাণ কেন্দ্ৰিক হোৱাৰ পোষকতা কৰি যশ,মান আৰু জৈৱিক সুখ ত্যাগৰ প্ৰসংগ কবিতাটোৰ মাজেৰে মূলত তেওঁ আলোচনা কৰিছে। 'দিয়া দিয়া কল্যাণ' শীৰ্ষক কবিতাটোৰ মাজেৰে মূলত তেওঁৰ শব্দৰ ব্যৱহাৰ, বাক্যৰ গাঠনি আদিত ৰবীন্দ্ৰ সঙ্গীতৰ এক প্ৰভাৱ পৰিছে বুলি নৰকান্ত বৰুৱাই 'যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী'ৰ পাতনিত উল্লেখ কৰিছে।

### ৩.০ উপসংহাৰ

অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত যমুনেশ্বৰী খাটনিয়াৰৰ কাব্যকৃতি এক গুৰুত্বপূৰ্ণ দিশ। আলোচনা পত্ৰখনৰ দ্বাৰা আগবঢ়োৱা আলোচনাৰ পৰা ক'ব পাৰি –

- যমুনেশ্বৰী খাটনীয়াৰৰ বৰ্তমানলৈকে প্ৰকাশিত কবিতা পুথি 'অৰুণ' আৰু বিভিন্ন আলোচনীত প্ৰকাশিত তথা প্ৰকাশ নোহোৱাকৈ লিখিত ৰূপত থকা প্ৰায় ৫৫ টা মানহে কবিতা উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। সম্পূৰ্ণ  কবিতা সমূহ বৰ্তমানো উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱা নাই।
- আধুনিক যুগৰ প্ৰথম অসমীয়া মহিলা কবি হিচাপে তেওঁৰ পূৰ্বতে প্ৰচলিত কাব্য ধাৰাৰ পৰিৱৰ্তে নতুন কিছু বিষয়ৰ অৱতাৰণা তেওঁ কবিতা সমূহৰ অৰ্ন্তভাগত দেখিবলৈ পোৱা যায়।



Majuli: A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

- নৰকান্ত বৰুৱাৰ ভাষাত 'প্ৰেম আৰু জিজ্ঞাসা'ৰ কবি হিচাপে ঊনবিংশ শতিকাৰ কাব্য সাহিত্যৰ ইতিহাসত তেওঁৰ স্থান গুৰুত্বপূৰ্ণ।
- তেওঁৰ দ্বাৰা ৰচনা কৰা একমাত্ৰ কাব্যপুথি 'অৰুণ' ৰ ঐতিহাসিক দিশত যথেষ্ট গুৰুত্ব আছে। কিয়নো এই পুথিখন প্ৰকাশ হোৱাৰ পৰৱৰ্তী বৰ্ষতে অৰ্থাৎ ১৯২০ চনত বালিকা স্কুলৰ পাঠ্যপুথি হিচাপে মনোনীত হৈছিল।
- যমুনেশ্বৰী খাটনীয়াৰৰ কাব্যকৃতি সম্পৰ্কে বৰ্তমান সময়তো আলোচনাৰ ব্যাপকতা দেখিবলৈ পোৱা নাযায়। অৱশ্যে তেওঁৰ কাব্যক আলোকপাত কৰাৰ বাবে যথেষ্ট থল আছে।

**প্ৰসংগ সূত্ৰ**

১ ৰায়চৌধুৰী,ভগগিৰী : যমুনেশ্বৰী খাটনিয়াৰৰ কবিতা, 'যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী' , পৃ.- ঢ

২ উল্লিখিত : উল্লিখিত, পৃ.- ঢ

৩ বৰুৱা, নৰকান্ত : জোনৰ আনখন মুখ, 'যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী' , পৃ.- ট

৪ উল্লিখিত : উল্লিখিত , পৃ.- ঙ

**সহায়ক গ্ৰন্থপঞ্জী**

খাটনিয়াৰ , শোভন চন্দ্ৰ : যমুনেশ্বৰী খাটনিয়াৰৰ ৰচনাৱলী(সম্পা.), ইষ্টাৰ্ণ অফচেট প্ৰিণ্টাৰ্ছ, প্ৰথম প্ৰকাশ ১৯৯৮

শৰ্মা , যজ্ঞেশ্বৰ : শতপত্ৰ(সম্পা.), প্ৰকাশক – দ্য বুক্ নক্ , পঞ্চম প্ৰকাশ ২০২০

হাজৰিকা, কৰবী ডেকা : অসমীয়া কবিতা (সম্পা.) , বনলতা , পঞ্চম প্ৰকাশ ২০১৪

::::::

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812

**MAJULI:** *A Multi-Lingual Multi-Disciplinary e-Magazine*

Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in

Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দঃ এক শৈলীবৈজ্ঞানিক অধ্যয়ন

**Dr. Sabanika Baruah**

E-mail ID: sabaniabaruah@gmail.com

F-

**Abstract:**

*The 20th century witnessed the emergence of stylistics as a distinct academic discipline, situated at the intersection of linguistics and literary criticism. The primary objective of stylistics is to uncover the intended meaning and aesthetic value embedded in literary texts by analyzing linguistic elements such as sound, word choice, and sentence structure. These elements, and their application and distribution, help determine a writer's unique style. While discussions on style date back to ancient and medieval European literature—initially as a branch of rhetoric—thinkers like Plato and Aristotle contributed significantly to early stylistic thought. In the modern era, especially during the Romantic period and the 20th century, scholars like Charles Bally, a student of Saussure, along with critics such as Richards, Eliot, and Leavis, established stylistics as a linguistic and literary method of analysis. A crucial aspect of stylistic analysis is lexical context, which reveals deeper meanings hidden in specific word choices. This paper explores such stylistic elements in the works of Jyotiprasad Agarwala, a revered figure in Assamese literature. Words like jyoti, alok, shilpi, and sundar, serve as key indicators of his philosophical and personal identity, reflecting his creative ethos across various literary forms.*

**Keywords:** Jyotiprasad Agarwala, Marker Word, Stylistics, Lexical Context, Literay stylistics

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

### ০.০ অৱতৰণিকাঃ

#### ০.১ বিষয়ৰ পৰিচয়

বিংশ শতিকাত ভাষা-বিজ্ঞান আৰু সাহিত্য-সমালোচনাৰ আলম লৈ শৈলীবিজ্ঞান নামৰ এটা নতুন বিদ্যায়তনিক শাখা গঢ় লৈ উঠে। কোনো সাহিত্য-পাঠত ব্যৱহৃত ভাষিক উপাদানসমূহৰ বিশ্লেষণৰ জৰিয়তে পাঠটোত নিহিত হৈ থকা অভিপ্ৰেত অৰ্থ তথা ভাষিক সৌন্দৰ্য্য উদ্ধাৰ কৰাই হ'ল শৈলীবিজ্ঞানৰ মুখ্য উদ্দেশ্য। ধ্বনি, শব্দ, বাক্য আদি সকলো ভাষিক উপাদানকে সাহিত্য শৈলীৰ বিশ্লেষণে সামৰি লয়। প্ৰকৃততে এই উপাদানবিলাকৰ প্ৰয়োগ-পৰিমাণ, প্ৰয়োগ-কৌশলৰ ওপৰত ভিত্তি কৰিয়েই সাহিত্য-পাঠ তথা লেখক এগৰাকীৰ স্বতন্ত্ৰ শৈলী নিৰ্ধাৰণ কৰিব পাৰি।

পাশ্চাত্য সাহিত্যজগতত শৈলীৰ বিকাশৰ এক বিস্তৃত ইতিহাস পোৱা যায়। প্ৰাচীন আৰু মধ্যযুগৰ ইউৰেপীয় সাহিত্যত শৈলী সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সূত্ৰপাত হৈছিল। অৱশ্যে, সেই সময়ছোৱাত শৈলী বিষয়টো অলংকাৰশাস্ত্ৰৰ ভিতৰুৱা বিষয় হিচাপেহে আলোচনা কৰা হৈছিল। প্লেটো, এৰিষ্টটল চিচাৰো, কুইন্তিলিয়ন আদি পণ্ডিতসকলে এই দিশটোৰ চিন্তা-চৰ্চা আগবঢ়াই নিছিল। প্লেটোৱে শৈলীক ভাৱবাদী দৃষ্টিকোণৰপৰা বিচাৰ কৰিছিল। এৰিষ্টটলে শৈলীৰ আলোচনাত কাব্যভাষাৰ বৈশিষ্ট্য নিৰূপণত অধিক গুৰুত্ব আৰোপ কৰিছিল। এৰিষ্টটলৰ মতে কবিয়ে নিজকে নিজে কৰা আৱিষ্কাৰেই হ'ল শৈলী। প্লেটো, এৰিষ্টটলৰ পৰৱৰ্তী সময়ছোৱাত অৰ্থা ৰোমান্টিক যুগৰ সূত্ৰপাত হোৱাৰ লগে লগে শৈলী সম্পৰ্কীয় আলোচনাই নতুন গতি লাভ কৰে। এই সময়ছোৱাত লেখকভেদে সাহিত্য-পাঠত শব্দৰ প্ৰয়োগ বা বাক্যগঠনৰ ভিন্নতাৰ বিচাৰেই যে শৈলীৰ মূল উদ্দেশ্য সেই কথা চাল্ৰ্চ হকেট, চেমুৰ চ্যাটম্যান আদি পণ্ডিতে উল্লেখ কৰিছিল। অৱশ্যে, অষ্টাদশ শতিকাৰ শৈলী বিচাৰৰ অন্যতম প্ৰবক্তা জোনাথন চুইফটে প্ৰসংগৰ ওপৰত ভিত্তি কৰি শব্দ প্ৰয়োগ কৰাৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। বিংশ শতিকাত ইউৰোপত যিসকল ব্যক্তি শৈলীচৰ্চাৰ প্ৰতি অগ্ৰসৰ হৈছিল, তেওঁলোকৰ বেছিভাগেই আছিল ভাষাবিজ্ঞানী।

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আনহাতে, ৰিচার্ডচ, এলিয়ট, লিবিচ আদি নব্য সমালোচকে ইংলেণ্ডত নতুন পদ্ধতি অৱলম্বন কৰি শৈলীবৈজ্ঞানিক চৰ্চা আৰম্ভ কৰে। শৈলীবিজ্ঞান নামৰ এই অভিধাটোৱে বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাহে বিশেষকৈ ভাষাবিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চচ্যুৰ ছাত্ৰ চাৰ্লচ বেলীৰ প্ৰয়াসৰ ফলস্বৰূপেহে বিদ্যায়তনিক শাখা হিচাপে গুৰুত্ব লাভ কৰে।

শব্দগত প্ৰসংগ হ'ল ভাষাশৈলী বিশ্লেষণৰ এক উপাদান। ইয়াৰ যোগেদি সাহিত্যপাঠত ব্যৱহাৰ হোৱা বিশেষ কিছুমান শব্দৰ অন্তৰালত লুকাই থকা প্ৰসংগ উদ্ধাৰ কৰা হয়। অসমীয়া সাহিত্য তথা সাংস্কৃতিক জগতৰ এগৰাকী চিৰস্মৰণীয় ব্যক্তি হ'ল জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া গীত, নাটক, কবিতা, প্ৰবন্ধ, শিশু-সাহিত্য আদি সকলো ক্ষেত্ৰতে জ্যোতিপ্ৰসাদ আগৰৱালাই নিজস্ব চিন্তাৰ পৰিচয় দি থৈ গৈছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত ব্যৱহৃত কিছুমান শব্দই তেখেতৰ দৰ্শনক প্ৰতিনিধিত্ব কৰা দেখা যায়। অৰ্থাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ব্যক্তিসত্তা তথা ব্যক্তিত্বক প্ৰতিনিধিত্ব কৰা অনেক শব্দ তেখেতৰ ৰচনাত দেখা যায়। সেই শব্দসমূহৰ ভিতৰত জ্যোতি, আলোক, পোহৰ, শিল্পী, সুন্দৰ, নতুন ইত্যাদি উল্লেখযোগ্য। এই শব্দসমূহক আমি জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দ বুলি ক'ব পাৰোঁ। কিয়নো, এই শব্দসমূহে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ব্যক্তিত্বক প্ৰতিভাত কৰাত সহায় কৰে।

এই গৱেষণা পত্ৰখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দৰ প্ৰয়োগ প্ৰসংগৰ বিশ্লেষণ আগবঢ়োৱা হৈছে।

**০.২ উদ্দেশ্যঃ** এই গৱেষণা-পত্ৰখন প্ৰস্তুত কৰিবলৈ যাওঁতে কেইটামান উদ্দেশ্য নিৰ্ধাৰণ কৰি লোৱা হৈছে। নিৰ্ধাৰিত উদ্দেশ্যকেইটা হল -

ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত শব্দৰ কৌশলী প্ৰয়োগে কেনেদৰে অভিনৱত্ব প্ৰদান কৰিছে, সেয়া বিচাৰ কৰা,

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত প্ৰচলিত বিশেষ কিছুমান শব্দৰ যোগেদি জ্যোতিপ্ৰসাদ আগৰৱালাৰ শৈল্পিক প্ৰতিভা কেনেদৰে প্ৰতিভাত হৈ উঠিছে, সেয়া বিচাৰ কৰা।

**০.৩ পদ্ধতিঃ** এই গৱেষণা পত্ৰখন সাহিত্যকেন্দ্ৰিক শৈলীবৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত বিশ্লেষণ কৰা হৈছে। লগতে প্ৰয়োজনসাপেক্ষে সমাজভাষাবৈজ্ঞানিক পদ্ধতিৰো সহায় লোৱা হৈছে।

**০.৪ তথ্য সংগ্ৰহৰ উৎসঃ** গৱেষণা পত্ৰখনৰ প্ৰাথমিক উৎস গ্ৰন্থ হীৰেন গোঁহাইৰদ্বাৰা সম্পাদিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলী। লগতে শৈলীবিজ্ঞানৰ তাত্বিক গ্ৰন্থ আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনা আৰু জীৱন সম্পৰ্কীয় বিভিন্ন গ্ৰন্থৰ পৰা প্ৰয়োজনীয় তথ্য আহৰণ কৰা হৈছে।

**২.০ মূল আলোচনাঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ব্যক্তিত্বৰ এটা দিশ হল তেখেতৰ দৰ্শন, যি দৰ্শনক জ্যোতিদৰ্শন বুলি অভিহিত কৰা হয়। জ্যোতি-দৰ্শনৰ মূলমন্ত্ৰ হল ৰূপান্তৰৰ চেতনা। জ্যোতিপ্ৰসাদ আগৰৱালাৰ মতে সকলো মানুহেই শিল্পী, কিয়নো প্ৰত্যেকজন মানুহৰ অন্তৰত সৌন্দৰ্য্য-চেতনা তথা শিল্পীসত্তা লুকাই থাকে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ মতে অতীতৰ সকলো বস্তু পৰিহাৰ নকৰি সময়ানুযায়ী উপযোগীকৈ গঢ় দি লব লাগে। অৰ্থাত ৰূপান্তৰৰ মাজেদি সেইসমূহ বস্তু ব্যৱহাৰোপযোগী কৰি তুলিব লাগে, লগতে ভৱিষ্যতৰ প্ৰগতি আৰু পৰিৱৰ্তনক আঁকোৱালি লব লাগে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই ব্যক্তিত্বৰ প্ৰভাৱ তেখেতৰ সাহিত্য-শৈলীত দেখিবলৈ পোৱা যায়। স্বদেশবাদৰ ধাৰণাৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰূপান্তৰ-চেতনাই বিকাশ লাভ কৰিছিল। কিয়নো, 'স্থানীয় পৰম্পৰাগত স্বকীয়তাৰ স'তে সমসাময়িক অত্যাধুনিক চিন্তা-চৰ্চাক সংশ্লেষিত কৰি এক বিশেষ সমন্বয়তাত্মক শিল্পদৰ্শনৰ অভিনিৰ্মাণৰ প্ৰচেষ্টাকে স্বদেশবাদৰ মূল আদৰ্শৰূপে গণ্য কৰা হয়।১ জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্প-চেতনাৰ বিকাশত গান্ধীবাদ, মাক্সবাদী চেতনা, স্বদেশবাদৰ চিন্তা-চেতনাই বিশেষ অৰিহণা যোগাইছিল। জ্যোতিপ্ৰসাদ

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আগৰৱালাৰ দৰ্শনৰ লগত জড়িত অন্তৰ সংস্কৃতিৰ ধাৰণা গান্ধীৰ অন্তৰ সংস্কৃতিৰ ধাৰণাৰ সৈতে সম্পৰ্কিত। মহাত্মা গান্ধীয়ে মানুহৰ অন্তৰ সংস্কৃতি বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। অৱশ্যে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিন্তা কেৱল মানুহৰ অন্তৰ সংস্কৃতি বিকাশতেই সীমাৱদ্ধ নাছিল, অন্তৰ সংস্কৃতিৰ লগত বহিঃসংস্কৃতি বিকাশৰ ক্ষেত্ৰতো তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰিছিল। মাৰ্ক্সীয় দৰ্শনৰ অন্তৰ্গত সাম্যবাদী চিন্তাৰ প্ৰতিফলন জ্যোতিপ্ৰসাদ আগৰৱালাৰ চিন্তাত দেখিবলৈ পোৱা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দ হিচাপে নিৰ্বাচিত শব্দসমূহে তেখেতৰ এই চিন্তা-ধাৰাক সুন্দৰ ৰূপত প্ৰতিফলিত কৰি তুলিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দসমূহৰ গঠন দুইধৰণে হোৱা দেখিবলৈ পোৱা যায় --

ক) একে অৰ্থযুক্ত ভিন্ন শব্দ আৰু খ) দুটা ভিন্ন শব্দৰ যোগত সাধিত শব্দ।

**২.১ সূচক শব্দৰ প্ৰয়োগ প্ৰসংগঃ**

**২.১.১ জ্যোতি আৰু ইয়াৰ সমাৰ্থক শব্দৰ প্ৰয়োগ প্ৰসংগঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্যত জ্যোতি আৰু ইয়াৰ সমাৰ্থক শব্দসমূহৰ যোগেদি তেখেতৰ ব্যক্তিত্ব সাৰ্থকৰূপত প্ৰতিফলন ঘটাইছে। নাটকৰ ক্ষেত্ৰত নিমাতী কইনা বা ৰূপকোঁৱৰ আৰু ৰূপালীমত জ্যোতি আৰু ইয়াৰ সমাৰ্থক শব্দৰ প্ৰয়োগে তেখেতৰ দৰ্শন সুন্দৰূপত তুলি ধৰিছে। কবিতা আৰু গীতৰ ক্ষেত্ৰত জ্যোতি আৰু ইয়াৰ সমাৰ্থক শব্দৰ প্ৰয়োগ জ্যোতিপ্ৰসাদ আগৰৱালাই অতি ব্যঞ্জনাধৰ্মীৰূপত কৰিছে। এই সূচক শব্দসমূহ কোতিয়াবা দুষ্কৃতি বিনাশনৰ স্বৰূপৰূপে, কেতিয়াবা মানুহৰ অন্তৰলোকত লুকাই থকা শিল্পীসত্তাৰ প্ৰতীকৰূপে উপস্থাপন কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিশু-কবিতাৰ মাজতো সূচক শব্দসমূহ সাৰ্থকৰূপত প্ৰয়োগ হৈছে। গীত, কবিতা আদিৰ তুলনাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰবন্ধত জ্যোতি আৰু ইয়াৰ সমাৰ্থক শব্দসমূহৰ প্ৰয়োগ সামান্য। অৱশ্যে, কম পৰিমাণে ব্যৱহৃত হ'লেও এই শব্দসমূহৰ প্ৰয়োগ-প্ৰসংগ তাৎপৰ্যমূলক। আনকি, জ্যোতিপ্ৰসাদ

Majuli: A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

আগৰৱালাই প্ৰবন্ধৰ নামকৰণতো পোহৰ (*পোহৰলৈ* শীৰ্ষক প্ৰবন্ধ) শব্দৰ প্ৰয়োগ কৰিছে। ‘প্ৰাগজ্যোতিকা’ আৰু ‘প্ৰৰসুৱা চিঠিৰ প্ৰথম ছোৱা’ শীৰ্ষক প্ৰবন্ধত জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰাকৃতিক ৰূপৰ বিৱৰণৰ ক্ষেত্ৰতো পোহৰ শব্দৰ প্ৰয়োগ কৰিছে। তলত উদাহৰণসহ জ্যোতি আৰু সমাৰ্থক শব্দসমূহৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হ’ল --

| প্ৰয়োগ | প্ৰয়োগৰ ধৰণ | প্ৰয়োগৰ উদ্দেশ্য |
|---|---|---|
| (ক) ওজা বেজঃ সি ফুলৰ নাম হ’ল ‘সাধনা কমল’। নিদানত পৰিছোহে কথা সি ফুলৰ দেখা নাই আজিল’কে তাক। জ্যোতিদেশৰ পদুম বনত ফুলে হেনো সেই ফুল। (*নিমাতী কইনা* বা *ৰূপকোঁৱৰ*, *জ্যো.ৰ.*, পৃষ্ঠা. ১৩৯) | সাধিত শব্দ<br>জ্যোতি+দেশ | প্ৰকৃত শিল্প-সাধনা বা কলা-সাধনাৰ ক্ষেত্ৰ বুজোৱাৰ অৰ্থত |
| (খ) মণিমুগ্ধঃ ৰাতি কিমান পৰ ? লিগিৰীঃ শেষ হ’ল --- পোহৰ হ’ল। | একক শব্দ | মানসিকতাৰ পৰিৱৰ্তন বুজোৱাৰ অৰ্থত |

Majuli: A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| মণিমুগ্ধঃ (গম্ভীৰ হৈ দাৰ্শনিকতাৰে)<br>পোহৰ হ'ল। এৰা পোহৰ হ'ল।<br>(*ৰূপালীম্, জ্যো.ৰ.,* পৃষ্ঠা- ১৩১) | | |
| (গ) শিল্পী মই<br>ময়ে শিল্পী<br>আন্ধাৰৰ সতে যুঁজি পোহৰলৈ যাওঁ,<br>(*শিল্পীৰ আলোক-যাত্ৰা, জ্যো.ৰ.,*পৃষ্ঠা-৬১৪) | একক শব্দ | শিল্পী-সত্তাৰে মানৱ মন উজ্জ্বলাই তোলাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে। |
| (ঘ) পোহৰ দিয়া, পোহৰ দিয়া<br>আৰু পোহৰ দিয়া,<br>মনৰ আন্ধাৰ আঁতৰ কৰি<br>আলোকলৈ নিয়া।<br>(*অকণমানিৰ প্ৰাৰ্থনা, জ্যো.ৰ.,* পৃষ্ঠা-৮২৬) | একক শব্দ | দুষ্কৃতি নাশ কৰি শিল্পী-সত্তা জগাই তোলাৰ কথা সূচাইছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| | | |
|---|---|---|
| (ঙ) আজি নৱ সুৰ লয় মান মাত্ৰা<br>জাগ্ৰত জনতাৰ আলোক যাত্ৰা।<br>……… ……… ……… ………<br>জনকম্প জাগে<br>ভূমিকম্প জাগে<br>আলোককম্প জাগে...<br>(*গীত*-৩০৩, *জ্যো.ৰ.*,পৃষ্ঠা-৭৮৮-৭৮৯) | সাধিত ৰূপ<br>আলোক + যাত্ৰা<br>আলোক + কম্প | জনতাৰ একতা আৰু জনশক্তিক সূচাইছে। |
| (চ) সৌ আকাশত নীহাৰিকা দেখি ভাৱোঁ, সি এটা কাৰোবাৰ জ্যোতির্ময় সুন্দৰ সপোন; আকাশে আকাশে ব্যাকুল হৈ উৰি ফুৰিছে সেই জ্যোতিপুঞ্জ ব্যাকুল হৈ আকাশৰ অনন্ত বুকুত আলোকবাষ্পৰ ৰূপত ভুবনে ভুবনে ভ্ৰমি ফুৰাই ভাবিছিলো তাৰ জীৱন বুলি.....<br>( শিল্পীৰ পৃথিৱী, জ্যো.ৰ., পৃষ্ঠা-৪৫৩) | একক শব্দ<br>জ্যোতির্ময়<br>সাধিত শব্দ<br>জ্যোতিপুঞ্জ<br>জ্যোতি + পুঞ্জ<br>আলোকবাষ্প<br>আলোক + বাষ্প | শৈল্পিক ব্যক্তিত্বৰ প্ৰকাশ। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| (ছ) নৱজীৱনৰ আলোকযাত্ৰা প্ৰতিহত কৰিবলৈ ওলোৱা দুষ্কৃতৰ সৈতে অৰ্জ্জুনৰ বীৰত্বৰে যুঁজিবলৈ ওলাই আহক।<br>*(পোহৰলৈ, জ্যো.ৰ.,* পৃষ্ঠা- ৪৮৫) | সাধিত শব্দ<br>আলোক + যাত্ৰা | শোষণমুক্ত সমাজ বুজোৱাৰ অৰ্থত ব্যৱহাৰ কৰা হৈছে। |

উদাহৰণ (ক)-ৰপৰা এটা কথা স্পষ্ট হৈ পৰিছে যে পুৰস্কাৰ অথবা অৰ্থলোভত অহা স্বাৰ্থান্ধ লোকসকলে অথবা প্ৰকৃত কলাৰপৰা শতযোজন দূৰত অৱস্থান কৰা ভুৱা পণ্ডিতসকলে কলালক্ষ্মীস্বৰূপ নিমাতীৰ মাত ফুটাব পৰা নাই। অৱশ্যে, ইয়াৰ মাজতে প্ৰকৃত শিল্প-সাধনা বা কলা-সাধনাৰ সামান্য আভাস ফুটি উঠিছে ওজা বেজ চৰিত্ৰটোৰ যোগেদি শিল্প-সাধনাৰ প্ৰকৃতস্বৰূপ সম্পৰ্কে সামান্য আভাস দিয়া হৈছে। নাটকৰ প্ৰথম অংকৰ প্ৰথম দৃশ্যত এই চৰিত্ৰটো অৱতাৰণ কৰাৰ মূলতে হ'ল প্ৰকৃত শিল্প বা কলা-সাধনা সম্পৰ্কে পাঠকক এক ইংগিত দিয়া।

উদাহৰণ (খ)-ত মণিমুগ্ধ চৰিত্ৰটোৰ মুখত দিয়া পোহৰ শব্দটোৱে মণিমুগ্ধৰ দমণমূলক মানসিকতাৰ যি পৰিৱৰ্তন, সেই পৰিৱৰ্তনক প্ৰতিনিধিত্ব কৰিছে।

উদাহৰণ (গ)-ত আন্ধাৰৰ সৈতে শিল্পীৰ সংগ্ৰাম অৰ্থাৎ মানুহৰ মনৰ বিভিন্ন আসুৰিক প্ৰবৃত্তিসমূহক নিঃশেষ কৰি শিল্প-সত্তাক বিকশাই তোলাৰ কথা কোৱা হৈছে।

উদাহৰণ (ঘ)-ৰ পংক্তিকেইটা শিশু কবিতাৰপৰা নিৰ্বাচন কৰি লোৱা হৈছে। এই পংক্তিকেইটাৰ যোগেদি এটা কথাত উপনীত হ'ব পাৰি যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ আলোক অভিমুখী চিন্তাই শিশু কবিতাৰ মাজতো গুৰুত্ব পাইছে। মনৰ দুষ্কৃতি আঁতৰাই শিল্প-সত্তা জগাই তোলাৰ উদ্দেশ্যে শিশুৱে নিজৰ মাজত লুকাই থকা সুন্দৰক প্ৰাৰ্থনা জনাইছে।

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

উদাহৰণ (ঙ) -ত স্বাধীনতাৰ হকে যুঁজিবলৈ অহা জনতা আৰু জনতাৰ শক্তিক জনতাৰ আলোক-যাত্ৰা আৰু আলোককম্প শব্দ দুটাৰ যোগেদি সূচাইছে। ভাৰতৰ স্বাধনীতা আন্দোলনৰ হকে শোষিত, নিষ্পেষিত জনতাৰ মনত বৈপ্লৱিক ভাৱ জগাই তোলাৰ উদ্দেশ্যে জ্যোতিপ্ৰসাদ আগৰৱালাই পোহৰ শব্দৰ প্ৰয়োগ কৰিছে।

উদাহৰণ (চ)- ত ব্যৱহৃত জ্যোতিৰ্ময় শব্দটোৱে জ্যোতি শব্দটোৰ গাঢ়তা তথা প্ৰভাৱশীলতা প্ৰকাশ কৰাৰ বিপৰীতে জ্যোতিপুঞ্জ শব্দটোৱে জ্যোতিকণাৰ একত্ৰৰূপটো প্ৰকাশ কৰিছে। আলোকবাষ্প শব্দটোৱে একে সময়তে জ্যোতিকণাৰ বিচ্ছুৰণতা প্ৰকাশ কৰাত সহায় কৰাত এনেধৰণৰ শাব্দিক চাতুৰ্যৰ মাজত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ ব্যক্তিশৈলীৰ আভাস পোৱা যায়।

উদাহৰণ (ছ)- ত পৰাধীনতাৰপৰা মুকলি হৈ উন্নতিৰ দিশলৈ অগ্ৰসৰ হ'বলৈ চেষ্টা কৰা নিষ্পেষিত জনতাৰ সন্মুখত দেখা দিয়া বাধাৰ প্ৰাচীৰ অৰ্থাৎ শোষণমূলক নীতিৰ বিৰুদ্ধে সাহসেৰে সন্মুখীন হ'বলৈ আহ্বান জনাইছে। আলোকযাত্ৰা শব্দটোৱে ইয়াত প্ৰগ্ৰতিৰ দিশলৈ আগবাঢ়ি যোৱাৰ কথা উল্লেখ কৰিছে।

**২.১.২ নতুন আৰু ইয়াৰ সমাৰ্থক (নৱ, নবীন, ন, নব্য) শব্দৰ প্ৰয়োগ প্ৰসংগঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত নতুন আৰু ইয়াৰ সমাৰ্থক অন্য শব্দসমূহৰ প্ৰয়োগ অধিক পৰিমাণে হোৱা দেখিবলৈ পোৱা যায়। প্ৰয়োগৰ পৰিমাণ আৰু প্ৰয়োগৰ প্ৰসংগৰ বিশিষ্টতাৰ প্ৰতি লক্ষ্য ৰাখি এই শব্দসমূহক জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দ হিচাপে স্বীকৃতি দিব পাৰি। ৰূপান্তৰৰ চেতনা প্ৰকাশ কৰিবলৈ যাওঁতে জ্যোতিপ্ৰসাদ আগৰৱালাই নৱসৃষ্টি, নতুন সৃষ্টি, ন-পোহৰ, নৱ কিৰণ, নৱোন্মেষ আদি দুটা শব্দৰ যোগত সাধিত শব্দবোৰ বাৰম্বাৰ প্ৰয়োগ কৰিছে। কবিতা আৰু গীতত ন-জোৱান, ন-যুঁজাৰু, ন-জোৱান এই শব্দকেইটাৰ বিশেষ প্ৰয়োগ দেখিবলৈ পোৱা যায়। এই শব্দকেইটাৰ যোগেদি জ্যোতিপ্ৰসাদ আগৰৱালাই বিশেষকৈ স্বাধীনতা আন্দোলনত

Majuli: A MultiLingual MultiDisciplinary e-Magazine

দেশৰ হকে যুঁজিবলৈ ওলাই অহা বীৰ পুৰুষসকলক সম্বোধন কৰিছিল আৰু লগতে স্বাধীনতাৰ আন্দোলনত যোগদান কৰিবলৈ ডেকা শক্তিক আহ্বান জনাইছিল। তলত উদাহৰণসহ আলোচনা কৰা হ'ল -

| প্ৰয়োগ | প্ৰয়োগৰ ধৰণ | প্ৰয়োগৰ উদ্দেশ্য |
|---|---|---|
| (ক) নৱতম পৰিকল্পনা সপোন হৈ মানুহৰ মনত থিত্ লৈ - তাৰ জ্ঞান, বুদ্ধি, মেধা, মনীষা, প্ৰতিভা আৰু কৰ্মৰ মাজেদি ওলাই পৃথিৱীৰ বুকুত ফুলি উঠি - আকৌ নতুনৰ কাৰণে ঠাই উলিয়াই জহি খহি গুছি যায়।<br>(*শিল্পীৰ পৃথিৱী, জ্যো.ৰ.*, পৃষ্ঠা - ৪৫৫) | একক শব্দ | ৰূপান্তৰ চেতনাক প্ৰতিভাত কৰাত সহায় কৰিছে। |
| (খ) বীণ-ব'ৰাগীঃ ৰূপ আৰু অৰূপৰ<br>অগনি জ্বালি<br>অনন্ত তৃষ্ণাৰ হবি<br>পূৰ্ণাহুতি ঢালি<br>উজলাই হোমালন<br>সৌন্দৰ্য্য যজ্ঞৰ। | সাধিত শব্দ<br>নবীন + কোঁৱৰ | শিল্প-চেতনাৰে সমৃদ্ধ ব্যক্তিত্বক অংকন কৰিছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| সেই যজ্ঞ মথি মোৰ<br>জাগিল মানস ৰূপ<br>সৌন্দৰ্য্য সাধনাৰ<br>নবীন কোঁৱৰ মই<br>নাম দিলে শ্ৰীৰূপকোঁৱৰ। | | |
| (গ) জাগো মই -<br>অসমৰ নবীন জোৱান,<br>বুকুত জ্বলিছে মোৰ অগ্নিময় অভিমান<br>জাগো মই অসমৰ অজেয় জোৱান।<br>কোন তই গচকি খচকি দিছ<br>মোৰ চোতালত আহি<br>কৌটিকলীয়া অধিকাৰ!<br>সাৱধান, হ'বি সাৱধান!<br>*(অসমৰ নবীন জোৱানৰ সংকল্প,* | সাধিত শব্দ<br>নবীন + জোৱান | যুৱশক্তিক সূচাইছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| জ্যো.ৰ.,পৃষ্ঠা-৬৮৩) | | |
| (ঘ) জাগ ভাৰতৰ নৱজোৱান<br><br>বিশ্ববিজয়ী নৱজোৱান!<br><br>কিহৰ শঙ্কা কিহৰ ভয়<br><br>কপালত তোৰ জিলিকে জয়।<br><br>জাগা - জাগা<br><br>(গীত - ৩৪৩, জ্যো.ৰ., পৃষ্ঠা - ৮০০) | সাধিত শব্দ<br><br>নৱ + জোৱান | যুৱশক্তিক বুজোৱাৰ অৰ্থত |

উদাহৰণ (ক) - ত ৰূপান্তৰৰ চেতনাক প্ৰতিভাত কৰাৰ উদ্দেশ্যে নৱতম আৰু নতুন শব্দৰ প্ৰয়োগ কৰিছে। উদাহৰণ (খ) - ত বীণ-ব'ৰাগী বা ৰূপকোঁৱৰৰ মুখত দিয়া এই সংলাপটোৰ যোগেদি শৈল্পিক ব্যক্তিত্ব গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা অহোপুৰুষাৰ্থ চেষ্টাৰ কথা ব্যক্ত কৰা হৈছে। নবীন কোঁৱৰ শব্দটোৱে ইয়াত গভীৰ সৌন্দৰ্য্য- সাধনাৰ যোগেদি গঢ়লৈ উঠা শৈল্পিক ব্যক্তিত্বক প্ৰতিনিধিত্ব কৰিছে।

উদাহৰণ (গ) - ত প্ৰকাশ পাইছে স্বাধীনতা আন্দোলনত শত্ৰুৰ বিৰুদ্ধে যুঁজিবলৈ ওলাই অহা সংগ্ৰামী জনতাৰ বীৰত্ব আৰু সাহস। নবীন জোৱান শব্দটোৱে ইয়াত সংগ্ৰামী জনতাক প্ৰতিনিধিত্ব কৰিছে। উদাহৰণ (গ) আৰু (ঘ) - ত দেশৰ জনতাক স্বাধীনতা আন্দোলনত যোগদান কৰিবলৈ আহ্বান জনাই সোই জনতাক নিজৰ সাহসৰ কথা সোঁৱৰাই দিছে। নৱ জোৱান শব্দটোৰ যোগেদি কবিয়ে জনতাক স্বাধীনতা আন্দোলনৰ বাবে অনুপ্ৰাণিত কৰিছে।

Majuli: A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

**২.১.৩ সুন্দৰ, সৌন্দৰ্য্য শব্দৰ প্ৰয়োগ প্ৰসংগঃ** জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত সুন্দৰ, সৌন্দৰ্য্য এই শব্দ দুটাৰ সঘন প্ৰয়োগ দেখিবলৈ পোৱা যায়। প্ৰয়োগ বহুলতাৰ প্ৰতি লক্ষ্য ৰাখি এই শব্দ দুটাক আগৰৱালাৰ সাহিত্যৰ সূচক শব্দ হিচাপে নিৰ্বাচন কৰা হৈছে। সুন্দৰ তথা সৌন্দৰ্য্য শব্দটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত মানুহৰ অন্তৰ তথা মনৰ আভ্যন্তৰীণ ভাগৰ স্বচ্ছতা তথা কলুষহীনতাক প্ৰতিনিধিত্ব কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ *শোণিত কুঁৱৰী* নাটকখনত সুন্দৰ, সৌন্দৰ্য্য শব্দ প্ৰয়োগ আছে যদিও এই শব্দবোৰৰ প্ৰয়োগ প্ৰায়েই প্ৰসংগ প্ৰাকৃতিক, দৈহিক বৰ্ণনাৰ ক্ষেত্ৰতে সীমিত। অৱশ্যে, চিত্ৰলেখা চৰিত্ৰটোৰ সংলাপত প্ৰয়োগ হোৱা সৌন্দৰ্য্য, সুন্দৰ আদি শব্দৰ প্ৰয়োগ প্ৰসংগৰ গুৰুত্ব মনকৰিবলগীয়া।

| প্ৰয়োগ | প্ৰয়োগৰ ধৰণ | প্ৰয়োগৰ উদ্দেশ্য |
|---|---|---|
| (ক) চিত্ৰলেখাঃ.... অনন্ত কাল কুলিয়ে অমিয়া, বিলাব সৌৰভ শত ফুলকলি<br>তথাপিতো নহ’ব যে শেষ<br>অতৃপ্ত হিয়াৰ মোৰ সৌন্দৰ্য্য-সাধনা!<br>(শোণিত কুঁৱৰী, জ্যো.ৰ., পৃষ্ঠা-২৩) | সাধিত শব্দ<br>সৌন্দৰ্য্য + সাধনা | শিল্পসাধনাৰে সমৃদ্ধ মনক প্ৰতিনিধিত্ব কৰিছে। |
| (খ) হ’ল নে তোমাৰ শেষ<br>সৌন্দৰ্য্য-সাধনা | সাধিত শব্দ<br>সৌন্দৰ্য্য + সাধনা | শিল্পীমনক প্ৰতিনিধিত্ব কৰিছে। |

Majuli: A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| অনন্ত বাসনাৰ যাৰ<br>পাৰ নাই ওৰ<br>পালা নে বিচাৰি দেৱী<br>যুগমীয়া সৌন্দৰ্য্যৰ<br>নিমাত দেৱতাজনা<br>সখী হেৰা সৌন্দৰ্য্য-বিভোৰ।<br>(চিত্ৰলেখা, জ্যো.ৰ., পৃষ্ঠা- ৬৫৩) | সৌন্দৰ্য্য + বিভোৰ<br>একক শব্দ | |
| (গ) তৃপ্ত হ'ল নে সৌন্দৰ্য্য-সাধনা<br>মাৰ গ'ল নে অনন্ত বাসনা<br>(সখী চিত্ৰলেখা, জ্যো.ৰ.,পৃষ্ঠা- ৬৯৩) | সাধিত শব্দ | শিল্পীসত্তাৰে সমৃদ্ধ মনক সূচাইছে। |

--- উদাহৰণ (ক)-ত চিত্ৰলেখা চৰিত্ৰটো হ'ল শিল্পীসত্তাৰ প্ৰতীক। এই সংলাপটোৰ যোগেদি প্ৰকৃততে চিত্ৰলেখাৰ মাজেদি জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৌন্দৰ্য্য তথা শিল্প-সত্তা প্ৰতি চিৰবিয়াকুল মনৰ আভাস পোৱা যায়। উদাহৰণ(ক) আৰু উদাহৰণ (খ)-ত দুটা ভিন্ন কবিতাৰপৰা লোৱা যদিও দুয়োটা উদাহৰণতেই প্ৰায় একেখনি কথাৰে পুনৰাবৃত্তি ঘটিছে। কবিতা দুটাৰ যোগেদি জ্যোতিপ্ৰসাদ আগৰৱালাৰ শিল্প-চেতনা প্ৰতিভাত হৈ উঠিছে। উদাহৰণ দুটাত

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

সৌন্দৰ্য্য-সাধনা, সৌন্দৰ্য্য-বিভোৰ আদি শব্দ ব্যৱহাৰৰ যোগেদি তেওঁ চিত্ৰলেখাৰ শিল্পীসুলভ মনটো স্পষ্টৰূপত দাঙি ধৰিবলৈ যত্ন কৰিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰী নাটকখনৰ সুন্দৰ চৰিত্ৰটোৰ নামকৰণ তাৎপৰ্যমূলক। সুন্দৰ অৰ্থাৎ অন্তৰজগতৰ ক্ৰমবৰ্ধমান পৰিৱৰ্তন তথা পুৰণি অন্ধবিশ্বাস, কু-সংস্কাৰ, সামন্তবাদী চিন্তা-চেতনাৰপৰা ক্ৰমান্বয়ে আঁতৰি আহি এক নতুন ভাৱধাৰা সৃষ্টিৰ আহ্বান এই নামকৰণৰ মাজত লুকাই আছে। জ্যোতিপ্ৰসাদ আগৰৱালাই সুন্দৰ চৰিত্ৰটোৰ সন্দৰ্ভত ৰূপালীম নাটকখনৰ পাতনিত মন্তব্য কৰিছে এনেদৰে -- "…. 'কাৰেঙৰ লিগিৰী'ৰ 'সুন্দৰ' চৰিত্ৰটোৰ বিষয়ে বহুতকে ভ্ৰম ধাৰণা কৰা দেখা পাইছো। সুন্দৰৰ চৰিত্ৰ আদৰ্শ হিচাপে তাত দাঙি ধৰাতকৈ চৰিত্ৰৰ বৈচিত্ৰ্য --- এটা চিৰবিপ্লৱী মনৰ দুৰ্নিবাৰ গতিৰ সৈতে সমাজৰ সংঘৰ্ষ আৰু সংঘাত আৰু তাৰ পৰিণতি দেখুৱাবলৈহে প্ৰয়াস কৰা হৈছিল।২ সুন্দৰ কোঁৱৰক আদৰ্শ চৰিত্ৰ হিচাপে অংকন কৰাতো এই নাটকখনৰ উদ্দেশ্য নহয়। তেওঁৰ চৰিত্ৰৰ অন্তৰ্নিহিত দ্বন্দ্বৰ জৰিয়তে সমাজৰ বিকাশ মূৰ্ত কৰাই নাটকখনৰ design বুলিব পাৰি।৩ সমাজৰ কিছুমান অলাগতিয়াল নীতি-নিয়মৰ বিৰুদ্ধে প্ৰতিবাদ সাবস্ত্য কৰাটো সুন্দৰ চৰিত্ৰটোৰ মূল বৈশিষ্ট্য। শোৱালিক বিনা কাৰণত কাৰেঙৰ পৰা নিৰ্বাসন দিয়াৰ পিছত সুন্দৰ কোঁৱৰৰ প্ৰতিবাদী কণ্ঠ আৰু অধিক শক্তিশালী হৈ পৰিছে। উদাহৰণস্বৰূপে ---

| প্ৰয়োগ | প্ৰয়োগৰ ধৰণ | প্ৰয়োগৰ উদ্দেশ্য |
| --- | --- | --- |
| (ক) সুন্দৰঃ জান জান জান! এই কাৰেঙত আটাইবোৰে জানে? আ-টাইবোৰে। (পাগলৰ দৰে) এই | একক শব্দ | প্ৰতিবাদী মানসিকতাক সূচাইছে। |

Majuli A Multilingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| | | |
|---|---|---|
| কোন ---- মাত---- মাত ---- আটাইবোৰ মানুহকে মাত..... শোৱালি ক'লৈ গ'ল? (আটাইবোৰে একেলগে "আমি ক'ব নোৱাৰো") পা--ৰি--ব--লা--গি--ব। নহ'লে মই তহঁতক কঠোৰ শাস্তি বিহিম-- মই অসুন্দৰ হ'ম-- এনে অমানুষিক-- অসুন্দৰ হ'ম-- মই-- বাপুৰা! বাপুৰা! চাওদাং বৰুৱাক মাত---<br><br>তুৰন্তে এতিয়াই।<br><br>(কাৰেঙৰ লিগিৰী, জ্যো.ৰ., পৃষ্ঠা. ৮৫) | | |
| (খ) ময়েই 'শেৱালি'<br>কাৰেঙৰ লিগিৰী<br>সেৱাতে নিমগন<br>সুন্দৰৰ মই<br>চিৰসেৱাতেই অৰ্পিছোঁ | একক শব্দ | সৌন্দৰ্য্য-চেতনাত সূচাইছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| প্ৰাণ-মন।<br><br>(অসমীয়া ছোৱালীৰ উক্তি, জ্যো.ৰ., পৃষ্ঠা. ৬৬৪) | | |

-- উদাহৰণ (ক)-ত সুন্দৰৰ মাজত লুকাই থকা প্ৰতিবাদী মানসিকতা অতি স্পষ্টৰূপত ফুটি উঠিছে। কোনোধৰণৰ অপৰাধ নকৰাকৈ এজনী সহজ-সৰল ছোৱালীক কাৰেং তথা ৰাজ্যৰপৰা নিৰ্বাসন দিয়া কাৰ্যক সুন্দৰ কোঁৱৰে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। গতিকে কোঁৱৰে অসুন্দৰ হোৱাৰ কথা ঘোষণা কৰিছে। এনে এক অন্যায়ৰ বিৰুদ্ধে অসুন্দৰ হোৱাৰ কথা ঘোষণা কৰিছে। এনে এক অন্যায়ৰ বিৰুদ্ধে অসুন্দৰ অৰ্থাৎ সকলো ধৰণৰ দয়া-মমতা পাহৰি এক হিংসাত্মক পৰিস্থিতিৰ আশ্ৰয় লোৱাৰ কথা কোঁৱৰে উল্লেখ কৰিছে। উদাহৰণ (খ)-ত শেৱালি কেৱল এগৰাকী সাধাৰণ লিগিৰী নহয়। শেৱালি হ'ল সুন্দৰৰ উপাসক। আৰু এই সুন্দৰ হ'ল সমাজ পৰিৱৰ্তনকাৰী এক যুগান্তৰ বিপ্লৱ। সুন্দৰৰ বিপ্লৱী চিন্তা-চেতনাই শেৱালিৰ মনত এক গভীৰ প্ৰেমভাৱৰ উদয় কৰিছে। এনেধৰণৰ প্ৰসংগতেই জ্যোতিপ্ৰসাদ আগৰৱালাই সুন্দৰ শেৱালিৰ প্ৰসংগ নাটকৰ মাজতে সীমাৱদ্ধ নাৰাখি কবিতাৰ মাজলৈ এই প্ৰসংগ টানি আনিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰায়ভাগ কবিতা আৰু গীতত সঘনে প্ৰয়োগ হোৱা সৌন্দৰ্য্য, সুন্দৰ--- শব্দই অন্তৰৰ মাজত লুকাই থকা শিল্পী-সত্তা আৰু অন্যায়ৰ প্ৰতিবাদস্বৰূপে জাগ্ৰত হোৱা বিপ্লৱী-সত্তাকে প্ৰতিনিধিত্ব কৰিছে। আনকি তেওঁ 'সুন্দৰৰ জয়যাত্ৰা' নামেৰে এটা কবিতাৰ নামকৰণো কৰিছে। এই কবিতাটোত সুন্দৰৰ অনুসন্ধানৰত শিল্পী আৰু সুন্দৰৰ 'লুকাভাকু খেলাৰ' সূক্ষ্ম অনুধ্যান প্ৰকাশ পাইছে। সুন্দৰক কবিয়ে পৰম আৰু

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
**MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine**
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

অখণ্ড সত্য ৰূপে চিনিছে।৪ জ্যোতিপ্ৰসাদ আগৰৱালাই সৌন্দৰ্য্য শব্দটোৰ প্ৰয়োগ কেৱল আন্তঃপৰিৱৰ্তনকে সামৰি নলৈ প্ৰয়োজনসাপেক্ষে বহিঃপৰিৱৰ্তনৰ লগতো সামৰি লৈছে। এইখিনিতে আমি অন্তৰসংস্কৃতি আৰু বৰ্হিসংস্কৃতিৰ কথা আঙুলিয়াব পাৰোঁ। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শিল্পীৰ পৃথিৱীত' অন্তৰসংস্কৃতিৰ লগতে বৰ্হিসংস্কৃতিৰ সন্দৰ্ভত সৌন্দৰ্য্য শব্দৰ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে---

"পিন্ধা কাপোৰ কেৱল লাজ গুচালেই নহ'ব--- সি দেহৰ ৰৌপিক সৌন্দৰ্য্যৰ গৌৰৱ বঢ়াব লাগিব--- জেউতি চৰাব লাগিব।....মানুহৰ জীৱনত কেৱল আৱশ্যকীয়তাক ৰাখি সৌন্দৰ্য্য প্ৰয়োগক বাদ দিয়া যায়--- তেন্তেবোধ কৰোঁ মানুহৰ জীৱনৰ সকলো মধুৰতা নাশ পাব।" --- ( শিল্পীৰ পৃথিৱী, জ্যো.ৰ., পৃ. ৮৫৬)

--- এই উদাহৰণৰ যোগেদি জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শনৰ লগত জড়িত বৰ্হিসংস্কৃতিৰ দিশটো উন্মোচিত হৈছে। সৌন্দৰ্য্য শব্দটোৰ প্ৰয়োগ ইয়াত বৰ্হিসংস্কৃতিৰ লগত ৰাখি কৰা হৈছে।

**২.১.৪ শিল্পী শব্দৰ প্ৰয়োগ প্ৰসংগঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত শিল্পী শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া। শিল্পী শব্দটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শনক প্ৰতিভাত কৰাত সহায় কৰিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ মতে প্ৰতিজন মানুহৰ মনতে এক শিল্পীসত্তা লুকাই থাকে; মনৰ সকলো কলুষতা, দুষ্কৃতি বিনাশ কৰি শিল্পীসত্তাক জগাই তুলিব পাৰিলেহে সমাজত সকলো ফালৰপৰা দুৰ্নীতি মষিমূৰ হৈ সমতা স্থাপন হয়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত শিল্পী শব্দৰ প্ৰয়োগ হোৱাৰ লগতে ৰচনাৰ শিৰোনাম হিচাপেও শিল্পী শব্দটোৰ প্ৰয়োগ কৰিছে, যেনে-- 'শিল্পীৰ পৃথিৱী', 'শিল্পীৰ আলোক-যাত্ৰা' আৰু 'বিশ্বশিল্পী'। জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শন শিল্পী শব্দটোৱে কেনেদৰে প্ৰতিভাত কৰিছে, সেয়া তলত উদাহৰণসহ আলোচনা কৰা হ'ল ---

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| প্ৰয়োগ | প্ৰয়োগৰ ধৰণ | প্ৰয়োগ প্ৰসংগ |
|---|---|---|
| (ক) শিল্পীয়ে যদি গোটেই পৃথিৱীৰ মানুহক সঁচা শিল্পীলৈ পৰিণত কৰিব পাৰে---- তেন্তে পৃথিৱীখন দুষ্কৃতিৰপৰা মুক্ত হৈ যাব। শিল্পী মানুহেই পৃথিৱীৰ উত্তৰাধিকাৰী।<br><br>( শিল্পীৰ পৃথিৱী, জ্যো.ৰ., পৃ. ৪৭৪) | একক শব্দ | দুৰ্নীতি, ভ্ৰষ্টাচাৰহীন ব্যক্তিসত্তাক সূচাইছে। |
| (খ) শিল্পী মই<br>ময়ে শিল্পী<br>আন্ধাৰৰ সতে যুঁজি পোহৰলৈ যাওঁ<br>মানুহৰ জীৱনৰ খোটালিয়ে খোটালিয়ে<br>ভিতৰে বাহিৰে মই<br>ৰঙা- নীলা- হালধীয়া<br>সাতো বৰণীয়া<br>নুনুমুৰা আলোকৰ | একক শব্দ | দুৰ্নীতি, শোষণ ইত্যাদিৰ বিৰুদ্ধে যুঁজিব পৰা ব্যক্তিসত্তাক সূচাইছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| চাকি জ্বলাওঁ।<br><br>( শিল্পীৰ আলোকযাত্ৰা, জ্যো.ৰ., পৃষ্ঠা. ৬১৮,৬১৫) | | |

--- ওপৰৰ উদাহৰণ দুটাত শিল্পী শব্দটোৱে সমাজত শিল্পীসত্তা তথা দুৰ্নীতি, শোষণ ইত্যাদি ৰূধিব পৰা মানুহৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰা হৈছে। উদাহৰণ (ক)-ত শিল্পীক দুষ্কৃতি অৱসানৰ শক্তি হিচাপে উল্লেখ কৰিছে। উদাহৰণ(খ)- ত অন্যায় , অবিচাৰ, দুৰ্নীতি ইত্যাদিৰ বিৰুদ্ধে জাগ্ৰত শিল্পীসত্তাক সূচাইছে।

**২.১.৫ সৃষ্টি শব্দৰ প্ৰয়োগ প্ৰসংগঃ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দ হিচাপে নিৰ্বাচিত অন্য এক সূচক শব্দ হ'ল সৃষ্টি।

সৃষ্টি শব্দটোৱে সাধাৰণতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰ্শনৰ ৰূপান্তৰ-চেতনাক প্ৰতিফলিত কৰাত সহায় কৰিছে। উদাহৰণস্বৰূপে ---

| **প্ৰয়োগ** | **প্ৰয়োগৰ ধৰণ** | **প্ৰয়োগৰ উদ্দেশ্য** |
|---|---|---|
| (ক) সৃষ্টিময় বিশ্বত সৃষ্টিৰ অখণ্ড প্ৰবাহ চলিব লাগিছে। ধ্বংস আহিছে | একক শব্দ | ৰূপান্তৰ চেতনাক প্ৰতিভাত কৰিছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

| | | |
|---|---|---|
| মাথোন নতুন সৃষ্টিৰ বাবেই। এই পৃথিৱীত মানুহক সৃষ্টি কৰিব পৰা মন এটা দি আৰু সৃষ্টিৰ যাৱতীয় সা-সঁজুলি দি স্থাপন কৰা হৈছে--- সৃষ্টি কৰি যাবৰ কাৰণেই।<br>( নতুন দিনৰ কৃষ্টি, জ্যো.ৰ., পৃষ্ঠা-৪৮৬) | | |
| (খ) ডুগ্<br>ডুগ্<br>ডুগ্<br>ডুগ্<br>ডম্বৰু বাজে<br>সৃষ্টি সৃষ্টি বুলি মহাকাল নাচে,<br>সৃষ্টিয়ে আদি<br>সৃষ্টিৰ চক্ৰ<br>মন্থিত কৰি ঘূৰে প্ৰলয়ৰ তন্ত্ৰ | একক শব্দ | ৰূপান্তৰ চেতনাক প্ৰতিভাত কৰিছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812
MAJULI: A Multi-Lingual Multi-Disciplinary e-Magazine
Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in
Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

| | | |
|---|---|---|
| সৃষ্টিহে সৃষ্টি<br>চলে অহোৰাত্রি<br>প্ৰলয়েই সৃষ্টি যুগে যুগে মাতৃ।<br>(কাঞ্চনজঙ্ঘাৰ বুৰঞ্জী, জ্যো.ৰ., পৃষ্ঠা-৬৩০) | | |
| (গ) আদিতেই যাত্রা কৰি অনাদিলে' যাওঁ<br>ধ্বংসৰ মাজেদি মই<br>ৰূপান্তৰৰ ৰূপ পাই<br>নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।<br>(বিশ্বশিল্পী, জ্যো.ৰ., পৃষ্ঠা-৬৮৬) | একক শব্দ | ৰূপান্তৰ চেতনাক প্ৰতিভাত কৰিছে। |

Majuli A MultiLingual MultiDisciplinary e-Magazine

--- ওপৰৰ আটাইকেইটা উদাহৰণতে সৃষ্টি শব্দটোৱে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰূপান্তৰ-চেতনাক প্ৰতিভাত কৰাত সহায় কৰিছে। ধ্বংসৰ মাজত লুকাই থকা সৃষ্টিৰ কথা সূচাবলৈ যাওঁতে এই শব্দটোৰ সঘন প্ৰয়োগ কৰিছে।

**২.১.৬ চিৰ, বিশ্ব আৰু মহা শব্দৰ প্ৰয়োগঃ**

এই শব্দকেইটা জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত সাধাৰতে অকলশৰে ব্যৱহাৰ হোৱা নাই। এই সূচক শব্দকেইটাৰ বিশেষ বিশেষত্ব হ'ল এই শব্দকেইটা প্ৰায়েই অন্য সূচক শব্দ বা অন্য কোনো শব্দৰ সৈতে যুক্ত হৈ বাক্যত ব্যৱহাৰ হয়। যেনে- চিৰসুন্দৰ, চিৰনতুন, চিৰপ্ৰশান্ত, চিৰ পৰিত্ৰাণ, চিৰ দুখীয়া, বিশ্বৰূপ, বিশ্বজনতা, বিশ্বজীৱন, বিশ্বশিল্পী, মহাসুন্দৰ, মহাজ্যোতি, মহাশিল্পী, মহাদৰ্শ, মহা বিকাশ ইত্যাদি। জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতালৈ মন কৰিলে দেখা যায় যে তেওঁ কবিতাৰ নামকৰণতো এই সূচক শব্দকেইটাৰ প্ৰয়োগ কৰিছে, উদাহৰণস্বৰূপে--- 'বিশ্বশিল্পী', 'চিৰবিদ্ৰোহী', 'মহাশূদ্ৰ'।

এটা কথা উল্লেখযোগ্য যে জ্যোতিপ্ৰসাদ আগৰৱালাৰ সূচক শব্দসমূহ প্ৰায়ভাগ ক্ষেত্ৰতে এনেদৰে সংপৃক্ত হৈ আছে যে এটাক আনটোৰপৰা পৃথককৈ বিশ্লেষণ কৰিলে অৰ্থ বিভ্ৰাট ঘটাৰ সম্ভাৱনাই সৰ্বাধিক। তদুপৰি, সূচক শব্দসমূহে পৰিৱেশ পৰিস্থিতিভেদে বিভিন্ন অৰ্থ বহন কৰা দেখিবলৈ পোৱা যায়।

**৩.০ উপসংহাৰ**

জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দঃ এক শৈলীবৈজ্ঞানিক অধ্যয়ন শীৰ্ষক গৱেষণা পত্ৰখনৰ যোগেদি পোহৰলৈ অহা সিদ্ধান্তসমূহ হ'ল ---

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত ব্যৱহৃত সূচক শব্দসমূহে তেখেতৰ ব্যক্তিসত্তা তথা শৈল্পিক দৰ্শন প্ৰতিভাত কৰাত সহায় কৰিছে।

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৰ সূচক শব্দসমূহ প্ৰতীকিৰূপত ব্যৱহাৰ হৈ সমাজৰ বিভিন্ন সমস্যা, শোষক আৰু শোষিতৰ মাজৰ দ্বন্দ্ব, মানুহৰ অন্তৰত লুকাই থকা শিল্পীসত্তা ইত্যাদিক প্ৰতিনিধিত্ব কৰিছে।

Majuli: A MultiLingual MultiDisciplinary e-Magazine

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাত জ্যোতি, পোহৰ, আলোক, ন, নৱ, নতুন, নবীন, সুন্দৰ, সৌন্দৰ্য্য, শিল্পী ইত্যাদি শব্দবোৰ একক ৰূপত ব্যৱহাৰ হোৱাৰ উপৰিও অন্য শব্দৰ লগত সংযোগ সাধিত হৈ ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। আনহাতে, চিৰ, বিশ্ব, মহা- এই শব্দকেইটা অন্য শব্দৰ লগত সংযোগ সাধিত হৈ ব্যৱহৃত হৈছে।

**পাদটীকাঃ**

১. মৌচুমী কন্দলী, 'জ্যোতিপ্ৰসাদৰ শিল্প-দৰ্শনঃ এটি পৰ্যালোচনা', গীতাশ্ৰী তামুলী আৰু অখিল গগৈ (সম্পা.), *শিল্পীৰ আলোকযাত্ৰা*, ২০০২, পৃষ্ঠা- ১২৩

২. হীৰেন গোহাঁই (সম্পা.), *জ্যোতিপ্ৰসাদ ৰচনাৱলী*, ২০১৩, পৃষ্ঠা- ১০১

৩. শোণিত বিজয় দাস (সম্পা.), *হীৰেন গোহাঁই ৰচনাৱলী*, ২০০৯, পৃষ্ঠা. ৩৫১

৩. কবীন ফুকন, 'জ্যোতিপ্ৰসাদৰ কবিতা', গীতাশ্ৰী তামুলী আৰু অখিল গগৈ (সম্পা.), *শিল্পীৰ আলোকযাত্ৰা*, ২০১০ পৃষ্ঠা- ৩৭১

**সহায়ক গ্ৰন্থপঞ্জীঃ**

গোহাঁই, হীৰেন (সম্পা.). *জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচনাৱলী*, গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ, জানুৱাৰী, ২০১৩

তামুলী, গীতাশ্ৰী, অখিল গগৈ (সম্পা.). *শিল্পীৰ আলোকযাত্ৰা*, গুৱাহাটীঃ জ্যোতি প্ৰকাশ, নৱেম্বৰ, ২০০২

দাস, শোণিত বিজয়, মুনীন বায়ন (সম্পা.). *হীৰেন গোহাঁই ৰচনাৱলী*, গুৱাহাটীঃ কথা, প্ৰথম প্ৰকাশ, ২০০৯

Majuli A MultiLingual MultiDisciplinary e-Magazine

বৰুৱা, প্ৰহ্লাদ কুমাৰ. *জ্যোতি মনীষা*, ডিব্ৰুগড়ঃ বনলতা, ২০১২

মজুমদাৰ, অভিজিৎ. *শৈলীবিজ্ঞান এবং আধুনিক সাহিত্যতত্ত্ব*, কলকতাঃ দে'জ পাবলিছিং, ২০০৭

Cystal, David & Derek Davy. *Investigating English Style*, London: Longman, 1969

Turner, G.W. *Stylistics*, London: Penguin Group, First Published, 1973

::::::

Majuli A MultiLingual MultiDisciplinary e-Magazine

ISSN:3049-0812

**MAJULI: *A Multi-Lingual Multi-Disciplinary e-Magazine***

Web.: www.majuliemagazine.com, e-Mail: majuliejournal@umkcollege.in

Published by: Digital Learning Cell, UMK College, Majuli-785105, Assam, India

# Political Contributions and Role of Assamese Women During the Ahom Periods

**Mr. Debasish Das**

Designation : Assistant Professor, Department of Sociology, UMK College, Majuli,

Assam, India-785105, e-Mail ID: debasish.dax88@gmail.com

Majuli A Multilingual Multidisciplinary e-Magazine

**Abstract**

*This research Paper critically examines the political contribution and role of Assamese women during the Ahom period (1228–1826), a time when Assam witnessed the consolidation of a powerful monarchy, administrative expansion, and cultural integration. While the Ahom political system was largely patriarchal, women—especially queens and royal consorts—played influential roles in governance, diplomacy, religious reforms, and socio-cultural life. Figures such as Jaymati Konwari, remembered for her martyrdom and moral strength, and Phuleshwari Kunwari, known for her unprecedented rule as a female monarch, are re-evaluated through a gender-sensitive historical lens. The study further explores the indirect but significant roles played by women in conflict mediation, moral guidance, and cultural patronage.*

*Drawing from Buranjis (Ahom chronicles), literary texts, folklore, and modern reinterpretations in cinema and academic discourse, the Paper highlights the symbolic and actual power of these women. It also interrogates historiographical silences and the marginalization of women's narratives in traditional history. Ultimately, the article argues that despite formal exclusions from power, Assamese women exerted considerable influence in shaping the political and moral fabric of Ahom society, and their legacy remains central to understanding Assam's socio-political evolution.*

**Keywords** : Assamese Women, Ahom Period, Political Contribution, Historical Leadership

**Introduction**

